# গ্ৰন্থ পৰিচিতি

জুলাই, ২০১৮



# গ্ৰন্থ পৰিচিতি

## জুলাই, ২০১৮

# গ্ৰন্থবান্ধৱ

## গ্ৰন্থেৰে সমৃদ্ধ জীৱন....

**সম্পাদক :** সঞ্জীৱ সভাপণ্ডিত
**সতীৰ্থঃ** নয়নমণি শৰ্মা
**এই সংখ্যাৰ সহযোগী :** অমৃতা সভাপণ্ডিত, অৰ্চনা চৌধুৰী
**ব্যৱস্থাপনাঃ** উৎপল দাস (স্বাগতম ৰিয়েল ইষ্টেট প্ৰাঃ লিঃ - চাৰ্ভে, বেলতলা, গুৱাহাটী)
সঞ্জীৱ সভাপণ্ডিত (ভিবজিঅৰ এন্টাৰপ্ৰাইজ - আমিনগাঁও, গুৱাহাটী)
**www.granthabaandhav.in**
granthabaandhav@gmail.com

**এপদ পুৰণা সম্পদ- নতুনকৈ চাও আহক**

এটা কাম হাতত লওঁ বুলি ভাবিছিলো- অসমৰ পুৰণা আঢ্যবন্ত পৰিয়ালবিলাকৰ আৰু পুৰণা আৰ্হিৰ ঘৰবিলাকৰ ছবি আৰু ঘৰবিলাকৰ বিষয়ে তথ্য সংগ্ৰহ। গোৱালপাৰা, নগাঁও, তেজপুৰ, গোলাঘাট, শিৱসাগৰ, গুৱাহাটী, ডিব্ৰুগড় আদিত এনে বহুত ঘৰ দেখিছো। কিবা এটা নষ্টালজিয়াই মোক সদায় আগুৰি ধৰে এইবিলাক দেখিলেই।

মোৰ জানিবৰ মন যায়। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোঁহাই বৰুৱা, আনন্দৰাম ঢেকীয়াল ফুকন, বিনন্দ বৰুৱা আদিৰ ঘৰবিলাক এবাৰ হাতত লৈ মুখেৰে চাকি চাবলৈ।

অসমখনৰ সোৱাদ যেন হেৰাই যাবলৈ ধৰিছে; অসমীয়া ভাষাৰ কালিকা হেৰাই যাবলৈ হোৱাৰ দৰে।

আজি এবছৰ মানৰ পৰা কথাটো গুণাগঁঠা কৰি আছো। এজন ল'ৰা আৰু এগৰাকী ছোৱালীক দায়িত্বটো একপ্ৰকাৰ দিছোৱেই। হয়তো কৰিমেই এদিন কামটো- ঘৰবিলাকৰ ছবি সংগ্ৰহ কৰিম, ঘৰবিলাকৰ ইতিহাস লিপিবদ্ধ কৰিম। সিবিলাকে নিজৰ কাহিনী হ'ব। একো একোটা যুগ আমাৰ আগত উদ্ভাসিত হ'ব।

কামটোৰ কথা যিমানেই গভীৰ ভাবে ভাবিবলৈ ধৰিলো সিমানেই তীব্ৰতাৰে সেই মানুহবিলাকৰ কথা মনলৈ আহিবলৈ ধৰিলে।

পুৰণা ঘৰবিলাকে-পুৰণা মানুহবিলাকে-পুৰণা পৰিয়ালবিলাকে নিজৰ কথা নিজে নক'লে কেলেই? কৈছিল যদি কোনেও নুশুনিলে কেলেই!

সেয়ে মোৰ সেই কথা শুনিবলৈ মন গ'ল।

বীনা কুটীৰলৈ চালো। সদায় আনৰ হিত চিন্তা কৰা, সদায় ছাত্ৰ-ছাত্ৰীয়ে নুবুজা কথা উপযাচি গৈ শিকোৱা, শিক্ষক গোস্বামীৰ এজন পুতেক টিউশ্যন কৰা, সহায়িকা পুথি লিখা মানুহ হ'লগৈ; ইজন সম্পত্তিৰ লোভত আইনী মেৰ পেচত ককায়েককো পেলাই নিজেও লুটুৰি পুতুৰি হ'ল আৰু জীয়েক টকা পইচাত মতলীয়া ব্যৱসায়ীৰ লগত উটি ভাঁহি গ'লগৈ।

পকীলৈ চালো। অসমীয়া ভাষা জগতসুৰীয়া হ'ব, উজ্জ্বল-সুউজ্জ্বল কহিনুৰ পিন্ধি জ্যোতিৰূপা হ'ব বুলি কোৱাজনৰ নাতি-পুতিৰে ভৰা ঘৰবিলাকত বৰ্তমানে বাৰু কিমান ভাষা সাহিত্যৰ চৰ্চা হয় ! ইংৰাজী মাধ্যমৰ শিক্ষাকে জ্ঞান তথা মুক্তিৰ একমাত্ৰ উপায় বুলি তেওঁলোকে ধৰি লোৱা নাইতো! ঘৰত কোনোবা উত্তৰসুৰী ওলাইছে নেকি? জ্যোতি ৰচনাবিলাকত কিমান তৰপ ধূলিৰ চামনি বাৰু? জ্যোতিৰ জন্ম-মৃত্যুৰ দুটা দিনত বংশধৰ বুলি গামোচা আৰু বাঃ বাঃ ল'বলৈ যোৱাৰ নেপথ্যত কিবা পিতৃ-পিতামহৰ চৰ্চা পৰিলক্ষিত হয়নে?

তামোল বাৰী চাহ বাগিছাৰ জন্ম গৃহটো এতিয়া উৰঁলি গৈছে। মাৰোৱাৰী ব্যৱসায়ীয়ে নিদিলে তাত ইটা এচপৰা লগাবলৈকো এতিয়া অসমীয়া জাতি অক্ষম।

বিষ্ণু প্ৰসাদৰ ঘৰলৈ চালো। জৰাজীৰ্ণ-উৰঁলি যোৱা ঘৰ। মাটি বাৰীলৈ মন কাণ নিদি দিহিঙে দিপাঙে ঘূৰি ফুৰা মানুহৰ ঘৰৰ আৰু কি বেলেগ অৱস্থা হ'ব!

এটা সময়ত জমিদাৰ আছিল বোলে। ১৫০০ বিঘা মাটি যাকে তাকে বিলাই দিলে। গান লিখিলে, গান গালে, নাটক কৰিলে। অসমৰ মানুহলৈ সেইবিলাককে এৰি থৈ গ'ল। আনক কাম কৰিবলৈ ক'লে কিন্তু নিজে কাম নকৰিলে। নাচ গানকেই সংস্কৃতি বুলি ভবা মানুহ। মাটিৰ কথা কয় কিন্তু মাটিৰ মোল নুবুজিলে। সেই মাটিত বিভিন্ন খেতি কৰি উৎপাদন বঢ়াই-উপাৰ্জন বঢ়াবলৈ মানুহক বাট দেখুৱাব পাৰিব লাগিছিল। মাটি কিমান মূল্যৱান, মাটিয়ে ভাগ্য কিমান সলনি কৰিব পাৰে তাৰ উদাহৰণ দেখুৱাবলৈ মন যাব নালাগিছিল নে? আজিৰ মানুহে যে তেওঁলোকক অনুকৰণ নকৰে তাৰ কাৰণ বোধকৰো বাস্তৱৰ পৰা তেওঁলোক নিলগত থকাটোৱেই ।

তেওঁৰ পৰিয়ালতো একেই ছবি।

সত্ৰবিলাকৰ ঘৰবিলাকলৈ চালো। কব'লৈ একো নাই; লিখিবলৈকো একো নাই। দুজনমান নিশকটীয়া ভকত-টিপ টিপ চাকি-চেগা চোৰোকা নাম কীৰ্তন-জাত পাতৰ বিচাৰ-মানুহক লেই লেই ছেই ছেই কৰা কথা। পুৰণিকলীয়া নিয়ম বোলে- এলান্ধু চাফা কৰা নিষেধ!

ভূপেন হাজৰিকা আছিল যাযাবৰী মানুহ। গতিকে তেওঁৰ ঘৰৰ কথা নাই।

গতিকে আহিলো বৃটিছৰ যুগলৈ-ধনী আঢ্যবন্ত সকলৰ ঘৰলৈ। দীঘল পদুলিৰ ঘৰ দেখিলো। বিভিন্ন ভাঁজত টুপ কটা টিনৰ ঘৰ দেখিলো। কাঠৰ বাতাম-ঈকৰাৰ বেৰৰ ঘৰো চকুত পৰিল। আধা পকাৰ ৱালৰ ৰঙা পকাৰ মজিয়াৰ সুন্দৰ জালিকটা খিৰিকীৰ ঘৰো দেখিলো। আগফাল-পাছফালৰ আহল বহল চোতাল-এটা সময়ৰ মেট মৰা ধানৰ ভঁড়ালো চকুলৈ আহিল। কাঠৰ জপনা-লোহাৰ গেট দেখিলো। টিঙৰ ওপৰত থিয় হৈ থকা আয়নাৰ-কাঠৰ সৰু সৰু দৃষ্টিনন্দন গম্বুজবোৰো চকুত পৰিল। কাঠত ভাস্কৰ্য্য-কাৰুকাৰ্য্য দেখিলো। এসময়ৰ আৰামী চকী-পহৰ শিং-কাঠৰ আলমাৰী-ভাঁজ থকা খুৰাৰ টেবুল-চকী-ড্ৰেছিং টেবুল সকলোবিলাকে এপদ এপদকৈ ঘৰবিলাকৰ শোভা বৰ্দ্ধন কৰি থাকিল।

কিন্তু ঘৰবিলাকে কিবা ক'ব খুজিও বাকৰুদ্ধ হৈ পৰিছে। ঘৰতে ঘৰৰ আদৰ নাই, আনক কি কাহিনী শুনাব! নতুনে ভাঙো ভাঙোকৈ আছে- নতুন Flat TV, নতুন Vitriolic tiles, নতুন আচবাব, নতুন পোহৰ ব্যৱস্থা সেইবিলাকত থাপ নাখায়।

মাটিৰ দাম বাঢ়িছে। দালান সাজিব লাগে। বহুত টকা। ভৱিষ্যৎ আৰ্থিক স্বছলতাৰ কথা আছে। 'সেই অসমীয়া' ভাবৰ আৰু কোনো প্ৰয়োজন নাই। একবিংশ শতিকাত পুৰণা চিন্তা নালাগে। তেওঁলোকে তেঁওলোকৰ ঘৰখনক, ঘৰৰ তথা পৰিয়ালৰ অতীতক অৱজ্ঞা কৰিছে। সিবিলাকৰ কোনো প্ৰয়োজন নাই বুলি ভাবিছে।

সেয়ে তেওঁলোকে পুৰণা মাটি বাৰী বিক্ৰী কৰি খাবলৈ লৈছে। সম্ভ্ৰান্ত-আঢ্যৱন্ত-শিক্ষিত-অৱস্থাপন্ন অৱস্থাটো তেওঁলোকে ধৰি ৰাখিব নোৱাৰিলে। মদ খাই খাই পুৰণা চন্দুক তেওঁলোকে উদং-ফোপোলা কৰি পেলালে। যি মানুহৰ ঘৰলৈ আগতে মানুহে সম্ভ্ৰমৰ চকুৰে চাইছিল সেইঘৰৰ মানুহে এতিয়া মান্যতা নাপায় কাৰণ তেওঁলোক এতিয়া ভিকহু-অসভ্য-অলায়েক।

অসমত প্ৰতি বছৰে মেট্ৰিক-হায়াৰ চেকেণ্ডাৰীত নাম জিলিকাই উত্তীৰ্ণ হোৱা ল'ৰা-ছোৱালীবিলাক পৰৱৰ্তী পৰ্যায়ত দৃশ্যপটৰ পৰা হেৰাই যোৱাৰ দৰে এই এসময়ৰ মান্যবৰসকলৰ ঘৰবোৰ-পৰিয়ালবোৰ-মানুহবোৰ প্ৰায়বোৰেই হেৰাই গ'ল। পুৰণা ঐতিহ্যৰ ধ্বজাবাহক কোনোৱেই হ'ব পৰা নাই।

এই লেখাটোৰ যোগেদি কথাটোৰ সত্যাসত্য নিৰূপণ কৰি চাবলৈ সকলোকে আহ্বান জনালো- নিজৰ ঠাইখনৰ সেই মানুহবিলাক চাওকচোন এবাৰ।

# সূচীপত্ৰ


প্ৰবন্ধ সংকলনঃ
১) নাট আৰু নাটক
২) নীলকণ্ঠী নিৰুপমা
৩) তিৱা জাতিৰ সমাজ আৰু সংস্কৃতি
৪) কালান্তৰৰ দস্তাবেজ
৫) অসমীয়া জাতীয়তাবাদঃ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম
৬) অসমীয়া সংস্কাৰ নীতি আৰু নাম নিজৰা
৭) অসম প্ৰেমীৰ মুখা
৮) ভূমিপুত্ৰৰ মৰ্মবেদনা

উপন্যাসঃ
৯) টোকোৰা বাহৰ সোণৰ বেজী
১০) জুলু
১১) দুচকুত তেজৰ খেলা
১২) আংকুশ
১৩) সোণবালি বাগিচাৰ ভূত

শিশুগ্ৰন্থঃ
১৪) ঈশ্বৰ ভক্ত ধ্ৰুবৰ উপাখ্যান
১৫) মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
১৬) কুকুৰাৰ ডাক
১৭) বিশ্বৰ অদ্বিতীয় বীৰ চিলাৰায়
১৮) চান্দ সাগৰ
১৯) ৰজা হৰিশ্চন্দ্ৰ উপাখ্যান

গল্প সংকলনঃ
২০) বাসুৰ গল্প
২১) বাসন্তী বাসনা
২২) এনেকৈয়ে প্ৰেম

কবিতা সংকলনঃ
২৩) সমদল

গৱেষণা মূলকঃ
২৪) অসমৰ ঐতিহ্য
২৫) প্ৰসংগ কবিতা

আত্মকথা / জীৱনীভিত্তিকঃ
২৬) শাস্ত্ৰীয় সংগীতৰ বোঁৱতী নিজৰা
২৭) পাহৰিব নোৱাৰিলো যি

অনুবাদঃ
২৮) আকাশেই সীমা

সাঁথৰঃ
২৯) সাঁথৰ কোষ
৩০) ডাকৰ বচন

সামাজিক ইতিহাসঃ
৩১) অসমৰ সংক্ষিপ্ত ইতিহাস

বিজ্ঞান বিষয়কঃ
৩২) অসমৰ চৰাই-চিৰিকতি

স্বাস্থ্য সম্বন্ধীয়ঃ
৩৩) দৈনন্দিন জীৱন আৰু স্বাস্থ্য
৩৪) খাদ্য আৰু স্বাস্থ্য

বাতৰি কাকতৰ পৰা -

দৈনিক জনমভূমিঃ
৩৫) বিদেশৰ কথাৰে

দৈনিক অগ্ৰদূতঃ
৩৬) তিৱা জনজাতীয় সাধু
৩৭) Socio Economic & Political issues in Assam
৩৮) পগলা চাহাবৰ হাঁহি
৩৯) অনিন্দ্য সুন্দৰৰ এষণাত
৪০) অসমলৈ বিদেশী প্ৰব্ৰজন - নেহেৰুৰ পৰা মোদীলৈ

দৈনিক অসমঃ

৪১) গেলিলিও গেলিলি
৪২) হেমাংগ বিশ্বাস
৪৩) ফণী শৰ্মা
৪৪) সাংস্কৃতিক নগৰী তেজপুৰ
৪৫) অসম সাহিত্য সভাৰ প্ৰথম সভাপতি পদ্মনাথ গোহাঞি বৰুৱা
৪৬) সংবাদসূৰ্য্য কীৰ্তিনাথ হাজৰিকা
৪৭) নীলা আকাশত দীপাৱলী
৪৮) নাজিতৰা তুমি ইমান ধুনীয়া
৪৯) ডায়েৰীৰ পাতত হেৰাই যোৱা মানুহজন
৫০) অস্তগামী সূৰুযৰ হেঙুলীয়া বৰণ
৫১) ৰজনীকান্ত নাথ - অভিনন্দন গ্ৰন্থ
৫২) আইৰ আঁচল বুকুত থৈ
৫৩) প্ৰশ্ন
৫৪) পথৰ মানচিত্ৰ
৫৫) মৰিয়া বুৰঞ্জী-সমাজ-সংস্কৃতি
৫৬) ডাক্তৰ আৰু বাম ডাক্তৰ
৫৭) দস্তাবেজ
৫৮) আদিপৰ্ব
৫৯) মই ধলৰ প্ৰেমত পৰিছোঁ বিদ্ৰোহী জীয়াধলৰ
৬০) হৃদয়ৰ অশ্ৰুত কল্লোল
৬১) পোৱা সোণৰ চিকমিকনি

অসমীয়া প্ৰতিদিনঃ

৬২) গোৱালপৰীয়া লোকগীত
৬৩) **Hinduism – spirituality and Humanity**

সাদিনঃ

৬৪) কমাৰশালৰ বৃদ্ধজন
৬৫) বিশ্ব সাহিত্যৰ ৰূপ-ৰস
৬৬) শৰীৰতত্ব বা চিকিৎসা বিজ্ঞানত ন’বেল বঁটা বিজেতা

The ASSAM TRIBUNE :

৬৭) Kishore Upanyas Sankalan
৬৮) Green Urban Biodiversity
৬৯) Karmachari
৭০) Sprinkle of Expressions
৭১) Green Urban Biodiversity

**প্ৰবন্ধ সংকলনঃ**



**নাট আৰু নাটক**
**লেখকদ্বয় – ৰুণিমা শৰ্মা বৰুৱা, ৰেৱত মহন্ত**
**প্ৰকাশক – পূৰ্বায়ণ প্ৰকাশন, সাতমাইল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত**
**মূল্য – ১২০ টকা**

'নাট আৰু নাটক' গ্ৰন্থখন মূলত বিশ্ববিদ্যালয়ৰ ছাত্ৰ–ছাত্ৰীৰ উদ্দেশ্যে লিখা এখন প্ৰৱন্ধ সংকলন। এই গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত লেখকদ্বয়ে অসমত নাট্য সাহিত্যৰ প্ৰচলন সম্পৰ্কে আলোচনা কৰিছে। লেখকদ্বয়ৰ মতে পঞ্চদশ শতিকাৰ শেষ বা ষোড়শ শতিকাৰ আদি ভাগত মহাপুৰুষ শংকৰদেৱে প্ৰৱৰ্তন কৰা 'চিহ্নযাত্ৰা' নাটকেই হৈছে প্ৰথম অসমীয়া নাটক। মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে নাটকৰ ধাৰা সম্পৰ্কে এক বিস্তৃত সমালোচনা এই গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত পোৱা যায়।

পিছৰ ছয়টা অধ্যায়ত ছয় গৰাকী নাট ৰচোতা আৰু তেওঁলোকৰ একোখনকৈ নাটকৰ একো একোটা বিশ্লেষণ দেখুওঁৱা হৈছে। নাট কেইখন আৰু ৰচক কেইজন হ'ল ক্ৰমান্বয়ে——

১) ৰুক্মিণী হৰণ নাট – মহাপুৰুষ শংকৰদেৱ
২) অৰ্জুন ভঞ্জন – মহাপুৰুষ মাধৱদেৱ
৩) গাওঁবুঢ়া – পদ্মনাথ গোহাঞি বৰুৱা
৪) মণিৰাম দেৱান – প্ৰবীণ ফুকন
৫) এটা চোলাৰ কাহিনী – আলি হাইদৰ।



**নীলকন্ঠী নিৰুপমা**
**সম্পাদক – নবীন বৰৱা**
**সহযোগী – নিকুমণি হুছেইন**
**প্ৰকাশক – পূৰ্বাঞ্চল প্ৰকাশক**
**মূল্য – ৪০০ টকা**

'নীলকন্ঠী নিৰুপমা' গ্ৰন্থখন মুলতঃ সাম্প্ৰতিক কালৰ অসমীয়া কথা সাহিত্যিক নিৰুপমা বৰগোহাঞিৰ সান্নিধ্যলৈ অহা বিভিন্নজন তথা তেখেতৰ আপোনজনে তেখেতৰ জীৱনৰ বিভিন্ন দিশ সামৰি লিখা প্ৰৱন্ধসমূহৰ সংকলন। এই সংকলনটিত সাহিত্যিকগৰাকীৰ লগত হোৱা সাক্ষাৎকাৰ কেইটিমানো সন্নিবিষ্ট কৰা হৈছে। ইয়াত প্ৰকাশিত কিছুমান প্ৰৱন্ধ ইতিমধ্যে প্ৰকাশ হৈ গৈছে। এই গ্ৰন্থখনৰ প্ৰৱন্ধসমূহৰ পৰা পঢ়ুৱৈয়ে সাহিত্যিকগৰাকীৰ জীৱনৰ প্ৰায় আটাইবোৰ দিশৰ বিষয়ে জ্ঞাত হ'ব পাৰিব।

**তিৱা জাতিৰ সমাজ আৰু সংস্কৃতি**
**লেখক – মিলেশ্বৰ পাটৰ**
**প্ৰকাশক - Tiwa Elite Forum**
**মূল্য – ২৫০ টকা**




‘তিৱা জাতিৰ সমাজ আৰু সংস্কৃতি’ গ্ৰন্থখনত লেখক মিলেশ্বৰ পাটৰ ডাঙৰীয়াই তিৱা অৰ্থাৎ লালুংসকলৰ সমাজ ব্যৱস্থা, বিভিন্ন সামাজিক অনুষ্ঠান আদিৰ বিষয়ে আভাষ দিবলৈ চেষ্টা কৰিছে। তেখেতৰ মতে ভৈয়ামত বাস কৰা তিৱা আৰু পাহাৰত বাস কৰা তিৱাসকলৰ মাজত সামাজিক আৰু সাংস্কৃতিক দিশত ভিন্নতা আছে। পাহাৰত বাস কৰা তিৱাসকলৰ ইতিহাস, গোভা ৰাজ্যৰ আঁতিগুৰি, বিভিন্ন সাংস্কৃতিক অনুষ্ঠান ইত্যাদিৰ বিষয়ে তথ্য সংগ্ৰহ কৰি এই গ্ৰন্থত সন্নিৱিষ্ট কৰিছে। এই প্ৰৱন্ধ সংকলনখন তিৱাজাতি সম্পৰ্কে এখন তথ্যভিত্তিক প্ৰামণ্য গ্ৰন্থ।

**কালান্তৰৰ দস্তাবেজ**
**লেখক – মিলেশ্বৰ পাটৰ**
**প্ৰকাশক – Tiwa Elite Forum**
**মূল্য – ২০০ টকা**




‘কালান্তৰৰ দস্তাবেজ’ গ্ৰন্থখন ৪৮ টা প্ৰৱন্ধৰ সংকলন। ইতিমধ্যে বিভিন্ন বাতৰি কাকতত প্ৰকাশিত প্ৰৱন্ধসমূহ গোটাই এই প্ৰৱন্ধ সংকলনখন প্ৰস্তুত কৰা হৈছে। ইয়াত প্ৰকাশিত প্ৰৱন্ধসমূহে অসমৰ সুদীৰ্ঘ কালৰ সমস্যাসমুহৰ দলিল হিচাপে পঢ়ুৱৈৰ সন্মুখত দেখা দিছে বুলি অগ্ৰদূত কাকতৰ মুখ্য সম্পাদক কনকসেন ডেকা ডাঙৰীয়াই মন্তব্য কৰিছে ।

**অসমীয়া জাতীয়তাবাদঃ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম**
**লেখক - অখিল গগৈ**
**প্ৰকাশক - বনলতা**
**মূল্য - ২২০ টকা**




প্ৰকাশকৰ কথা—— অসমীয়া জাতীয়তাবাদ ভাষাভিত্তিক জাতীয়তাবাদ, অৰ্থনৈতিক জাতীয়তাবাদ, প্ৰব্ৰজনবিৰোধী জাতীয়তাবাদ, জনগোষ্ঠীয় জাতীয়তাবাদ ৰূপে পৰিচিত হৈ অহাৰ লগে লগে ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ পৰা পৃথক আৰু স্বতন্ত্ৰ সত্তা বুলি দাবী কৰা আঞ্চলিক জাতীয়তাবাদৰূপেও চিহ্নিত হৈ আহিছে।

অসমীয়া জাতীয়তাবাদৰ বিভিন্ন দুৰ্বলতা থাকিলেও ই কেতিয়াও সাম্প্ৰদায়িক বা ধৰ্মীয় মৌলবাদলৈ পৰ্যবসিত হোৱা নাছিল। বিদেশী সমস্যাৰ বিৰুদ্ধে যুঁজি অহা অসমীয়া জাতিৰ ৰথী–মহাৰথীসকলৰ কোনেও বিদেশী সমস্যাক ধৰ্মীয় দৃষ্টিৰে চোৱা নাছিল। প্ৰথমবাৰৰ বাবে অসমীয়া জাতীয়তাবাদ ৰাষ্ট্ৰীয় হিন্দুত্ববাদৰ প্ৰত্যাহ্বানৰ মুখামুখি হৈছে।

“অসমীয়া জাতীয়তাবাদঃ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম” অসমীয়া জাতীয়তাবাদৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে বস্তুনিষ্ঠভাৱে আলোচনা কৰা এখন গ্ৰন্থ। এই গ্ৰন্থত অসমীয়া জাতীয়তাবাদৰ ঐতিহ্য আৰু ইতিহাস

পাঠক সমাজৰ সন্মুখত তুলি ধৰা হৈছে। লগতে ইয়াত অসমীয়া জাতীয়তাবাদৰ মূল্যবান দলিলসমূহো পৰিশিষ্টত সন্নিৱিষ্ট কৰা হৈছে।

লেখকৰ কথা—— অসমীয়া জাতি হয়নে? আমি ব্যৱহাৰিক অৰ্থত নিৰ্দ্বিধাই কওঁ যে অসমীয়া এটা জাতি ( Nation )। তেনেকৈ—— তামিল, তেলেগু, মাৰাঠী, বাঙালী আদিয়েও নিজকে জাতি বুলি কয়। কিন্তু শৈক্ষিক আলোচনাত অসমীয়া, বাঙালী, তামিল, তেলেগু, মাৰাঠী আদিক বুজাবলৈ জাতিসত্তাৰ ( Nationality ) শব্দটোহে ব্যৱহাৰ কৰা হয়। দিল্লীত এজন ছাত্ৰ বা গৱেষক বা শিক্ষকৰ আগত অসমীয়া এটা জাতি বুলি ক'লে অচহুৱা অনুভৱ কৰে, মানি ল'ব নোখোজে বা উভতি ধৰি আপোনাক প্ৰশ্ন কৰিব খোজে। অসমীয়া জাতি নহয়, এটা জাতিসত্তা বুলি আঙুলিয়াই দি ভাৰতীয়কহে জাতি বুলি স্বীকৃতি দিয়ে। আনহাতে অসমীয়া জাতিৰ ভিতৰত বড়ো আদি জাতিসত্তাসমূহে নিজকে জাতি হিচাপে পৰিচয় দিব খোজে। কেৱল বড়োসকলেই নহয়, কাৰ্বি, ৰাভা, ডিমাচা, মিচিং আদিয়েও নিজকে একো একোটা জাতি বুলি পৰিচয় দিয়ে। এসময়ত অসমৰ এই বিভিন্ন জাতিসত্তাসমূহক জাত বা জাত বৰ্ণ ( Caste ) বা নৃগোষ্ঠী ( Ethnicity ) হিচাপে অভিহিত কৰা হৈছিল, কিন্তু এতিয়া তেওঁলোকে 'জাতি' হিচাপেই পৰিচয় দিয়ে।

আমি এইগ্ৰন্থত এইবোৰ বিতৰ্ক আৰু আলোচনা কৰা নাই। বৰং সময়ৰ লগে লগে জাতীয় প্ৰশ্নসমূহৰ বিৱৰ্তন আৰু এই বিৱৰ্তনি ধাৰাসমূহহে ইয়াত আলোচনা কৰিছোঁ। আমি ইয়াত অসমীয়াক জাতি হিচাপে উল্লেখ কৰি অসমীয়া জাতীয়তাবাদৰ বিভিন্ন দিশবোৰ আলোচনা কৰিছোঁ। ভাৰতীয় জাতীয়তাবাদক ইয়াত ৰাষ্ট্ৰীয়তাবাদৰূপে আমি চিহ্নিত কৰিছো। বড়ো, কাৰ্বি, ডিমাচা, ৰাভা, তিৱা, মিচিং আদি জাতীয়সত্তাক আমি জনগোষ্ঠীয় জাতীয়তাবাদ ৰূপে চিনাক্তকৰণ কৰিছো। প্ৰকৃততে আমাৰ আলোচনাৰ উদ্দেশ্যই হ'ল এই সামাজিক-ৰাজনৈতিক দ্বন্দ্ব-সংঘাত উন্মোচন কৰা আৰু এই প্ৰক্ৰিয়াত দেখা দিয়া ইতিবাচক-নেতিবাচক দিশবোৰ ফঁহিয়াই চোৱা।

জাতীয়তাবাদ কাক কয়, আমি এই সম্পৰ্কে ইয়াত আলোচনা কৰা নাই। পোনে পোনে আমি অসমীয়া জাতীয়তাবাদৰ উদ্ভৱ আৰু বিকাশ কেনেকৈ হৈছে তালৈহে যাব খুজিছোঁ।

কিতাপখনত আছে- এনেবোৰ প্ৰবন্ধ।

পাঠকে বিচাৰ কৰিব অখিল গগৈৰ কথাবোৰ। আমাৰ দৃষ্টিত গগৈৰ অৱস্থান বাস্তৱতাৰ পৰা বহু নিলগত। বিৱৰ্তিত আধুনিক পৃথিৱী সম্পৰ্কে তেওঁৰ জ্ঞান সন্দেহৰ আৱৰ্ত্তত। অসমৰ সমস্যাবিলাকৰ প্ৰতি তেওঁৰ পদক্ষেপবিলাক ঋণাত্মক বুলি বিবেচিত হৈছে। তেওঁৰ নিৰপেক্ষতাও সন্দেহজনক। তেওঁৰ কৃষক মুক্তি সংগ্ৰাম সমিতি-তেওঁৰ অবিহনে শূণ্য। কোনো দ্বিতীয় এজন মানুহ নাই। তেওঁৰ লগতে বহা-সময় পাত কৰা এসময়ৰ সতীৰ্থ কমল মেধি এতিয়া বিশ্বাসঘাটক কংগ্ৰেছ দলত। অখিল গগৈ অসমীয়া আৰু অসমৰ নিৰাপদ আশ্ৰয় নহয় বুলি ইতিমধ্যে অনুভূত হৈছে।




**অসমীয়া সংস্কাৰ নীতি আৰু নাম নিজৰা**
**লেখিকা- মীৰা দেৱী শৰ্মা**
**প্ৰকাশক- জ্যোতি প্ৰকাশন**
**মূল্য- ১২০ টকা**

অসমৰ তোলনি বিয়াৰ নিচিনা কিবা অনুষ্ঠান বা সংস্কাৰ বা পৰ্ব্ব অসমৰ বাহিৰৰ পৃথিৱীৰ অন্য দেশত আছেনে নাই চাই চিতি লেখিবৰ বাবে ইমৰাণ শ্বাহে তেওঁৰ সহকৰ্মী ড০ হীৰা ডেকা বৰাক পৰামৰ্শ

দিছিল। তাৰ ফলত বহুত তথ্য উদ্ঘাটন হৈছিল। কিন্তু সেই অধ্যয়ন কিতাপত পৰিণত হ'ল নে নহ'ল জনা নাযায়। মীৰা দেৱী শৰ্মাই সেই ধৰণৰ বিষয়বস্তু সম্বলিত এই কিতাপ আগবঢ়াইছে।

বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন লোকাচাৰত সিঁচৰতি হৈ থকা পৃথক পৃথক নিয়ম নীতি পৰিশীলিত হাতৰ স্পৰ্শত প্ৰাণ পাই উঠিছে।

সংস্কাৰ মানে শুচি কাৰ্য্য বুজায়। দেহ শুচি কৰা ১০ টা কাম হ'ল- গৰ্ভধাৰণ, পুংসৱন, সীমন্তোন্নয়ন, জাত-কৰ্ম, নামকৰণ, নিষ্ক্ৰয়ণ, অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ন আৰু বিবাহ। এইবিলাক কাম বিভিন্ন সমাজত বিভিন্ন ধৰণে হয়। সামগ্ৰীকভাবে এটা জাতিৰ আচাৰ ব্যৱহাৰ, পূজা পাৰ্বণ, ৰীতি-নীতি, বিশ্বাস, ধৰ্মানুৰাগ, সাধুকথা, প্ৰবাদ-প্ৰবচন, লোকগীত, লোকগাঁথা, লোকবিশ্বাস, লোক নৃত্য, লোক বাদ্য, লোক উৎসৱ- এই আটাইবোৰেই লোক সংস্কৃতিৰ অংগ। ব্ৰাহ্মণৰ সমাজৰ বহু নীতি নিয়মো সলনি হৈছে। এই কিতাপত চকলং আৰু শংকৰ সংঘৰ নতুন নিয়ম-নীতি আদি সন্নিবিষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে।

**অসম প্ৰেমীৰ মুখা**
**লেখক- কনক সেন ডেকা**
**প্ৰকাশক- জ্যোতি প্ৰকাশন**
**মূল্য- ১৮০ টকা**




অসমখনক লৈ সচেতন কাৰো চিন্তাৰ অন্ত নাই। অসমখন এখন অভিশপ্ত ৰাজ্য হৈ পৰিছে। এফালে সকলো সময়ৰ সকলো শাসকৰ নিৰ্লজ্জ প্ৰতাৰণা আৰু আনহাতে এসোপা অকৰ্মণ্য মানুহৰ সাৰ-সিকটি নোহোৱা স্বভাৱ। বাহিৰৰ আক্ৰমণকাৰীৰ কথা আছেই। অসমখন অসম হ'বলৈ পোৱাৰ আগেয়েই এতিয়া অন্য অসমীয়াৰ হৈ পৰিল। অসম ৰক্ষাৰ নামত জন্ম হোৱা অজস্ৰ দল-সংগঠনৰ মূৰ্খামি আৰু বাতুলামিৰ বাবে পৰিস্থিতি অধিক বেয়া হৈ পৰিল। অসমখন এজনী বেশ্যা মাথোন। যাৰে যি মন গৈছে কৰিছে, লুটিহে গৈছে। সকলো দিশৰে পৰা টনা টনি। মূৰ্খ অসমীয়াই একো কৰিব নোৱাৰিলে। ধনবান-শিক্ষাবান-সমৰ্থবান সকলোৱে পলাই পত্ৰং দিলে।

তথাপিও বহুতে চেষ্টা কৰি আছে শেষ ৰক্ষা কৰিবলৈ। কনকসেন ডেকাও এজন। ৩১ টা লেখা অভিজ্ঞতা পুষ্ট মনৰ চিনাকি— 'অসম-ভাৰতৰ সংঘাত ক'ত?', 'মৰিবও পাৰো- মাৰিবও পাৰো', 'মানৰ হত্যা-লুণ্ঠনতকৈও ভয়াবহ', 'আকৌ যাতে প্ৰতাৰিত নহয়!', 'এই বিভীষিকাৰ অন্ত ক'ত?', 'আমাৰ সাংস্কৃতিক সম্পদো সম্ৰাজ্যবাদীৰ কবলত', 'দুৰ্নীতিৰ সৰ্বগ্ৰাসী ৰূপ', 'সাংবিধানিক সুৰক্ষাৰ অৰ্থ 'বহি খোৱা' নহয়', 'আজিও আমি ওঠৰ শতিকাতে থাকিমনে?', 'অসমৰ পানী সম্পদ হ'ব কেতিয়া?', 'উত্তৰ-পূৰ্বাঞ্চল কাৰো বোজা নহয়', 'গুৰুজনাৰ জনকল্যাণমূলক আঁচনি', 'উত্তৰ পুৰুষৰ আদৰ্শ নায়ক', 'খঁকৰ অগনিত সমাজ দহিছে', 'সিদ্ধান্ত লোৱাৰ দায়িত্ব আজি বাঙালীসকলৰেই', 'শিল্পী সমাজৰ উৰ্দ্ধত নহয়', 'বব ডিলান-ডঃ ভূপেন হাজৰিকা আৰু ন'বেল বঁটা', 'পাছলৈ নহয়? আগলৈ চাওঁক', 'ভাৰতীয়ৰ ভৱিষ্যতঃ স্মাৰ্ট চিটি নে গ্ৰাম্য স্বৰাজ?', 'গণতন্ত্ৰৰ অন্য এক নাম দায়বদ্ধতা', 'ৰোমাঁ ৰোলাঁৰ দৃষ্টিত ৰাজা ৰামমোহন ৰায়', 'অসমৰ মাটিয়ে মোক নাপাহৰেতো', 'সম্বলপুৰৰ ভগ্নাৱশেষৰ দাপোণত', 'আকৌ চীনৰ ৰঙা চকু!', 'আপুনি কিমান বছৰ জীয়াই থাকিব বিচাৰে?', 'পুথিভঁৰালঃ টলষ্টয়ৰ পৰা কৰ্মবীৰলৈ', 'ঘৃণা-বিদ্বেষ সৃষ্টিয়েই যেতিয়া মূল মন্ত্ৰ!', 'ভাৰতপ্ৰেমী অনন্যা নগা নাৰী', 'প্ৰসংগঃ চিকিৎসা বিভ্ৰাট, চিকিৎসা সেৱা', 'সেৱাৰে আৰম্ভ হওক নিজৰ ঘৰখনৰ পৰা' আৰু 'অসম প্ৰেমীৰ মুখা'।

**ভূমিপুত্ৰৰ মৰ্মবেদনা**
**লেখক- গৌৰীশংকৰ ভট্টাচাৰ্য্য**
**প্ৰকাশক- জ্যোতি প্ৰকাশন**
**মূল্য- ১৫০ টকা**




লেখকে ইংৰাজী ১৯৮০-৮১ চনত "সাপ্তাহিক জনতা" কাকতত "ভূমিপুত্ৰৰ মৰ্মবেদনা" নাম-শিতানত "গিৰিজাচৰণ দাস" গুপ্তনামত এলানি প্ৰবন্ধ প্ৰকাশ কৰিছিলে। সেই সময়ৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰবন্ধলানিৰ প্ৰকাশভঙ্গী নিৰ্ণীত হৈছিল। আজি লিখা হ'লে তাৰ ৰূপ, প্ৰকাশভঙ্গী হয়তো অলপ বেলেগ হ'লহেঁতেন। প্ৰবন্ধলানি উদ্দেশ্যধৰ্মী আৰু কাকতত ধাৰাবাহিকভাৱে প্ৰকাশ কৰিবলৈ সময়ে সময়ে লিখি থাকিবলগীয়া হোৱা বাবে কোনো কোনো ঠাইত ইচ্ছাকৃতভাৱে আৰু কোনো কোনো ঠাইত অনিচ্ছা সত্বেও কিছু চৰ্বিত-চৰ্বণ হৈছে। প্ৰকাশিত পৰিসংখ্যাসমূহ আৰু মূল প্ৰতিপাদ্য বিষয় অপৰিৱৰ্তিত হৈ থকাৰ কাৰণে সামান্য পৰিৱৰ্তন আৰু পৰিবৰ্ধনেৰে সৈতে এতিয়া প্ৰবন্ধলানি ব্যক্তিনামত কিতাপৰ আকাৰত প্ৰকাশ কৰা হৈছে। প্ৰৱন্ধসমূহ ইংৰাজী ভাষালৈ অনুবাদ কৰি অলপ চমুৱাই হ'লেও ইৰাজী ভাষাত কিতাপ আকাৰত প্ৰকাশ কৰিবলৈ কোনো কোনোৱে পৰামৰ্শ দিছিল। সদ্যহতে অসমৰ জনগণে যাতে ঐতিহাসিক পটভূমিত তেওঁলোকৰ অস্তিত্ব আৰু তাৰ বিশ্লেষণ থূপতে পাব পাৰে, সেই উদ্দেশ্য লৈয়েই এই কিতাপখন প্ৰকাশ কৰা হৈছে।

গ্ৰন্থখন ৰচনাৰ ৩০ বছৰৰ পিছতো অসমৰ খিলঞ্জীয়াৰ সমস্যামূহ সমস্যা হৈয়েই আছে। আৰু অদূৰ ভৱিষ্যতে তাৰ কোনো সমাধানৰ ইংগিতো নাই।

মুঠ ১৫ টা প্ৰৱন্ধ অজিও প্ৰাসংগিক। 'ভূমিপুত্ৰ বা থলুৱা কোন', 'নাগৰিকত্বৰ প্ৰশ্ন', 'বাহিৰাগতৰ সমস্যা', 'চাহখেতিৰ সম্প্ৰসাৰণ', 'পথৰুঘাটৰ ৰণ', 'ফুলগুৰিৰ ধেৱা', 'অসমলৈ প্ৰব্ৰজনৰ সোঁত', 'অসমীয়াসকল বঙালী বিৰোধী নহয়', 'অসহযোগ আন্দোলন আৰু অসম', 'অতীত যুগৰ আৰু ইংৰাজী আমোলৰ প্ৰব্ৰজনৰ পাৰ্থক্য', 'আসাম এছোচিয়েচন আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ', 'কানিৰ প্ৰচলন আৰু ইংৰাজৰ অৱদান', 'মুলান চাহাবৰ ৰিপোৰ্ট', '১৯৩৫ চনৰ পাছত', 'ভাৰত চৰকাৰে নিজে কোৱা কথা' লৈকে।

কিতাপখনত সমস্যাবিলাকৰ ঐতিহাসিক পটভূমি আছে; কিন্তু সমাধানৰ কোনো ইংগিত নাই। অসমৰ আৰ্থ সামজিক পৰিসংখ্যা বিলাক ভয়ানক ভাবে ভীতি সৃষ্টিকাৰী। দেখাত খিলঞ্জীয়াৰ অস্তিত্বৰ কোনো আশা নাই যেন লাগে। নাম বিলাক সুন্দৰ অসমীয়া নাম কিন্তু তাত অসমীয়া মনুহ নায়েই- লাহৰীঘাট, যমুনামুখ যিকিৰগাওঁ, জুৰীয়া আদি। লাখে লাখে বিঘা মাটি পমুৱাৰ হাতলৈ গ'ল। মাত্ৰ ৫০ বছৰত এটা জাতি আনৰ অনুগ্ৰহ প্ৰাৰ্থী হৈ পৰিল।

জানিব লগীয়া। কিন্তু এতিয়া পৰিত্ৰাণৰ সম্ভাৱনা বেলেগ ধৰণে বিচাৰিব লাগিব। আগৰ কংগ্ৰেছ-কমিউনিষ্ট-সমাজবাদী সকলে অসমখন চাৰখাৰ কৰি থৈ গ'ল।

## উপন্যাসঃ

**টোকোৰা বাহৰ সোণৰ বেজী**
**লেখিকা - অৰূপা পতঙ্গীয়া কলিতা**
**প্ৰকাশক - লয়াৰ্ছ বুক ষ্টল, হেম বৰুৱা ৰ'ড পাণবজাৰ গুৱাহাটী**
**মূল্য - ২৭০ টকা**



'টোকোৰা বাহৰ সোণৰ বেজী' এখন সম্পূৰ্ণ উপন্যাস। এই উপন্যাসখন সৰু সৰু পঞ্চাশটা সাধুকথাৰ

নিচিনা কাহিনীৰ মাজেৰে সম্পূৰ্ণ হৈছে। উপন্যাসৰ কাহিনীকাল হৈছে সাম্রাজ্যবাদী বৃটিছৰ শোষণৰ দিনৰ পৰা সন্ত্রাসবাদীৰ নৈৰাজ্যৰ কাললৈকে। লেখিকাৰ মতে উপন্যাসখন সম্পূৰ্ণ কাল্পনিক। অসমৰ এটা কাল্পনিক অঞ্চলৰ আদিবাসী মানুহৰ জীৱন-ধাৰণৰ প্ৰণালী এই গ্ৰন্থখনত বৰ্ণনা কৰা হৈছে। চাহ জনগোষ্ঠীৰ মাজত বিৰাজ কৰা মনবিলাক অসমৰ মূল সূঁতিৰ মানুহে দেখাই নাই। এক নিদাৰুণ ষড়যন্ত্ৰৰ বলি হৈ অসমলৈ আহি চাহ বাগিছাৰ মাজতে নিষ্পেষণ, প্ৰতাৰণা আৰু অমানৱীয়তাৰ বলি হোৱা এই মানুহচামৰ কথা হৃদয়বিদাৰক। ওদালগুৰি-ঢেকীয়াজুলি অঞ্চলৰ চাহ বাগিছাৰ জনজীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিত্তিত লিখা এই উপন্যাস।




**জুলু**
**লেখক- ৰঞ্জু হাজৰিকা**
**প্ৰকাশক- ৰেখা প্ৰকাশন, পাণবজাৰ, গুৱাহাটী**
**মূল্য- ১২০ টকা**

'জুলু' আফ্ৰিকাৰ এটা অতি হিংস্ৰ জনগোষ্ঠীৰ নাম। জুলু-হুটু ৰ মাজৰ যুদ্ধ-নৰসংহাৰ আধুনিক বিশ্বৰ কলংক। কিন্তু এই কিতাপ সেই জুলুৰ বিষয়ে নহয়। এই জুলু হ'ল এটা শান্ত বনৰীয়া ম'হ। উত্তৰ অসমৰ ভূটান অৰুণাচলৰ অন্তৰ্গত কিছু ঠাই আগুৰি থকা এক অৰণ্যৰ কথা। অৰূপ দত্তৰ The kaziranga Trails যেনেদৰে অৰণ্যৰ প্ৰতি এক মোহৰ সৃষ্টি কৰে, এই কিতাপেও তেনে এক অনুবন্ধৰ সৃষ্টি কৰে। লেখকৰ জীৱন জিজ্ঞাসা তথা অৰণ্যৰ প্ৰতি ধ্যান ধাৰণা এই কিতাপত পাতনিৰে পৰা ফুটি উঠিছে।

ৰবি ঠাকুৰে আফ্ৰিকাৰ বিষয়ে লিখিছিল— উদভ্ৰান্ত সেই আদিম যুগত যেতিয়া সৃষ্টিকৰ্তাই নিজৰ সৃষ্টিতে অসন্তুষ্ট হৈ বাৰে বাৰে সৃষ্টি ধ্বংস কৰিছিল, তেতিয়া আফ্ৰিকাক আঁতৰাই লৈ গৈছিল কৃপণ পোহৰৰ অন্তঃপুৰলৈ।

ৱৰ্ডচৱৰ্থে লিখিছে—

Full many a glorious morning have I seen
Flatter the mountain- tops with Soverign eye,
Kissing with golden face the meadows green,
Gilding pale streams with heavenly alchymy;

ডেৰাদুনৰ নিৰ্জন কাৰাগাৰত নিৰ্বাসিত জৱাহৰলালে লেখিছে—

It was a gay and cheering sight. And then very rapidly the leaves would come out in their millions and glisten in the sunlight and play about in the breeze, How wonderful is the sudden changed from land to leaf!

আজিৰ ৰিক্- সমৃদ্ধ, হতাশ-উজ্জীৱিত, গতিশীল-শূন্য মুহূৰ্তত সেউজৰ সীমাহীন সমাৰোহ যেন আধ্যাত্মিক আত্মস্তুতি, সায়াহ্ন সমীৰণৰ নিঃশ্বাস। জীৱনৰ সূচীভেদ্য অন্ধকাৰত সেয়া হ'ল স্নিগ্ধ সৌদামিনীৰ প্ৰতীক। বনাঞ্চল আমাৰ হৃদয়ৰ বান্ধৱ, অন্তৰৰ অভিলাষ, আত্মাৰ আত্মীয়। জাৰ্মান দাৰ্শনিক শ্বেলিঙৰ ভাষাত- Interpenetrative affinity between man and nature.

যি অৰণ্যই আমাৰ প্ৰাণৰ মাজত আলোড়ন তোলে, তাৰ বাসিন্দাবোৰক লৈ কৌতুহল হোৱাটো স্বাভাৱিক। সভ্যতাৰ ঊষা লগ্নত মানুহ আছিল বন্য পশুৰ সহোদৰ। কিন্তু আজি এই অৰণ্যৰ পাতে পাতে ষড়যন্ত্ৰ চলে। কেৱল জীৱহত্যাৰ ষড়যন্ত্ৰ। নিশাৰ অৰণ্যত অন্ধকাৰৰ আঁৰে আঁৰে শুনিব ৰাইফল, বন্দুকৰ মুখৰ পৰা ছিটিকি যোৱা বুলেটৰ শব্দ— তাৰ লগতে অজলা পশুৰ ব্যাথাৰ্ত আৰ্তনাদ। মানুহৰ হঠকাৰিতাৰ

বাবেই অৰণ্য আজি ধ্বংসৰ মুখত। অনেক পশু-পক্ষী বিলুপ্তপ্ৰায়। মানুহে অৰণ্যক ধ্বংস কৰাৰ মূলতে নিজকে ধ্বংস কৰা, আত্মহনন। কেতিয়া মানুহৰ চেতনা আহিব? কেতিয়া জ্ঞান চকু মুকলি হ'ব? হয়তো সেইদিন সুদূৰ পৰাহত!

'জুলু'ৰ কাহিনী— পশু হত্যাৰ নিষ্ঠুৰ ইতিবৃত্ত— উন্নাসিক চিকাৰীৰ পৌৰুষদীপ্ত আত্মগৰিমাৰ জঘন্য বহিঃপ্ৰকাশ। ... এয়া সেই অৰণ্যৰ কাহিনী য'ত অসহায় জন্তুৰ আত্মাই বিনায়।

ৰহস্য ঔপন্যাসিক হাজৰিকাৰ কলমে পাঠকক তীব্ৰ গতিবেগত লৈ যায় অৰণ্যৰ মৰ্ম ভেদি।




**দুচকুত তেজৰ খেলা**
**লেখিকা- ৰঞ্জু হাজৰিকা**
**প্ৰকাশক- ৰেখা প্ৰকাশন, গুৱাহাটী**
**মূল্য- ৮০ টকা**

ময়ূৰিকা আৰু সৰিৎ। কাহিনীৰ আৰম্ভত। কাহিনীৰ শেষত। কিন্তু ময়ূৰিকাৰ যে মৃত্যু হ'ল! তেন্তে ? ক'ৰ পৰা আহিল ময়ূৰিকা? মাজত ঘটি গ'ল ৰহস্য-আতংক-ভৌতিক কাণ্ড-হত্যা-বিস্ফোৰণ। অদৃশ্য কথা দৃশ্য হ'ল। যৌৱনৰ উত্তাপ চিটিকি পৰিল চৌদিশে। আশ্ৰম-সাধুৰ মায়া আহিল। উৎসুকতাৰ সৃষ্টি কৰিব পৰাত লেখক সিদ্ধহস্ত। চৰিত্ৰৰ নাম উপাধি অসমৰ। কিন্তু পৰিবেশ-পৰিস্থিতি সাৰ্বজনীন।

**আংকুশ**
**লেখিকা - জুৰি বৰা বৰগোঁহাঞি**
**প্ৰকাশক - বনলতা প্ৰকাশন**
**মূল্য - ৩০০ টকা**




কোনো ঐতিহাসিক ঘটনাৰ আলম লৈ লিখা কাহিনী নহয়। ৰঘু নামৰ এটা সাধাৰণ কাল্পনিক চৰিত্ৰক লৈ এই উপন্যাস।

আমাৰ লেখকসকল কিয় অধ্যয়নশীল নহয় বুজা নাযায়। চাহ বনুৱাসকল অসমলৈ অনাৰ সকৰুণ কাহিনী অসমৰ আলেখ্যাগাৰৰ কোণে কোণে আছে। ১৮৩৬ চনৰ পৰা ১৯৩০ চনলৈকে এই ১০০ বছৰৰ ইতিহাসৰ তথ্য আছে। মাংৰী ওৰাং, দূৰ্গা ভূমিজ আদিৰ তেজে ধোৱা কাহিনী আছে। কাক কিমান চাবুকেৰে কোনে কোবাইছিল? কুলী আনিবলৈ কাক কিমান পইচা দিয়া হৈছিল।পলাই যোৱা কুলী ধৰিবলৈ কি কৰা হৈছিল। নিমখীয়া চাহৰ কাহিনী অনেক অকথিতই থাকিল।

আমাৰ লেখকসকলৰ এই অনীহা কিয় ?

লেখিকাই চাবুৱাত কলেজত পঢ়ুৱায়। নাদুক, চাবুৱা অজস্ৰ চাহ বাগিচা আছে উশাহৰ বাটটোতে। কিন্তু বাগিচাৰ কেঁচা চাহপাত বা ঘামৰ গোন্ধ নাই। অসমীয়া মানুহে বাগানৰ ওপৰত লিখা উপন্যাসত 'বাগানীয়া' মানুহৰ অনুপস্থিতি মন কৰিবলগীয়া। কাৰণ আদিবাসী মানুহৰ মনৰ গতিবিধি-উষ্মা-Rusticity চকুত নপৰিল। এনেকুৱাও হ'ব পাৰে যে আজিৰ বাগানীয়া বা প্ৰাক্তন বাগানীয়া সমাজ ওচৰৰ মুকলি

অসমীয়া সমাজৰ প্ৰভাৱত পৰি একেবাৰে চিনিব নোৱাৰাকৈ সলনি হৈ গৈছে।




**সোণবালি বাগিচাৰ ভূত**
**লেখক - যুগল লোচন দাস**
**প্ৰকাশক - ৰেখা প্ৰকাশন**
**মূল্য - ৫০ টকা**

২০১৮ চনৰ সাহিত্য একাডেমিৰ শিশু সাহিত্য বঁটা বিজয়ী গ্ৰন্থ। শংকৰ আৰু কিংকৰৰ বুদ্ধি, সাহস, অনুসন্ধিৎসা, ৰোমাঞ্চ আৰু ৰহস্য উদঘাটন। শিশু আৰু চেমনীয়া মনৰ বাবে উত্তেজনাৰ খোৰাক।

কিতাপখনত ৩ টা কাহিনী আছে- লাড় গোপালৰ ৰহস্য, কেবিন নং ২৫ আৰু সোণবালি বাগিচাৰ ভূত।

বংশী গোপালৰ সোণৰ মূৰ্তিটো হেৰাল। তাৰ উদ্ধাৰ অভিযান।
অৰণ্যত মানুহৰ তেজ। কিন্তু আহিল ক'ৰ পৰা?
ভূত নহয়; মানৱ দেহৰ অংগৰ ব্যৱসায় কৰা মানুহ।
১৪/১৫ বছৰীয়া দুই চেমনীয়া ডিটেকটিভৰ অনুসন্ধানৰ কথা।

**শিশুগ্ৰন্থঃ**




**ঈশ্বৰ ভক্ত ধ্ৰুৱৰ উপাখ্যান**
**লেখক – সুৰেশ শৰ্মা**
**প্ৰকাশক – জ্যোতি প্ৰকাশন**
**মূল্য – ২৫ টকা**

শিশু পুথি। লেখকৰ ভাষা চহকী। সেয়ে বৰ্ণনা বিলাক শিশুৰ মনঃপুত হ'ব। এক সৎ-নিকা নৈতিক মূল্যবোধৰ মন সৃষ্টি কৰাত এই কাহিনীটোৰ গুৰুত্ব অপৰিসীম।




**মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ**
**লেখক – পংকজ জ্যোতি মহন্ত, মঞ্জিল পি শইকীয়া**
**প্ৰকাশক – পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং, পাণবজাৰ গুৱাহাটী-১**
**মূল্য – ৫০ টকা**

গণিত বিজ্ঞান আৰু প্ৰযুক্তিজগতৰ ২০ জন মনীষীৰ জীৱনৰ ওপৰত আলোকপাত কৰা হৈছে।

গণিত চ'ৰা (gonitsora.com)- গণিতক সহজ কৰা, গণিতৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰা কামৰ বাবে সৃষ্টি হোৱা এটা অনুষ্ঠান। এই কিতাপ তাৰে সৃষ্টি।

এবেল বঁটা আৰু ফিল্ডছ মেডেল– ২০০৩ চনৰ পৰা প্ৰতিস্থা কৰা দুটা বঁটাৰ নাম– গণিতৰ বাবে। এবেল বঁটাৰ অৰ্থ মূল্য ৫ কোটী টকা। ১৯৩৬ চনৰ পৰা প্ৰদান কৰা এই বঁটা ২০১০ চনলৈকে মুঠ ৫২ জনে পাইছে। কিন্তু তাৰ ভিতৰত কোনো মহিলা নাছিল। ২০১৪ চনত মাৰিয়াম মিৰ্জাখানী নামৰ এগৰাকী মহিলাই প্ৰথমবাৰৰ বাবে এই বঁটা লাভ কৰিলে। লেখক হোৱাৰ সপোন দেখা মাৰিয়াম কেনেকৈ গণিতৰ প্ৰতি ঢাল খালে তাৰ সুন্দৰ বৰ্ণনা আছে।

ঠিক তেনেকৈ মানৱৰ আদিম প্ৰজাতিৰ আটাইতকৈ পুৰণি কংকালটোৰ (৩২ লাখ বছৰৰ পুৰণি লুচিৰ) আবিষ্কাৰক ডনাল্ড জোহানছনৰ কথা আছে। ধুবীৰ কাম কৰা মাকৰ পৰা পোৱা উৎসাহে কেনেকৈ তেওঁক নৃতত্ব অধ্যয়ন কৰিবলৈ অনুপ্ৰাণিত কৰিলে, সেই কথা আছে। তেনেকৈ ৭/৮ বছৰৰ পৰা দেউতাকৰ কিতাপ লিৰিকি বিদাৰি থাকি ভাল পোৱা ৱাৰেণ বাফেটৰ কেনেকৈ বিনিয়োগ বিদ্যাৰ প্ৰতি ধউতি হ'ল তাৰ মনোগ্ৰাহী বৰ্ণনা আছে।

নীৰৱ বসন্তৰ কথা কোৱা ৰাছেল কাৰ্ছন, চাৰ্লচ বেবেজ, টিম বাৰ্ণাৰ্ছ লী, এমি নইথাৰ, উলিয়াম চকলি, জোহান কেপলাৰ, প্ৰশান্ত মহলানবীচ, জে বি হেনদেন, আডা বাইৰণ, আইনষ্টাইন আদিৰ দৰে ব্যক্তিৰ বিষয়ে সুন্দৰ আলোচনা কৰা হৈছে। প্ৰতিজনৰ বিষয়ে বেলেগ বেলেগে লিখিছে। বহুকেইজন ব্যক্তিৰ বিষয়ে আমি সাধাৰণতে নাজানো। তেওঁলোকৰ বিষয়ে বেছি চৰ্চা নহয়। এই কিতাপে আমাৰ সেই দুৰ্বলতা আঁতৰাইছে।

চেমনিয়াৰ বাবে খুবেই অনুসন্ধিৎসাৰ বাট মোকলোৱা কিতাপ।




**কুকুৰাৰ ডাক**
**লেখক– অৰুণ পাটোৱাৰী**
**প্ৰকাশক– পাঞ্চজন্য প্ৰকাশন**
**মূল্য– ৫০ টকা**

আফ্ৰিকাৰ মানুহৰ বিশ্বাসমতে প্ৰতিটো সাধুকথা হ'ল একো একোটা নিগনি পোৱালি। মাক নিগনিয়ে প্ৰতিটো পোৱালিকে বগা, ক'লা, ৰঙা, নীলা, সেউজীয়া, হালধীয়া, বেঙুনীয়া পোছাক পিন্ধাই ঘৰৰ ভিতৰত আবদ্ধ কৰি ৰাখিছিল। এদিন এটা গাহৰিয়ে দৌৰি আহি দুৱাৰখনত খুন্দা মাৰিলে। দুৱাৰখন ভাঙি থাকিল আৰু নিগনি পোৱালিবোৰ যেনি তেনি দৌৰি পলাল। লেখিকাই এতিয়া সেইবোৰ এটা এটাকৈ ধৰি শিশুহঁতক দেখুৱাই আছে।

৫২ টা এনে সাধু। লেখাবিলাকত কল্পনাতকৈ যেন বাস্তৱৰহে প্ৰলেপন বেছি। প্ৰতিটো সাধু গল্প হঁও হঁও হৈছে। বুদ্ধিমত্তা আৰু প্ৰখৰ টেঙৰামিৰ উদ্ৰেক ঘটিছে। যথেষ্ঠ কৌতুহলোদ্দীপক। অন্ধবিশ্বাস নাই। কল্পনাপ্ৰৱণতা আছে।




**বিশ্বৰ অদ্বিতীয় বীৰ চিলাৰায়**
**লেখক– প্ৰভাত চন্দ্ৰ দাস**
**প্ৰকাশক– পাঞ্চজন্য প্ৰকাশন**
**মূল্য– ৩০ টকা**

কোচ ৰাজ্যৰ অৱম্ভণি বিশ্ব সিংহৰ পৰা। ১৫০৯ চন। তেওঁ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা মুঠ ১৯ গৰাকী কন্যা বিবাহ কৰে। মিথিলা, গৌড়, নেপাল, কাশ্মীৰ, কাশী, কামৰূপ আদি ৰাজ্যৰ লগত তেওঁৰ বৈবাহিক সম্পৰ্ক আছিল।

সেই বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণৰ ভ্ৰাতৃ চিলাৰায়ৰ ব্যক্তিত্বৰ বিকাশৰ কাহিনী, পৰাক্ৰম-সমৰবিদ্যাত পাৰ্গতালি, জ্ঞান-বিজ্ঞান চৰ্চা, সাহিত্য-সংস্কৃতিত দখল আদি বহু কথা সন্নিৱিষ্ট হৈছে। শংকৰদেৱ হয়তো চিলাৰায় নথকা হ'লে জীয়ায়েই নাথাকিলেহেঁতেন। কোচ সাম্ৰাজ্য চিলাৰায়ৰ কাৰণেই সেই সময়ৰ ভাৰতৰ বৃহত্তম সাম্ৰাজ্য হৈছিল। চেমনীয়াসকলে এজন একাধাৰে জ্ঞানচৰ্চা কৰা, গুণীৰ মোল বুজা, যুঁজাৰু মানুহৰ মাজত থকা মানৱীয় গুণৰ সম্ভেদ পাব।




**চান্দ সাগৰ**
**লেখিকা- স্নিগ্ধা বৰুৱা**
**প্ৰকাশক- পাঞ্চজন্য প্ৰকাশন**
**মূল্য- ৩০ টকা**

পদ্মপুৰাণৰ ওপৰত আধাৰিত বেউলা-লক্ষীন্দৰ আৰু চান্দ সদাগৰৰ কাহিনী। চান্দ সদাগৰৰ পূৰ্বজন্মৰ পৰা আৰম্ভ কৰি তেওঁৰ সৰ্প দংশনত মৃত্যুলৈকে ১৪ টা অধ্যায়ত ভাগ কৰি কাহিনীভাগ লিখা হৈছে। আমি সকলোৱে জনা কাহিনীটোৱেই। বৰ্ণনাৰ সাৱলীলতাই সুখ পাঠ্য কৰি তুলিছে।



**ৰজা হৰিশ্চন্দ্ৰ উপাখ্যান**
**লেখক - সুৰেশ শৰ্মা**
**প্ৰকাশক - জ্যোতি প্ৰকাশন**
**মূল্য - ৩০ টকা**

অযোধ্যাৰ ৰজা হৰিচন্দ্ৰ। তেওঁৰ প্ৰজাবাৎসল্য শাসন। ভাগ্যৰ বিড়ম্বনাত পথৰ ভিকহু ৰজা হৰিচন্দ্ৰ। কাষত ৰজা হৰি চন্দ্ৰৰ স্বৰ্গ গমন।

সকলোৱে জনা কাহিনীটো। উপস্থাপন সুন্দৰ অংকন কৰা ছবিৰ সৈতে।

**গল্প সংকলনঃ**




**বাসুৰ গল্প**
**লেখক - বৈদুৰ্য্য বৰুৱা**
**প্ৰকাশক - বনলতা প্ৰকাশন**
**মূল্য - ১১০ টকা**

২০১৭ চনৰ ১ এপ্ৰিলত মিছা কথাক সঁচা বুলি কৈ যোৱা বাসু নামৰ চৰিত্ৰ এটাৰ সৃষ্টি হৈছিল ফেচবুকত। সেই তাৰে পৰা লেখকৰ সাহিত্য যাত্ৰা। পটভূমিৰ ভৌগলিক অৱয়ব সৃষ্টিত গল্পকাৰ আগ্ৰহী নহয়।

চৰিত্ৰৰ মননতহে তেওঁৰ দপদপনি। A make believe world বা a make believe relationship বা a make believe reality – এইবিলাক হ’ল আধুনিক মানুহৰ সংগী। উপায় নাই। বাস্তৱ হজম কৰা টানেই। বংশ পৰিয়াল- অঙহী বঙহী কোনো আধুনিক মানুহ এজনৰ চিন্তাৰ পৰিবৃত্তলৈ আহিবই নোৱাৰা হৈছে।

এনিশাৰ কথা, ৰঙা ৰুমাল, অখিলৰ কল, ভাইৰাছ, অসম্ভৱ, ধৰ্মপুৰ, নৈপৰীয়া, ড্ৰেগন, বংশান্তৰ, পাছৱৰ্ড, আৰোহী আৰু ইপাৰ সিপাৰ আদি ১২ টা গল্পৰ সংকলন। তাৎক্ষণিক পৰিৱেশৰ ওপৰত লেখকৰ চকু। আধুনিক মনৰ অস্থিৰতা বিদ্যমান।

অসমৰ কম সংখ্যক আধুনিক লেখকৰ এজন বুলিব পাৰি।

**বাসন্তী বাসনা**
**লেখক - লক্ষ্মীনন্দন বৰা**
**প্ৰকাশক - বনলতা প্ৰকাশন**
**মূল্য - ৩৫০ টকা**



প্ৰকাশকে কৈছে—— “সময়ৰ অগ্ৰগতি অনুসৰি লেখকৰ চৌদিশৰ জগতখন সলনি হৈ থাকে আৰু তাৰ প্ৰভাৱ পৰে গল্পৰ সৃষ্টিত। গল্পত বিষয়বস্তু, বক্তব্য, পৰিৱেশ আৰু দৃষ্টিভংগী সলনি হয় বাবে একেজন লেখকৰে গল্পসমূহৰ শৈলী আৰু বৈচিত্ৰ মোহনীয় হৈ পৰে আৰু যুগৰ প্ৰতিচ্ছবিয়েও গল্পসমূহক ঐতিহাসিক মূল্য প্ৰদান কৰে। ইয়াৰেই প্ৰকৃষ্ট প্ৰমাণ হ’ল এই কাহিনী-সংগ্ৰহ ‘বাসন্তী –বাসনা’ য’ত সৰস্বতী সন্মানকে ধৰি ভালেমান মৰ্যাদাপূৰ্ণ বঁটা-প্ৰাপক, ডেৰকুৰি উপন্যাস আৰু সমান-সংখ্যক গল্প-সংকলনৰ স্ৰষ্টা আৰু শক্তিশালী কথাশিল্পী ড° লক্ষ্মীনন্দন বৰাৰ কাহিনীকলাৰ চমৎকাৰিত্ব হৃদয়ংগম কৰিব পাৰি।

লেখকে কৈছে—— “সময়ান্তৰে এজন লেখকৰ গল্পই ভিন্ন ৰূপ লয়। বিষয়বস্তু, বক্তব্য, পৰিৱেশ আৰু দৃষ্টিভঙ্গীৰ সময় অনুসৰি পৰিৱৰ্তন হয় কাৰণেই। এনে ভিন্নৰূপে লেখকৰ গল্পসমূহ বৈচিত্ৰপূৰ্ণ কৰি তোলে। লেখকৰ চৌদিশৰ জগতখন সলনি হৈ থাকে বাবে গল্পকাৰে সঁচা কাহিনীক সমল হিচাপে লৈ যুগৰ প্ৰতিচ্ছবি দাঙি ধৰিব পাৰে। সেইবাবেই হয়তো মই কেইবাটাও দশকজুৰি লিখা যথেষ্ট-সংখ্যক গল্পত এনে লক্ষণ পৰিস্ফুট হৈছে আৰু কালাতিক্ৰমে সৃষ্টি কৰা সামাজিক পৰিৱৰ্তনে মোৰ সৃষ্টিশীলতাক ইন্ধন যোগাই থাকে বাবে মই গল্প-উপন্যাস লিখি থকাটো প্ৰাণৰ তাগিদা বুলি অনুভৱ কৰোঁ।”

বৰাৰ ৩১ টা গল্পৰ সংকলন। হেৰাই যোৱা এটা গল্পও উদ্ধাৰ কৰি সন্নিৱিষ্ট কৰা হৈছে। লেখকৰ এই লানি লেখা পাৰিপাৰ্শ্বিক বাস্তৱৰ বোকাত লেতি লোৱা। কথাশিল্পী বৰাৰ ভাষাৰ চাতুৰ্য্য মনকৰিবলগীয়া।

“কণপাই ঘাটুৱৈয়ে স্বৰূপ কথাই কৈছে। কিন্তু মোক দুখ দিছে আন এটা চিন্তাইহে। কঁহুৱাআটিৰ মানুহে হয়তো অহা দুদিনৰ কাৰণে পেটৰ ভোক মাৰিব পাৰিব। কিন্তু বাকীবোৰ গাঁৱৰ মানুহৰ অৱস্থা কি হ’ব?”
বৰাৰ লেখা বহুত ধৰণেৰে পঢ়িব পাৰি। এজন অভিজ্ঞ গল্পকাৰৰ মূলমন্ত্ৰ- পাঠকক ধৰি ৰখাৰ সামৰ্থ্য- গল্পবোৰত পাতে পাতে বিদ্যমান।

অসমীয়া গল্পকাৰসকল এটা বিষয়ত বৰ দুৰ্বল। সেইটো হৈছে চৰিত্ৰ আৰু চৰিত্ৰৰ মাজত সংঘাত সৃষ্টিত ব্যৰ্থতা। কাজিয়া লগাৰ কথা কোৱা নাই। কিন্তু মানসিক দুৰত্বত অৱস্থানে যি সংঘাতৰ সৃষ্টি কৰে সেই সংঘাতৰ কথা কৈছো। আমাৰ সকলো মানুহ যেন কোনোবা অজানিতজনৰ দ্বাৰা আঘাটপ্ৰাপ্ত। সেয়ে ক’তো সমাধান নাই- কোনো উপশম নাই। সকলো মাজে মধ্যে ভাল। সকলোৱে ভাল পায়। ঠিক মহাপুৰুষীয়া আখ্যানবিলাকৰ দৰে। কালীয় দমন হ’ল পৰিশেষত কালীয়ৰ পত্নীসকলে আহি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে- কালীয়ইও পুনৰ জীৱন পালে।

অসমীয়া মানুহৰ হাতত সেয়ে ভৱিষ্যতলৈ যোৱাৰ দুৰ্বাৰ সাহস নাই– আহিলা নাই– দৃঢ়তা নাই– স্পৃহাও নাই।

এই কথাৰ দ্বাৰা আমাৰ লেখকসকল আক্ৰান্ত। সেয়ে বোধকৰো আফ্ৰিকাৰ লেখকসকলৰ যি বিস্ফোৰণ ঘটিছে আমাৰ হোৱা নাই।




**এনেকৈয়ে প্ৰেম**
**লেখিকা - অংগনা চৌধুৰী**
**প্ৰকাশক – ৰেখা প্ৰকাশন**
**মূল্য - ১০০ টকা**

১৭ টা গল্পৰ সংকলন– 'পানবজাৰ ডট কম'ৰ পিছত। প্ৰতিটো গল্পত (১), (২), (৩), (৪) আদি কৰি ভাগত ভগোৱা হৈছে– পঢ়ুৱৈক যেন ভাব জুকিয়াবৰ সুবিধা দিবলৈ বিচৰা হৈছে।

আটাইবোৰ গল্প চৰিত্ৰসৃষ্টিৰ ব্যাপক প্ৰচেষ্টাৰে সমৃদ্ধ। গল্পবিলাকত নতুন কিছু সাধাৰণতে অচিনাকী সমাজৰ ছবি অংকন কৰা হৈছে। অসমীয়া জাতিয়ে ইতিমধ্যে বিবৰ্তনৰ ধুমুহা চাকনৈয়াত অস্থিৰ ভংগুৰ ৰূপ ধাৰণ কৰিছে। তাৰ মাজতে চৰিত্ৰবিলাকক ওচৰৰ পৰা মানুহ কৰি ৰাখিবলৈ লেখিকাই আপ্ৰাণ চেষ্টা কৰাটো পৰিলক্ষিত হৈছে

এই স্বৰ্পিত গাঁথা, এক ভস্ম সনা মূহূৰ্ত্ত, ১০২ নং কোঠা, যাযাবৰী সন্ধ্যা– আদি খুবেই স্পৰ্শকাতৰ আৰু কাব্যিক উপস্থাপন।

**কবিতা সংকলনঃ**




**সমদল**
**অনুবাদক - ড০ মাখনলাল দাস**
**প্ৰকাশক -**
**মূল্য - ১৫০ টকা**

১০১ টা অনুদিত কবিতাৰ এখন সংকলন। প্ৰায়বোৰ কবিতাৰ মূল হিন্দী। উত্তৰ প্ৰদেশ, হাৰিয়ানা, ৰাজস্থান, মধ্যপ্ৰদেশ আদিত কৰ্মসূত্ৰে থকা কাৰণে ড০ দাসে হিন্দী বলয়ৰ লগত যথেষ্ঠ একাত্মতা স্থাপন কৰিবলৈ সক্ষম হ'ল। তদুপৰি শিক্ষকতা বৃত্তিৰ লগত জড়িত থকা কাৰণে এখন বিদ্বৎ সমাজৰ লগত তেওঁ ঘনিষ্ঠতা ৰক্ষা কৰিবলৈ সুচল হ'ল। নিজৰ শিক্ষা জীৱনত ড০ দাসে সদায়েই তীক্ষ্ণ মেধা আৰু স্বজনশীলতাৰ পৰিচয় দি আহিছে। এজন প্ৰখৰ সংবেদনশীল মানুহ হিচাবে সেয়ে ড০ দাসক কবিতাই আকৰ্ষণ কৰাটো স্বাভাৱিক। গদ্যতো ড০ দাস সিদ্ধহস্ত। তেওঁৰ নতুন কিতাপ 'আকাশেই সীমা' ই তাৰ উদাহৰণ।

জ্যোতি খাৰে, সতীশ জয়চৱাল, অশোক লৱ, ড০ ৰঘূনাথ মিশ্ৰ, কৈলাশ শৰ্মা, ডাঃ আদৰ্শ প্ৰকাশ, ড০ সত্যমিত্ৰ ডুবে আদি বহু কবিৰ কবিতাৰ অনুবাদ কৰিছে। অনুবাদ আক্ষৰিক একেবাৰে কৰা নাই। ভাব আৰু নিভাঁজ অসমীয়া শব্দ চয়নেৰে ড০ দাসে অনুবাদসমূহ নিভাঁজ অসমীয়া কৰি তুলিছে। কবিতাসমূহৰ নিৰ্বাচন এনেকুৱা যে প্ৰকৃত বৰ্ণনা প্ৰায় অনুপস্থিত। মানুহৰ জীৱন সংগ্ৰাম আৰু বাস্তৱতাৰ পটভূমিতেই সৰহভাগ কবিতা ৰচিত।

এই কবিতা পুথিখন অসমীয়া সাহিত্যলৈ অতি উল্লেখযোগ্য সংযোজন বুলি এইবাবেই ক'ব পাৰি যে অসমৰ বাহিৰৰ পটভূমিত ৰচিত কবিতাবিলাক স্থান আৰু কালৰ একেবাৰে উৰ্দ্ধলৈ গতি কৰিব পাৰিছে। ব্যক্তি আৰু সমাজৰ মাজৰ সেতু এনে মেদহীনভাবে উপস্থাপন খুব কমেইহে দেখা যায়।

ব'লা সূৰ্য্যটো ঠেলি এতিয়া লুকুৱাই থওঁ চাৰাইৰ বাঁহত
নিষ্ঠুৰ ৰাতিৰ উদাসীন হাঁতোৰাই যাতে আঁচুৰিব নোৱাৰে আকাশৰ ফোঁট।

(মূল- উৰ্দু- অশোক আগৰৱাল)

যাত্ৰাত নিঃসংগতাইনো কি ক'ব সেই সহযাত্ৰীসকলৰ ঠিকনা?
যিসকল আছিল সপোনপুৰীৰ লগৰী
উপলব্ধিৰ গহন বনত
শিকলি টানি নামি গ'ল
আৰু নাজানো গুচি গ'ল কেনি!
(মূল-হিন্দী-ৰাফট আলম)

## গৱেষণা মূলকঃ




**অসমৰ ঐতিহ্য**
**লেখক- শান্তনু কৌশিক বৰুৱা**
**প্ৰকাশক- জ্যোতি প্ৰকাশন**
**মূল্য- ২৫০ টকা**

অসমৰ প্ৰায় ২৫০ খন ঐতিহ্যপূৰ্ণ স্থান আৰু স্মাৰকৰ পৰিচয় জ্ঞাপক বৰ্ণনাৰ সচিত্ৰ সংকলন।

অসমত তথ্য সম্পৰ্কীয় সচেতনতাৰ উন্মেষ ঘটোৱাসকলৰ ভিতৰত শান্তনু কৌশিক বৰুৱা, এক অগ্ৰগণ্য, বিশ্বাসযোগ্য নাম। বিগত দুটা দশকৰো অধিক কাল ধৰি বৰুৱাই অৰ্ধশতাধিক তথ্যমূলক গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ সমৃদ্ধ বৰঙণি আগবঢ়াইছে। তেওঁৰ ইতিপূৰ্বে প্ৰকাশিত তথ্যপূৰ্ণ তথা বহুপঠিত গ্ৰন্থৰ ভিতৰত 'বিজ্ঞানৰ কি কিয় কেনেকৈ কোন আৰু কেতিয়া', 'কোনে কেতিয়া ক'ত কেনেকৈ কি আৱিস্কাৰ কৰিছিল', 'Assam Year Book', 'অসম অভিধান', 'সহস্ৰাব্দৰ বিশ্ব', 'অভিলেখত অসম আৰু অসমীয়া', 'বিশ্ব ইতিহাসৰ স্মৰণীয় ৩৬৬ দিন', 'অসমীয়া বুক অব ৰেকৰ্ডছ', 'সংজ্ঞা অভিধান', 'শব্দৰ সাধু', 'সংক্ষিপ্ত অসম বুৰঞ্জীকোষ', 'বিশ্ব পৰিক্ৰমা', 'তথ্যকোষত ভূপেন হাজৰিকা', 'সাহিত্যৰ জ্ঞানকোষ' আৰু প্ৰায় একক প্ৰচেষ্টাৰে প্ৰণয়ন কৰা অসমীয়া ভাষাৰ প্ৰথমখন পূৰ্ণাংগ সাধাৰণ বিশ্বকোষ' বিশেষভাবে উল্লেখযোগ্য। 'অসমীয়া ভাষাত শিশু আৰু সাধাৰণ পাঠকৰ বাবে সমৃদ্ধ সাহিত্য নিৰ্মাণ'ৰ স্বীকৃতিস্বৰূপে বৰুৱালৈ আগবঢ়োৱা হয় ২০০৩ চনৰ ৰাষ্ট্ৰীয় মেগনাম সন্মান 'জ্ঞানজ্যোতি'। একেদৰে 'আমাৰ শৰীৰৰ আচৰিত যন্ত্ৰ-পাতিবোৰৰ কথা'শীৰ্ষক গ্ৰন্থৰ পাণ্ডুলিপিৰ বাবে তেওঁ লাভ কৰে অসম সাহিত্য সভাৰ অনিল কুমাৰ শৰ্মা সোঁৱৰণী বঁটা (২০০৪)। 'অসমত নীৰৱে তথ্য সাহিত্যৰ এক ধাৰা সৃষ্টি কৰা' বুলি অভিহিত কৰি উত্তৰ-পূব শিশু গ্ৰন্থমেলা সমিতিয়ে বৰুৱাক প্ৰদান কৰে ২০১২ চনৰ সন্মানীয় মাধৱ কন্দলী বঁটা আৰু 'মায়া' আলোচনীয়ে প্ৰদান কৰে 'মায়া' মিডিয়া এৱাৰ্ড'(২০১৭)।

অসমৰ মঠ-মন্দিৰ-দৌল-দেৱালয়-সত্ৰ-নামঘৰ-মচজিদ-গীৰ্জা-গুৰুদ্বাৰ-বৌদ্ধ বিহাৰ-তোৰণ-স্তম্ভ-বিল-পুখুৰী-ৰজাদিনীয়া গড়-শিলালিপি-পৌৰাণিক ভগ্নাৱশেষ-ঐতিহ্যপূৰ্ণ ভৱন, উদ্যান-ঐতিহ্যক্ষেত্ৰ সংগ্ৰহালয়, ঐতিহ্যপূৰ্ণ বাট-পথ-সেতু-দলং-ঐতিহাসিক কীৰ্তিচিহ্ন-মেলা-সভা-বিশ্ব ঐতিহ্য ক্ষেত্ৰ-ঐতিহ্যময় লোককলা আৰু

অন্যান্য ঐতিহ্য কিছুমানৰ যিমান পাৰি ইতিবৃত্ত-ইতিহাস-তথ্য-কিম্বদন্তী আখ্যান-ভৌগলিক পৰিসংখ্যা-ব্যাখ্যা-চিত্ৰ সম্বলিত এই কিতাপ ঠিক এখন বুৰঞ্জীয়েই বুলিব পাৰি। ৰজাই লিখোৱা বুৰঞ্জীতকৈ ই অসমৰ সামাজিক আৰু সাংস্কৃতিক বিশালতা বুজাৰ ক্ষেত্ৰত অধিক সহায় কৰিছে। অসমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক এই কিতাপ 'অনুপ্ৰেৰণা পুথি' হিচাপে পঢ়িৱলৈ দিব লাগে। আধুনিক সময়ে এই ঐতিহ্যৰ সমল বিলাকক কি কৰিছে কি অৱস্থাত ৰাখিছে-কি হ'বগৈ তাৰ বিষয়ে এক অনুসন্ধিৎসু মন গঠনত ই সহায়ক হ'ব। আপাত দৃষ্টিত তথ্যসমূহ সত্যনিষ্ঠ বুলি অনুমান হৈছে।



**প্ৰসংগ কবিতা**
**লেখিকা- ড° অৰ্চনা পূজাৰী**
**প্ৰকাশক- জ্যোতি প্ৰকাশন**
**মূল্য- ১২০ টকা**

নিৰ্বাচিত কেইজনমান কবিৰ কিছুমান কবিতাৰ বা হয়তো এটা কবিতাৰ মূল চৰিত্ৰগত বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি এই কিতাপ ৰচনা কৰা হৈছে। লেখিকাই খুব সাৱধানে কবি আৰু কবিতা নিৰ্বাচন কৰিছে। বাহুল্য নকৰি একোটা নিৰ্দ্দিষ্ট কবিতাক লৈ লেখিকা গভীৰৰ পৰা গভীৰতলৈ গতি কৰিছে। কবিতাত দাৰি, কমাৰ তাৎপৰ্য্য অসীম।... টোপনিতো তেওঁ মোক খেদি ফুৰিছিল। অৰ্থাৎ দিঠকতটো ফুৰেই, টোপনিতো ফুৰে। এনে ধৰণৰ। সৌৰভ কুমাৰ চলিহাৰ 'সিহঁতে পাহাৰ বগালে' আৰু 'সিহঁতেও পাহাৰ বগালে'ৰ নিচিনা কথা।

লেখিকাৰ দৃষ্টিভংগী সুন্দৰ বিশ্লেষণাত্মক কিন্তু কোমল। ১৭ টা লেখাৰ নামকৰণেই বহুত কথা কৈ দিয়ে। গণেশ গগৈ, মফিজুদ্দিন আহমদ হাজৰিকা, হেম বৰুৱা, নৱকান্ত বৰুৱা, অজিৎ বৰুৱা, ৰাম গগৈ, হীৰেণ ভট্টাচাৰ্য্য, নীলমণি ফুকন, নিৰ্মল প্ৰভা বৰদলৈ আদিৰ কবিতাৰ বৰ সুন্দৰ বিশ্লেষণ আছে। তদুপৰি ভূপেন হাজৰিকাৰ গীতৰ আলংকাৰীক সৌন্দৰ্য শীৰ্ষক এক বিস্তৃত আলোচনা কৰা হৈছে।

**আত্মকথা / জীৱনীভিত্তিকঃ**



**শাস্ত্ৰীয় সংগীতৰ বোঁৱতী নিজৰা**
**('সুৰ নিজৰা' মীৰা দাস চলিহাৰ জীৱন আৰু কৰ্ম)**
**সংকলন - মানসী দাস কুইয়া আৰু অনুভৱ পৰাশৰ**
**প্ৰকাশক - মানসী দাস কুইয়া**

সংকলক অনুভৱ পৰাশৰৰ কথা—— অসমীয়া সংগীত জগতত মীৰা দাস চলিহা এটি পৰিচিত নাম। যিটো সময়ত শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰখনত অসম একেবাৰে পিছপৰা আছিল সেই সময়তে লক্ষ্ণৌলৈ গৈ শাস্ত্ৰীয় সংগীতৰ শিক্ষা গ্ৰহণ কৰি অসমৰ শাস্ত্ৰীয় সংগীতৰ 'প্ৰথমগৰাকী অসমীয়া মহিলা' ৰূপে পৰিচিত হৈ পৰিল। তাৰ পৰা কন্ঠ সংগীতত বিশাৰদ হিচাপে অসমলৈ আহি তেওঁ অসমত শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰখনক আগুৱাই নিবলৈ যাত্ৰা আৰম্ভ কৰিলে। তেজপুৰৰ পৰা লক্ষ্ণৌলৈ তেওঁৰ যি পৰিক্ৰমা সেই পৰিক্ৰমাত তেওঁ নানান প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু নিজৰ মনত দৃঢ়তা আৰু সংগীতৰ প্ৰতি থকা অনুৰাগে তেওঁক সেইবোৰ হেলাৰঙে পাৰ কৰিবলৈ সাহস দিছিল। প্ৰকৃতাৰ্থত সংগীতৰ মাজেৰে তেওঁ সকলোকে জয় কৰিবলৈ সক্ষম হৈছিল।

সংগীত আছিল তেওঁৰ জীৱন। সংগীতৰ মাজেৰে তেওঁ নিজকে ব্যস্ত ৰাখিছিল আৰু নতুন প্ৰজন্মক সংগীতৰ শিক্ষা দিয়াত সদায় অহোপুৰুষাৰ্থ কৰিছিল। কেৱল শাস্ত্ৰীয় সংগীতেই নহয় আধুনিক গীতৰো তেওঁ এগৰাকী গীতিকাৰ, সুৰকাৰ আৰু কন্ঠশিল্পী আছিল। তদুপৰি তেওঁ ৰচনা কৰিছিল বহু সংগীতালেখ্য।

ড° শীলা বৰা (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা আৰু INTACH অসমৰ সহায়িকা)ৰ কথা—— To music lovers of Assam this book will be impressive as it narrates the story of the first woman in Assam to be awarded a Visharad degree in classical music from the Lucknow music college. Hers is also a story of breaking barriers. The 1940s, when she left for Lucknow, was a tumultuous period in india's political struggle. Women throughout the country had joined the freedom struggle in large numbers for they believed their fight was not only against their colonial masters but also against patriarchy. As women realized the various discriminations imposed on them as a result of gendered roles, they adopted various means to break the shackles. Meera Das was one such woman who adopted a noble way of proving that a woman too, was capable of pursuing a career of her choice and that no hurdles could prevent her from doing so.

কিতাপখনত মীৰা দাসৰ বিষয়ে বিভিন্নজনে লিখাৰ উপৰিও তেখেতৰ নিজৰ ৰচনা কবিতা সংগীতলেখ্য, গীত, ভাষণ, তেখেতৰ স্বৰচিত গানৰ স্বৰলিপি আদি সন্নিবিষ্ট হৈছে। ১৯৫২ ৰ পৰা ১৯৯২ চনলৈ অহৰহ সংগীতৰ পাঠদান, ৰাষ্ট্ৰীয় সংগীত সন্মিলন সমূহত পৰিবেশন আদিৰ মাজেৰে তেখেতে এটা অত্যন্ত সুন্দৰ সাত্বিক ব্যস্ততাৰ জীৱন কটাই গ'ল।

এই কিতাপ এগৰাকী সাধকৰ জীৱনৰ ওপৰত সুন্দৰ আলোকপাত।

**পাহৰিব নোৱাৰিলো যি**
**লেখক - নীলমণি ফুকন**
**প্ৰকাশক - বনলতা প্ৰকাশন**
**মূল্য - ৩৩০ টকা**



কবি নীলমণি ফুকনৰ জীৱন সোঁৱৰণ। কিন্তু উৎসৰ্গা কৰিছে প্ৰফুল্ল চন্দ্ৰ বৰাৰ সোঁৱৰণত। বহত কথা- বহু মানুহৰ বিষয়ে উল্লেখ কৰিবলৈ থাকি গ'ল বুলি লেখকে কৈছে। চকুৰ অসুবিধাৰ বাবে কিতাপখনৰ সৰহখিনি লেখা অনুলেখকৰ সহায়ত লিখা হৈছে। ড° হীৰেণ গোঁহাই, হৰেকৃষ্ণ ডেকা, জয়ন্ত মহাপাত্ৰ, দিলীপ বসু আদিৰ ভালেকেইখন চিঠি – যিবিলাক দৰাচলতে সাহিত্যই- সন্নিৰিষ্ট কৰা হৈছে।

নবযুগ-মনিদীপ, শোভাব্ৰহ্ম, মহেশ্বৰ নেওগ, যুগল দাস, দেবকান্ত বৰুৱা, অজিৎ বৰুৱা, সৌৰভ কুমাৰ চলিহা, হীৰেন্দ্ৰ নাথ দত্ত, নলিনীধৰ ভট্টাচাৰ্য্য, উৰেদুল লটিফ বৰুৱা আদি অনেকজনৰ বিষয়ে লিখিছে। ষ্ট্ৰগা কবিতা-গধূলিৰ পোহৰ কবিৰ জীৱন আলোকিত কৰা পোহৰ। সেই আন্তৰ্জাতিক কবিতা উৎসবৰ কথা- কবি ভাস্ক' পপাক লগ পোৱাৰ কথা আৰু বিশ্ব সাহিত্যৰ এক প্ৰবাহ প্ৰত্যক্ষ তথা বোধ কৰাৰ কথা অতিশয় ভাবোদ্দীপক। মূলতঃ হৃদয়ত নৃতাত্বিক এজনক বহুৱাই থোৱা মনেৰে বিলুপ্ত হৈ যোৱা জীৱজন্তুৰ জগতখনতো

ঘুৰি ফুৰা এজন গভীৰ মননশীল কবিৰ শব্দৰ মিতব্যয়ী খৰচ, সঠিক প্ৰয়োগ আৰু মেদহীন বক্তব্যই আমাক এক গভীৰ জীৱন বীক্ষাৰ সম্ভেদ দিয়ে। নিস্তব্ধ মৌনতাটো সিৰিক কৈ সাৰ পাই যোৱা কবিৰ অবগুণ্ঠিত মনত বাজি থকা নিৰন্তৰ জীৱন দৰ্শন – কেৱল মংগলৰ বাবে – শিল, বালি, মাটি, পানী, জীৱ-জড় সকলোৰে প্ৰতি যি ক্ষেত্ৰত কবিয়ে কোনোদিনে Compromise কৰা নাই।

উপন্যাসতকৈয়ো মনোৰম, গল্পতকৈয়ো সুখকৰ, দৰ্শনতকৈও গভীৰ, সংগীততকৈও আনন্দৰ আৰু নিৰ্ভৰযোগ্য সততাৰ প্ৰকাশ এই কিতাপ।

## অনুবাদঃ



**আকাশেই সীমা**
**লেখক - এলফোনচো এলেঙ্গিকাল**
**অনুবাদ – ডঃ মাখনলাল দাস (৯৮৬৪০১২৭৪১)**
**প্ৰকাশক - Better Yourself Books**
**মূল্য – ৮০ টকা**

মূল গ্ৰন্থ 'You Are Destined For The Skies' ৰ অনুবাদেই হৈছে এই গ্ৰন্থ। গ্ৰন্থখনত ফাডাৰ এলেঙ্গিকালে ভাৰতৰ সৰু ডাঙৰ বহুতো লোকৰ জীৱনৰ অনুপ্ৰেৰণামুলক বিশটা কাহিনী সান্নিৱিষ্ট কৰিছে। এই কিতাপখনৰ কাহিনীবোৰে জীৱনটোক অতিশয় ইতিবাচক ধৰণে ল'বলৈ শিকায়।

অসমীয়া পাণ্ডুলিপিটো পঢ়ি অনুবাদকৰ এগৰাকী বান্ধৱীয়ে কৰা মন্তব্য, "মই বিদেশলৈ অহা এবছৰো হোৱা নাই। বিভিন্ন কাৰণত কেইমাহমান আগৰ পৰা অলপ হতাশাত ভুগি আছিলো কিতাপখন পঢ়ি এনেকুৱা লাগিল যেন ঈশ্বৰে মোৰ বাবেই অপোনাৰ হতুৱাই কিতাপখন অনুবাদ কৰালে।"

নিঃসন্দেহে এই কিতাপখনে পঢ়ুৱৈক নতুন উৎসাহ দিব, আকাশ চুবলৈ প্ৰেৰণা দিব।

## সাঁথৰঃ




**সাঁথৰ কোষ**
**লেখক- জোনমণি দাস**
**প্ৰকাশক- পাঞ্চজন্য প্ৰকাশন**
**মূল্য- ৪০ টকা**

'অ' বৰ্ণৰ পৰা আৰম্ভ কৰি 'হ' বৰ্ণলৈকে বহু সাঁথৰ আৰু উত্তৰ সন্নিবিষ্ট আছে। খুব সন্দেহজনক। ৰসঘন। ভাবোদ্দীপক প্ৰকৃতি সচেতন। বুদ্ধি দাবি কাৰী।

হাবিৰ পৰা ওলালে কপিনী
চাৰি ঠেং মেলিলে গাভিনী (আঁঠুৱা)

অৰু অৰু অৰু
সকলোৰে সেইটো একেটাই চৰু (বেলি)

ঘৰ অছে দুৱাৰ নাই
মাত আছে মানুহ নাই (ৰেডিঅ’)

জেষ্ঠজনে শিশু চেমনীয়াক লগত লৈ সুন্দৰকৈ সময় কটাব পাৰিব। বুদ্ধিচৰ্চ্চা কৰাৰ এক সুন্দৰ উপায়।

**ডাকৰ বচন**
**লেখিকা- জোনমণি দাস**
**প্ৰকাশক- পাঞ্চজন্য প্ৰিন্টি এণ্ড পাব্লিচিং পাণবজাৰ, গুৱাহাটী-১**
**মূল্য- ৩০ টকা**




‘অসমীয়া সাহিত্য বুৰঞ্জী’ত ডিম্বেশ্বৰ নেওগে কৈছে— ‘ডাকৰ বচন বেদৰ বাণী। অযুত অসমীয়া নিৰক্ষৰ জনগণৰ বাবে ডাকৰ বচন সঁচাকৈয়ে অলিখিত বেদ আৰু ডাক তেওঁলোকৰ অখ্যাত ব্যাস। বেদ তেওঁলোকে নাজানিব পাৰে, কিন্তু ডাকৰ বচন তেওঁলোকৰ হাড়ে-হিমজুৱে মিলি আছে। সেইবোৰ তেওঁলোকৰ নিজ বিবেক বাণীস্বৰূপ।’

ডাকৰ বচন মূলতঃ অসমীয়া লোক-সাহিত্যৰে অবিচ্ছেদ্য অংগ। নিৰক্ষৰ চহা জীৱনৰ মুখ বাগৰি প্ৰচলিত হৈ অহা আইনাম, ধাইনাম, বিয়ানাম, দিহানাম, সাধুকথা, মালিতা, ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, জতুৱা ঠাঁচ, খণ্ডবাক্য আদিৰ কোনো নিৰ্দিষ্ট স্ৰষ্টা নাছিল। মুখে মুখে চলি অহা এই কথা-গীতসমূহ অসমীয়া লোক-সাহিত্যৰ এক বিপুল বৈভৱ। মুখে-মুখে আজিৰ সময়তো প্ৰচলিত হৈ থকা ‘ডাকৰ বচন’ বিলাকৰ কিন্তু এজন স্ৰষ্টা নাছিল। মানুহে আৰোপ কৰা তেওঁৰ নাম হৈছে ‘ডাক’।

ডাকৰ বচনৰ মাজেদি অসমীয়া লোক-জীৱনৰ স্বৰূপ চুম্বকীয় ৰূপত প্ৰতিফলিত হৈ আছে। অসমীয়া সমাজত বিশেষকৈ, গ্ৰাম্য জীৱনৰ ব্যৱহাৰিক ক্ষেত্ৰত ডাকৰ বচনৰ প্ৰভাৱ আৰু গুৰুত্ব বিশেষভাবে লক্ষণীয়। অসমীয়া সমাজৰ জনশ্ৰুতি অনুসৰি জনা যায় যে বৰপেটা জিলাৰ দক্ষিণ দিশত থকা লেহিডঙৰা গাঁৱত ডাকৰ জন্ম হৈছিল। আজিলৈকে কোনো পণ্ডিতে ডাকৰ জন্ম সময় উদ্ধাৰ কৰিব পৰা নাই যদিও ষষ্ঠ শতিকাৰ আগতে ডাকৰ জন্ম হৈছিল বুলি ধাৰণা কৰিব পাৰি। ডাক-ভনীতাৰ জৰিয়তে জনা যায় যে ৰজা বিক্ৰমাদিত্যৰ নৱৰত্নৰ এজন অন্যতম ৰত্ন তথা বিখ্যাত পণ্ডিত আছিল বৰাহ মিহিৰ। মিহিৰ মুনি হেনো উজ্জয়িনীৰ পৰা দেশ ভ্ৰমণলৈ আহি বৰপেটাৰ লেহিডঙৰা গাঁৱৰ ‘ডাক’ৰ ঘৰত আলহী গৈছিল। ডাকৰ দেউতাকৰ সাতজন ভাই-কাকই আছিল। ডাকৰ দেউতাক আছিল ঘৰৰ পেটমোচা পো। তেওঁৰ সন্তান নাছিল। মিহিৰ মুনি তেওঁলকৰ ঘৰত আলহী হৈ থাকোতে কনিষ্ঠ বোৱাৰীয়ে সেৱা-শুশ্ৰুষা কৰিছিল। তেওঁৰ আতিথ্যত সন্তোষ লভি মিহিৰ মুনিয়ে নিঃসন্তান বোৱাৰীক সন্তান হ’বলৈ আশীৰ্বাদ দিছিল। মিহিৰ মুনিৰ আশীৰ্বাদত ডাকৰ জন্ম হয়। আৰু সেই ডাকেই অসমীয়া সমাজৰ ডাকপুৰুষ।

জনশ্ৰুতিমতে ভূমিস্থ হৈয়ে ডাকে কথা ক’বলৈ আৰম্ভ কৰিলে। উপজিয়ে এনেকৈ মাত-কথা কোৱাত তেওঁৰ নাম ৰখা হ’ল ডাক। ডাঙৰ হোৱাৰ লগে লগে ডাকৰ বিদ্যা-বুদ্ধি অভিজ্ঞতা বাঢ়িল।

মৌলিক সাহিত্যৰ দৰে মুখ বাগৰি বাগৰি প্ৰচলিত হৈ আহোতে ডাকৰ বচনে ঠায়ে ঠায়ে ৰূপ সলাইছে। ডাকৰ বচনত ৰাষ্ট্ৰীয় শাসন, আহোমৰ শাসন, কোঁচৰ শাসন অথবা মুছলমানৰ শাসনৰ বিশেষ কোনোধৰণৰ উল্লেখ নথকালৈ চাহি বেছিভাগ ডাকৰ বচনেই পঞ্চদশ শতিকাৰ আগতে ৰচিত হৈছিল বুলি ধাৰণা কৰিব পাৰি।

ডাকৰ বচনত কি নাই? সকলো আছে। ৰাজনীতি, ধৰ্মনীতি, জ্যোতিষ, প্ৰসূতিৰ চিকিৎসা, কৃষি সম্ভাৰ আদি সকলো দিশৰ বিষয়ে ডাকৰ বচনত উল্লেখ আছে।

অসমীয়া গ্ৰাম্য জীৱনত সৰহভাগ চহা মানুহে ডাকৰ বচন অনুসৰি ঘৰ-বাৰী পাতে। খেতি-খোলা কৰে। তিতা কেৰেলা, হেলঞ্চি, ভেকুৰী তিতা, শেৱালি ফুল, শোকোতা, দোৰোণ শাক, বেতগাজ, নৰসিংহ আদি তিতা খোৱাৰ উপকাৰিতাও ডাকৰ বচনত আছে।

কোন মাহত, কোন তিথিত, কোন বাৰত কি খাব নালাগে, কোন তিথিত খেতি কৰিব লাগে বা নালাগে আদিৰ সকলো কথা ডাকৰ বচনে চহা মানুহক শিকাই থৈ গৈছে।

## সামাজিক ইতিহাসঃ



**অসমৰ সংক্ষিপ্ত ইতিহাস**
**লেখক - ড০ তচদ্দুক আমানুল্লা হুছেইন**
**প্ৰকাশক - বনলতা প্ৰকাশন**
**মূল্য - ৪৫০ টকা**

প্ৰাক প্ৰাচীন কালৰপৰা স্বাধীনতালৈকে সামৰি থাওকতে অসমৰ এখন ইতিহাস। কিতাপখনে বিশেষ কোনো মৌলিকতাৰ দাবী নকৰে; কিন্তু সহায়ক পুথিখনত তথ্য আৰু পৰ্য্যবেক্ষণ লেখকে কিন্তু নিজৰ ধৰণে কৰিছে। সেয়ে পাদটীকা ৰূপত তেনে কথা দিয়া হৈছে।

অসমৰ ইতিহাস দৰাচলতে অসম্পূৰ্ণ হৈয়ে আছে আৰু থাকিবও। বিশেষকৈ কীৰ্তিচন্দ্ৰ বৰবৰুৱাই এসোপা বুৰঞ্জী জ্বলাই নষ্ট কৰি পেলোৱাৰ পিছত। কিন্তু তাতকৈ ডাঙৰ কথা হ'ল থকা সমলসমূহৰ সংৰক্ষণ আৰু অধ্যয়ন নাই। সেয়ে বড়োসকলৰ ইতিহাস নাই। লাচিত-জয়মতী আদি সকলো চৰিত্ৰ ধূসৰ। চাহ বাগিছাৰ বিষয়ে অতবোৰ তথ্য থকাৰ  পিছতো সেই বুধৰা-লচমী-ঝুমুৰ ৰ কাহিনীতে সকলো আৱদ্ধ। বৃটিছৰ ৰেকৰ্ড কোনেও পঢ়াই নাই। যোৰহাটৰ  দেবব্ৰত শৰ্মাই অসমৰ এখন পূৰ্ণাংগ ইতিহাস প্ৰণয়ন কৰিবলৈ চেষ্টা কৰি আছে- য'ত তথ্য সংগ্ৰহ কৰাটোক যথেষ্ঠ গুৰুত্ব দিয়া হৈছে।

তথাপিও ৬০৯ পৃষ্ঠাৰ এই কিতাপখনৰ ১২টা অধ্যায়ে কেৱল চন তাৰিখ-যুদ্ধৰ ওপৰতে গুৰুত্ব নিদি সমাজৰ অন্যান্য কথা কিছুমানৰ ওপৰত আলোকপাত কৰিবলৈ চেষ্টা কৰিছে। যেনে আহোমসকলৰ আগমন কালত অসমৰ ৰাজনৈতিক আৰু আৰ্থসামাজিক অৱস্থা, সংকটৰ যুগ আৰু তুঙ্গখুঙ্গীয়া ৰজাসকলৰ দিন, আহোম ৰাজ্যৰ অৱনতি আৰু পতন, আহোম প্ৰশাসন ব্যৱস্থা; ইংৰাজ শাসন প্ৰতিস্থা আৰু সুদৃঢ়কৰণ, ১৮৫৭ চনৰ বিদ্ৰোহ আৰু অসম, জাতীয় চেতনাৰ বিকাশ আদি কথা সামৰিছে। কিন্তু শংকৰদেৱৰ বৈষ্ণৱ সমাজ, ভূটীয়া সকলৰ কথা, সেই সময়ৰ ব্যৱসায় বাণিজ্য- অসমৰ বৌদ্ধ পৰম্পৰা-সংস্কৃতি আদি কথাবোৰে যথাযথ স্থান পোৱা নাই।

অসমৰ ইতিহাস চৰ্চাকাৰীসকলৰ অধ্যয়ন বিমুখীতাই বহুত সত্য উত্থাপন কৰাত বাধা দিছে।

তথাপিও সাধাৰণ পাঠকৰ বাবে মোৱামৰীয়া বিদ্ৰোহৰ কাৰণসমূহ, ফ্ৰাঞ্চিচ বুকানন হেমিল্টনৰ An Account of Assam, পেম্বাৰ্টনৰ- Report on the Eastern Frontier of British India আদি বহু নথিৰ

সহায়ত বহু কথা সহজ ভাষাত উপস্থাপন কৰা হৈছে। আৰু পোৱা যায় বহুত জানিবলগীয়া কথা- ১৩ বিধ নাওৰ নাম, আহোম স্বৰ্গদেউসকলৰ চোৰাংচোৱা প্ৰথাৰ বিষয়ে, ক'ত কেনেকে কি শিক্ষাৰ প্ৰচলন আছিল, সাজ-পোছাকৰ কথা, সমাজৰ গাঁঠনি আদি।

কিন্তু মূল কথাটো হ'ল যে আহোম বুৰঞ্জীকে অসমৰ বুৰঞ্জী বুলি লোৱাৰ ফলত অসম বুৰঞ্জী সদায় অসম্পূৰ্ণ হৈ থাকি গ'ল আৰু তাৰে ফলত আমাৰ অসমে আজি পদে পদে উজুটি খাব লগা হৈছে।

তথাপি ক'ব লাগিব যে কিতাপখন এখন সচৰাচৰ বুৰঞ্জীৰ নিচিনা নহয়। এখন সহজপাঠ্য আৰু সুখপাঠ্য কিতাপ যিখনে বুৰঞ্জীৰ মাধ্যমেৰে অসমৰ ওপৰত পোহৰ পেলাই গৈছে।

## বিজ্ঞান বিষয়কঃ




**অসমৰ চৰাই চিৰিকতি**
**লেখক – অৰ্পণ দত্ত**
**প্ৰকাশক – ৰেখা প্ৰকাশন**
**মূল্য – ১৩০ টকা**

এইখনকে ধৰি মুঠ ২৯ খন পিতাপৰ জন্মদাতা হ'ল লেখক। আমাৰ অধিকাৰ, মানুহৰ অধিকাৰ, মিলি-জুলি-জানি-বুজি, মিছাত আশা বনত বাস, আমাৰ কথা আমাৰ কাম, হোলাৰ ভাই মোলা আদি শিৰোণামে লেখকৰ চিন্তাৰ ব্যাপ্তি সূচায়। ককাৰ পিঠিৰ ৰ'দ, পানীৰ বহুত কথা, ভাত খোৱা ভতুৱা, খাদ্যৰ ভিতৰুৱা কথা আদিয়ে লেখকৰ লক্ষ্য যে শিশু-চেমনীয়া-যুবপ্ৰজন্ম, সেইটো নিয়াৰিকৈ বুজাই দিয়ে। শিলৰ কণী, তোমাৰ বাট, জ্ঞান বিজ্ঞানৰ কথা, জ্ঞানৰ চন্দুক, মাটিৰ কথা আদিয়ে নিচেই সহজ সৰল ভাষাৰে আমাৰ চাৰিওকাষৰ পৃথিবীখন ভালদৰে চাবলৈ উদগণি দিয়ে।

এই কিতাপখনো একে সাঁচৰ। পৃথিৱীত পক্ষীৰ আৱিৰ্ভাৱ, চাৰিত্ৰিক বৈশিষ্ট্য আৰু (পক্ষীকূলৰ) গুৰুত্ব শিতানটোত বহু দুৱাৰ মুখৰ কথা আছে। উৰণ-বুৰণ-গজন-গমন আমাৰ শাস্ত্ৰভিত্তিক চিন্তাতো পক্ষীৰ সম্যক স্থান আছিল। জীৱনধাৰী শিলৰ বুকু পঢ়ি মানুহে ঠিৰাং কৰিছে পক্ষীকূলৰ বিবৰ্তনৰ ৰহস্য। চৰাইৰ কণীৰ ৰং আকাৰ আদিৰ অধ্যয়নো প্ৰাসংগিক। লেখকে এই কথা বাদ দিয়া নাই।

অসমৰ কণামুচৰি, কপৌ, কাউৰীৰ পৰা আৰম্ভ কৰি হঁয়কলী, হাড়গিলা, হাইঠা, হেঁটুলুকালৈকে ৭৭ বিধ চৰাইৰ কথা এই কিতাপত সন্নিবিষ্ট হৈছে। আটাইবোৰ চৰাই আমাৰ চিনাকি। আটাইবোৰ চৰাইৰ ফটো দিয়া হৈছে কাৰণে দেখা পাবলৈ সুবিধা হৈছে। প্ৰতিজনী চৰাইৰ ইংৰাজী নাম আৰু বৈজ্ঞানিক নামো দিয়া হৈছে। প্ৰতিজনী চৰায়ে কি খায়, ক'ত থাকে, ক'ত কেতিয়া কণী পাৰে, ক'লৈ উৰে, আকাৰ কি, কি জাতৰ, কি কি প্ৰজাতি আছে বহু তথ্য আছে।

## স্বাস্থ্য সম্বন্ধীয়ঃ




**দৈনন্দিন জীৱন আৰু স্বাস্থ্য**
**লেখক - ড০ পবিত্ৰ কুমাৰ পাটোৱাৰী**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং**
**মূল্য - ৮০ টকা**

নিতৌ ৰাতিপুৱা শুই উঠাৰ পৰা শোৱালৈ স্বাস্থ্য সম্পৰ্কে আমি কিমান সচেতন? স্বাস্থ্যৰ যতন কি ধৰণে ল'ব লাগে? সু-স্বাস্থ্যৰ বাবে গ্ৰীণ টি প্ৰয়োজন নে? হিকটি কিয় আহে? চৰ্বিযুক্ত আহাৰৰ অপকাৰিতা ইত্যাদি সম্পৰ্কে ৮২ পৃষ্ঠাত ৩৬ টা ভাগত বিভক্ত কৰি ৰচনা কৰিছে।

লেখক উদ্ভিদ বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক। তেওঁ উদ্ভিদ বিজ্ঞানৰ সাধু, অসমৰ বিবিধ চৰাই আদি সম্পৰ্কে ভালেমান পুথি প্ৰস্তুত কৰিছে।

গ্ৰন্থখন মানুহৰ স্বাস্থ্যৰ যতন আৰু সু-স্বাস্থ্যৰে দীৰ্ঘজীৱন লাভৰ উদ্দেশ্যে ৰচনা কৰা হৈছে।

**খাদ্য আৰু স্বাস্থ্য**
**লেখক - ড০ পবিত্ৰ কুমাৰ পাটোৱাৰী**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং**
**মূল্য - ১৬০ টকা**




সু-স্বাস্থ্যৰ অধিকাৰী হৈ থাকিবলৈ হ'লে নিয়মিত খাদ্যভাসৰ লগতে ফলমূল-পাচলিৰ গুণাগুণ চাই খোৱাৰ দৰকাৰ। কোন সামগ্ৰীত কি গুণ থাকে, কিমান পৰিমাণে খালে ৰোগ নিৰাময় হ'ব আৰু লগতে কি খাদ্য খালে ৰোগ নিৰাময় হ'ব আৰু কোনবোৰ খাদ্যৰ কাৰণে ৰোগ বৃদ্ধিও হয় তাকেই সাৱধান আৰু সতৰ্ক কৰাৰ উদ্দেশ্যে ১৬৮ পৃষ্ঠাত ৭৮ টা ভাগত ভগাই গ্ৰন্থখনি ৰচনা কৰা হৈছে।

গ্ৰন্থখনত থকা কিছুমান বিষয় হ'ল- ডায়বেটিছ ৰোগীৰ পৰমবন্ধু হ'ল জামু, সৰ্বসাধাৰণৰ বাবে আপেল-মধুৰীআম বহুৰোগ প্ৰতিৰোধী। ঔষধি পাচলি কোমোৰা, প্ৰটিনৰ বাবে দাইল আদি নানান দ্ৰব্যৰ উপকাৰ আৰু প্ৰয়োজনীয়তাৰ কথা আছে।

**বাতৰি কাকতৰ পৰা -**

**দৈনিক জনমভূমিঃ**

**(২৮/০৭/২০১৮)**
**বিদেশৰ কথাৰে**
**লেখিকা - প্ৰণতি গোঁহাই**
**আলোচক - চামচুল বাৰিক (৯১০১২৩৯৬৩)**

ভ্ৰমণ সাহিত্যৰ দুটা দিশ আছে। লেখকৰ জীৱন দৰ্শনৰ সত্য আৱিষ্কাৰ হ'ব পাৰে আৰু সামাজিক গৱেষণামূলক উদ্দেশ্যও থাকিব পাৰে। শিৱসাগৰৰ প্ৰণতি গোঁহাইৰ 'বিদেশৰ কথাৰে' পুথিখনত আমি দুয়োটা দিশেই প্ৰতিফলিত হোৱা দেখা পাওঁ। অৱশ্যে তেখেতৰ ৰুচিবোধ সম্পৰ্কীয় বিষয়টো অধিক উজ্জ্বল ৰূপত প্ৰকাশিত হৈছে।

নান্দনিক সৌন্দৰ্য উপভোগ কৰাটো মানুহৰ সহজাত ধৰ্ম। ই এক শাশ্বত প্ৰবৃত্তি। লেখিকাই থাইলেণ্ড, গ্ৰীচ, ইউৰোপ য'তেই পদাৰ্পণ কৰিছে তেখেতে সেই বিমল আনন্দৰ সন্ধানেই কৰিছে। বৰফৰ সাগৰ, বগা ফেনিল নায়েগ্ৰা, ৰাতিৰ ইউৰোপৰ বৰ্ণিল দৃশ্যই যিকোনো পৰ্যটককে স্পৰ্শ কৰিবই। পুথিখনত সংযোজিত

পোহৰ ছবিবোৰৰ পৰা উমান পাব পাৰি। বেছিভাগ পোহৰ ছবিত পাৰিবাৰিক বিনোদনৰ উদ্দেশ্য দেখা যায়। সেইপিনৰ পৰা লেখিকাৰ এই যাত্ৰাক পাৰিবাৰিক ভ্ৰমণ বুলিবও পাৰি।

কিন্তু তাৰ মাজতো তেখেতে ভিন্ন সমাজৰ ভিন্ন অভিজ্ঞতাক নিজৰ সাহিত্য কৰ্মৰ মাজত টানি আনিছে। সততে, পূবতে হওক বা পশ্চিমতে হওক য'লৈকে লেখিকাই আগুৱাইছে সেই সেই অঞ্চলৰ উজ্জ্বল চিত্ৰবোৰ অংকন কৰা যেন লাগে, সেয়া আংশিক সত্যহে। ভিন্ন দেশৰ ভিন্ন অন্ধকাৰ দিশো পোহৰলৈ আনিছে। ঢাকা মহানগৰীত লেখিকাই যথেষ্ট ভিক্ষাৰীৰ মুখামুখী হৈছে। ম'বাইল ব্যৱহাৰ নকৰা কৃষিজীৱী আমিশসকলৰ কথাও আনিছে লেখিকাই।

লক্ষণীয় যে আমাৰ দেশৰ বাহিৰৰ মানুহৰ জাতীয় চেতনা আৰু দেশপ্ৰেমৰ নমুনাও পুথিখনত পোৱা যায়। ছুইছসকল পৰম্পৰাৰ প্ৰতি সজাগ। আমিশ এজন বাগীচালকে নিজৰ ওপজা ভূমিৰ অন্তহীন কথা পাতি বিমুগ্ধ হোৱাৰ কথা আছে। থাইলেণ্ডত লেখিকাই অসমৰ শিপাৰ সন্ধান বিচাৰি পাইছে।

গোঁহাইৰ কথনশৈলীত কাব্যিক গদ্য বা নাটকীয় ঠাঁচ বা হাস্য-ব্যংগ নাথাকিলেও ভাবৰ সৰলতা বিদ্যমান। মাজে মাজে আংশিক ৰসবোধ নথকা নহয়। ঠায়ে ঠায়ে উল্লিখিত চুটি বাক্যবোৰ শ্ৰুতিমধুৰ হৈছে। সাৱলীল বৰ্ণনাৰে পাঠকক চুই যাব পৰা শক্তিটো আছে লেখিকাৰ মাজত।

**দৈনিক অগ্ৰদূতঃ**

**(০৯/০৭/২০১৮)**
**তিৱা জনজাতীয় সাধু**
**লেখিকা - আৰতি ডেকা**
**প্ৰকাশক - শব্দৰ আলাপ**
**আলোচক - হেমন্ত কুমাৰ চৌধুৰী**

সাধু কথাবোৰ মানুহৰ মুখে মুখে চলি অহাৰ বহু বছৰ পাছতহে সেইবোৰে লিখিত ৰূপ পায়। উল্লেখ্য যে প্ৰতিটো জনগোষ্ঠীৰ মানুহৰ মাজত সাধুবোৰ লৌকিক-অলৌকিকভাৱে প্ৰচলিত বিশেষকৈ সাধুবোৰ ভূত-প্ৰেত তথা প্ৰেতাত্মা আদিক লৈ চলি অহা যদিও কিছুমান সাধু বনৰীয়া জন্তু, চৰাই-চিৰিকটি আৰু মানুহক লৈয়ো প্ৰকাশ পাইছে। অৱশ্যে ভাষাগত তথা কৃষ্টি-সংস্কৃতিগতভাৱেও ঠাই বিশেষে এই সাধুবোৰ জনগোষ্ঠীয় মানুহৰ মাজত প্ৰচলিত। গ্ৰামাঞ্চলৰ বৃদ্ধ-বৃদ্ধাসকলে নিজৰ পৰিয়ালৰ বা ওচৰ-পাঁজৰৰ শিশু ল'ৰা-ছোৱালীবোৰক কাষত বহুৱাই লৈ যিকোনো ক্ষেত্ৰতে মনোযোগ আকৰ্ষণৰ বাবে উল্লিখিত বিষয়ভিত্তিক সাধুবোৰ শুনায়।

বনৰৌ, ফুল আৰু ভোমোৰাৰ সাধু, নাঙা আৰু পাঙা, চেৰেলা এলাবাং, গছৰ খোৰোং, মানুহ বাঘ, ধানৰ ৰং, লাউ কোঁৱৰ আৰু ৰাজকুমাৰীৰ কথাকে ধৰি মুঠ ১৮টা সাধুকথা সন্নিৱিষ্ট পুথিখনৰ সাধুবোৰ তিৱা জনগোষ্ঠীৰ মানুহৰ মাজত প্ৰচলিত আছিল যদিও আজিৰ সমাজৰ মানুহ তথা নৱজন্মৰ মাজত এইবোৰ সাধু লোপ পাইছে। সাধাৰণতে তিৱা জনজাতিৰ লোকসকলে পাহাৰীয়া তথা সমতল অঞ্চলত বাস কৰি খেতি-বাতি কৰাৰ লগতে কৃষ্টি-সংস্কৃতিও বজাই ৰাখিছে। যি কথা তাহানিৰ ৰজা-ৰাণী, কোঁৱৰ-কুঁৱৰী, দেৱ-দেৱী, প্ৰজাবৰ্গ আৰু ভূত-প্ৰেতৰ কথা-কাহিনী-কৰ্মত প্ৰতিফলন ঘটিছে। উল্লেখ্য যে পুথিখনৰ প্ৰতিটো সাধুতে কৰ্মপ্ৰেৰণাৰ উল্লেখন ঘটিছে। তদুপৰি প্ৰতিটো সাধুতে দৃষ্টিনন্দন অংকনচিত্ৰ সংযোজন কৰি পঢ়ুৱৈ সমাজ তথা শিশু-কিশোৰকে আমোদ দিবলৈ লেখিকাই যৎপৰোনাস্তি চেষ্টা কৰাৰ লগতে সাধুবোৰে নিঃসন্দেহে ৰুচি-সংস্কৃতি আৰু কৃষ্টিৰ ৰূপ বৰ্ণ-বাকৰ সৃষ্টি কৰিছে। আনহাতে, উপদেশমূলক ছায়াছবিও সাধুবোৰৰ অনবদ্য অলংকাৰ।

**Socio Economic & Political issues in Assam**
**লেখক - ড০ মনমোহন দাস**
**আলোচক - হেমন্ত কুমাৰ চৌধুৰী**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল-বিজ্ঞান বিভাগৰ ভূতপূৰ্ব মূৰব্বী তথা অধ্যাপক-সাহিত্যিক ড০ মনমোহন দাসৰ সদ্য প্ৰকাশিত 'Socio Economic & Political issues in Assam' শীৰ্ষক গ্ৰন্থখন। সামগ্ৰিক অৰ্থত বিশ্লেষণ কৰিলে ইয়াৰ আটাইবোৰ প্ৰৱন্ধই প্ৰাসংগিক আৰু বিদ্যায়তনিক দিশত প্ৰযোজ্য। আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ধাৰাসমৃদ্ধ গ্ৰন্থখনৰ প্ৰৱন্ধসমূহক দুটা খণ্ডত বিভক্ত কৰি অধ্যয়নপ্ৰসূত কৰি তুলিছে। ভৌগলিক দৃষ্টিকোণ আৰু ইয়াৰ তাত্বিক বৈশিষ্ট্যযুক্ত আলোচনাৰে প্ৰতিটো প্ৰৱন্ধকে মূল্যমান মাপনিলৈ গতি কৰাইছে; কিয়নো প্ৰৱন্ধসমূহত কোনো অযৌক্তিক অভিধা নাই। সকলো কথা আৰু তথ্যই মানৱ সম্পদৰ লগতে অসমৰ ভৌগলিক পৰিসীমা উন্নীতকৰণৰ আয়ত্তৰেখাৰে প্ৰতিফলিত হৈছে। অসমৰ ভূমি নীতি-সংৰক্ষণ, সম্পদৰ ব্যৱহাৰিকতা, কুটীৰ শিল্পৰ আন্তঃগাঁথনি, কৃষি, বানপানী, প্ৰাকৃতিক দুৰ্যোগ-ব্যৱস্থাপনা, বনানীকৰণৰ অস্তিত্ব আৰু সংৰক্ষণ, গ্ৰাম্য উদ্যোগীকৰণ, কৃষি বিপ্লৱ, অসমৰ স্থায়িত্বকৰণ আৰু মেৰু বিভাজন, জাতি-জনজাতিৰ সমস্যা, বড়ো জনজাতিৰ বিপ্লৱ, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ, হিন্দু-বাংলাদেশী শৰণাৰ্থীক সংস্থাপন, বিশ্ববিদ্যালয় আইন, বিদ্যায়তনিক দিশত ভূগোল-বুৰঞ্জী প্ৰয়োগ আদি বিষয়ত ড০ দাসে উষ্চ পৰ্যায়ৰ বিশ্লেষণাত্মক দৃষ্টিভংগীৰে প্ৰৱন্ধসমূহক প্ৰামাণিক আৰু ব্যৱহাৰিক মূল্যাংকিত কৰি তুলিছে। তদুপৰি তথ্যসমৃদ্ধ ইতিহাসৰ চানেকিৰে যুক্তিপূৰ্ণ আৰু অধ্যয়নৰ সমল ৰূপে পৰিগণিত হোৱা ড০ দাসৰ এই গ্ৰন্থখন সকলো শ্ৰেণীৰ লোকৰ বাবে মূল্যৱান। দুকুৰি দুটা প্ৰৱন্ধ সন্নিৱিষ্ট গ্ৰন্থখনৰ ভাষা যদিও বা ইংৰাজী, অধ্যয়নৰ ক্ষেত্ৰত গ্ৰন্থখনত সন্নিৱিষ্ট 'ডাইমেনছনছ অৱ মুছলিম ইমিগ্ৰেছন ইন আছাম-পাৰ্ট ওৱান, টু এণ্ড থ্ৰী, ট্ৰাইবেল পপুলেছন এণ্ড ইথনিক প্ৰ'বলেমছ ইন আছাম, দ্য জেনেছিছ অৱ ভায়'লেন্স ইন বি টি এ ডি, ইনক্ৰিজিং ট্ৰেণ্ড অৱ মুছলিম ইমিগ্ৰেছন ইন আছাম' বিষয়ক লেখা কেইটাই সাম্প্ৰতিক পৰিৱেশ-পৰিস্থিতিৰ প্ৰতিচ্ছবিখনক ভয়াবহ ৰূপত প্ৰকট কৰি তোলে, য'ত বিবেকশূন্য আৰু ভাৰসাম্যহীন মানৱ-চিন্তনৰ-ক্ৰিয়া-কৰ্মৰে চলি আহিছে এইবোৰ মানুহ। গতিকে এইবোৰৰ বিবেক মস্তিষ্কক মানুহৰূপী চেতনত কিদৰে সংস্কৃত কৰিব পাৰি, তাৰেই বিশ্লেষণাত্মক দৃষ্টি নিক্ষেপ কৰিছে লেখকে। বিষয়বস্তু নিৰূপণৰ ক্ষেত্ৰতো প্ৰাৱন্ধিক ড০ দাস এগৰাকী সবল-সফল আৰু দূৰদৃষ্টিসম্পন্ন লেখক।

**পগলা চাহাবৰ হাঁহি**
**লেখিকা – অঞ্জলিকা চক্ৰবৰ্তী**
**প্ৰকাশক – ইউনিয়ন বুক পাব্লিকেশ্যন**
**আলোচক – মনোজ কুমাৰ ভট্টাচাৰ্য্য**
**মূল্য – ১৫০ টকা**

এতিয়ালৈকে তেওঁৰ দুখন চুটি গল্প, তিনিখন উপন্যাস গ্ৰন্থ আকাৰে প্ৰকাশ পাইছে।

উপন্যাসখনত নব্য উদাৰীকৰণ, বিশ্ব অৰ্থনীতি আৰু গোলকীয় বজাৰ ব্যৱস্থাক যেনেদৰে সামৰি লোৱা হৈছে, তেনেদৰে পুঁজিবাদী অৰ্থনীতি আৰু নিবনুৱা সমস্যাৰ ওপৰতো আলোকপাত কৰা হৈছে। লগতে ভাৰত, ইংলণ্ড আৰু আমেৰিকাৰ সাম্প্ৰতিক সময়ৰ সভ্যতা-সংস্কৃতি, শিক্ষা-প্ৰযুক্তিৰ চিত্ৰ এখনো লেখিকাই দাঙি ধৰিবলৈ চেষ্টা কৰিছে।

উপন্যাসখনৰ পটভূমি অসম বা ভাৰততে সীমাবদ্ধ হৈ থকা নাই, ইংলণ্ড আৰু আমেৰিকাকো সন্নিবিষ্ট কৰা হৈছে। উপন্যাসখনৰ মুখ্য শিৱানী আৰু গিলচন। শিৱানীৰ ককাক আলোক ছাৰ আৰু আইতাক অবন্তিকা। তেওঁলোকৰ পৰিচৰ আঘোণা, যিজনক শিৱানীয়ে মৰমতে জেক ব্ৰাডাৰ বুলি মাতে। শিৱানীৰ মাক দেউতাক কৰ্মসূত্ৰে কলকাতাত থাকে। উচ্চ শিক্ষাৰ বাবে কলকাতাৰ ল'ৰা জয়েশৰ স'তে শিবানী ইংলণ্ডলৈ যায়। তাতে সহপাঠী গিলচনৰ স'তে বন্ধুত্ব গঢ়ি উঠে। ইংলণ্ডত শিক্ষা সমাপ্ত কৰি শিৱানী, গিলচন আৰু জয়েশে গৱেষণা কৰিবলৈ আমেৰিকাৰ নিউয়ৰ্কলৈ যায়। গিলচনৰ সামৰিক বিষয়া দেউতাক আৰু সমাজ সেৱিকা মাকৰ ব্যস্ততাৰ ফলস্বৰূপে ধাই মাকৰ হাতত লালিত-পলিত হোৱা গিলচনৰ শিৱানীৰ লগত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে। আনহাতে, জয়েশে প্ৰেমত পৰে হাংগেৰীৰ ছোৱালী এভ্ৰিলৰ স'তে। শিৱানী আৰু গিলচনৰ বন্ধুত্ব হয় লাকি আৰু তেওঁৰ প্ৰেমিক ৰভাৰ্টৰ লগত। জেক ব্ৰাডাৰৰ চকুৰ অসুখৰ চিকিৎসাৰ বাবে শিৱানী অসমলৈ আহে। বাটতে সন্ত্ৰসবাদীয়ে শিবানী অহা বিমানখন হাইজেক কৰে। বিমানখন উদ্ধাৰৰ বাবে উঠি পৰি লাগে গিলচন, তেওঁৰ পিতৃ জেমচ ৰীড, মাতৃ মেৰী আৰু ধাই মাতৃয়ে। লাকীৰ পালিতা মাতৃ গ্ৰেচী আৰু গিলচনৰ মাতৃ মেৰীৰ প্ৰচেষ্টাত বিমানখন উদ্ধাৰ হয়। কিন্তু দুৰভাগ্যই শিৱানীক লগ এৰা নিদিলে। আন এখন বিমানত উঠি ঘৰলৈ আহি থকা শিবানীৰ বিমানখন বাৰ্মুদা ট্ৰাই এংগোলত প্ৰচণ্ড শব্দ এটা কৰি সাগৰৰ পানীত জাহ যায়। শিবানীক হেৰুৱাই পগলা হোৱা গিলচনে আলোক চাৰক সান্তনা দিবলৈ অসমলৈ আহি জেক ব্ৰাডাৰ আৰু আলোক ছাৰৰ সংগী হৈ থাকি যায়। এয়াই 'পগলা চাহাবৰ হাঁহি' উপন্যাসখনৰ থুলমূল কাহিনী।

**অনিন্দ্য সুন্দৰৰ এষণাত**
**লেখক - বিনন্দি ৰাম দাস**
**আলোচক - হেমন্ত কুমাৰ চৌধুৰী**

'নহী জ্ঞানেন সুদৃশম পৱিত্ৰম ইহ বিদ্যতে' শীৰ্ষক কথাষাৰ লেখকে নিজৰ 'আঁৰ কাপোৰৰ আঁৰৰ কথা'ত উল্লেখ কৰিছে। গতিকে এই কথাৰ পৰাই প্ৰতীয়মান হৈছে যে লেখকৰ সাধনাচিত্ত সমৃদ্ধিৰ ওজস্বিতা। তদুপৰি 'আপোনাৰ অভিজ্ঞতাই যদি কোনো প্ৰজ্ঞাক অৰ্থময় কৰি তুলিব নোৱাৰে, তেনে প্ৰজ্ঞা দৰাচলতে অৰ্থহীন।... প্ৰজ্ঞাৰ নিৰ্বাচনতো প্ৰজ্ঞাৰেই দৰকাৰ।' বুলি বাৰ্জেন-এ কোৱা উদ্ধৃত কথাষাৰেও বিশেষ বাৰ্তা বহন কৰিছে। গ্ৰন্থখনক এনেধৰণৰ অলেখ বাৰ্তাই সমৃদ্ধ কৰাত চিন্তা আৰু মনস্তাত্তিক ধাৰণাৰ ক্ষেত্ৰত আটাইকেইটা প্ৰৱন্ধই পঠনযোগ্য। 'সৌন্দৰ্যবোধ, জীৱন, বন্ধুত্ব, প্ৰাৰ্থনা, নম্ৰতা, সৰলতা, পাপ, উত্তৰ আধুনিকতাবাদ, প্ৰকৃতি-পৰিৱেশ আৰু প্ৰাকৃতিক ভাৰসাম্য, শৈশৱ-শিশুক্ৰমিক আৰু ইয়াৰ ভৱিষ্যৎ' আদিকে ধৰি মুঠ ২৫ টা প্ৰৱন্ধ সন্নিৱিষ্ট কৰিছে। প্ৰথমটো প্ৰৱন্ধৰ 'মেকবেথ' নাটকত উদ্ধৃত 'জীৱনটো যেনিবা এজন মুৰ্খই কৈ থকা এটা কাহিনী, যি কাহিনী ক্ৰোধ-কোৰ্হালেৰে পৰিপূৰ্ণ আৰু যাৰ কোনো অৰ্থই নাই' বোলা কথাষাৰ আমিও উল্লেখ কৰিব খুজিছো এইকাৰণেই যে মানৱৰ কৰ্ম-কুশলতা আৰু জীৱন পৰিক্ৰমা কি কি ধাৰাৰে সমৃদ্ধ বা অসম্পূৰ্ণ হৈ থাকে, তেনে চিন্তন লেখকৰ দৃষ্টিত ধৰা দিছে। তদুপৰি তেওঁ 'ছেণ্ড এণ্ড ফ'ম'ত 'বন্ধুত্ব সদায়' এটা মিঠা দায়িত্ব, ই কেতিয়াও হ'ব নোৱাৰে এটি নীচ-সুবিধাবাদী চৰিত্ৰ' শীৰ্ষক কাব্যিক পংক্তিৰেও মানৱীয় গুণ-গৰিমাৰ ছন্দত আলোকপাত কৰিবলৈ যত্ন কৰিছে। গ্ৰন্থখনৰ 'সংশয়-বিশ্বাস-ধৰ্ম আৰু গণতন্ত্ৰ' শীৰ্ষক প্ৰৱন্ধত উল্লেখ কৰিছে যে জ্ঞানৰ আধিক্য আৰু প্ৰাবল্যই মানুহক সংশয়াবাদৰ পথলৈ লৈ যায়। ইয়াৰ কাৰণ হ'ল দূৰদৃষ্টিসম্পন্ন বিবেক আৰু সংস্কৃত মনৰ জ্ঞানৰ অভাৱ। যাৰ ফলত ব্যক্তি, সমাজ, দেশ, ৰাষ্ট্ৰ তথা ঐতিহ্যগত সাংস্কৃতিক বিভ্ৰান্তিয়ে বাহ লৈছে। আপাত কালৰ যান্ত্ৰিকতাময় মনোবৃত্তি, বস্তুবাদী সভ্যতা-সংস্কৃতিৰ অপাচাৰ, মানৱীয় প্ৰমূল্যতাত আসুৰিক চিন্তনৰ বাবে বৌধিক জ্ঞান বিভ্ৰান্ত আৰু পিষ্ট হৈছে। সেয়ে প্ৰতিটো প্ৰৱন্ধ যুক্তিপূৰ্ণ আৰু আদৰ্শাশ্ৰয়ী চেতনা জাগ্ৰত কৰাৰ্থে শিশু, কিশোৰ তথা প্ৰাপ্তবয়স্কক ধৰি সকলো পৰ্যায়ৰ মানুহক প্ৰকৃতিৰ পৰম্পৰাগত ইতিহাস ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতি

ক্ৰিয়াশীল প্ৰিয়ভাজন হৈ জ্ঞানসমৃদ্ধ সীমাত উপৰিষ্ট হোৱাৰ আশাবাদত বন্দী। বিশেষকৈ কবিতাৰ প্ৰতি থকা আসক্তিয়েও লেখকক ভাৰাক্ৰান্ত কৰিছে। সেয়ে বিনন্দিৰাম দাসে ভিন্ন স্বাদৰ প্ৰৱন্ধৰ লগতে 'প্ৰখ্যাত কবি, সুৰকাৰ আৰু গীতিকাৰৰ কবিতা আৰু সুৰত বন্দী 'বিন্দু' শীৰ্ষক আলোকপাতমূলক প্ৰৱন্ধত কাব্যিক ব্যঞ্জনা তথা পংক্তিযুক্ত সমাহাৰেৰে সৃজনশীল মানসিক ভাৱানুভূতিৰে ক্ৰিয়াশীল সৌন্দৰ্য উপস্থাপন কৰিছে। য'ত স্বদেশ, স্বজাতি, স্ব-ভাষা, ঐতিহাসিক কলুষিত এন্ধাৰেৰে গ্ৰাস কৰিব বিচৰা দূৰভিসন্ধিৰ পৰা মুক্ত কৰাৰ আহ্বান বৰ্ণিত কৰা হৈছে। কেৱল বিচাৰিছে বিস্মৃতিৰ অতল কুৰুঙত প্ৰতিটো নিজসত্তাৰ পুনৰাৱিষ্কাৰ, আত্মভীক্ষণৰ জ্যোতিৰে আলোকিত হ'ব পৰা জীৱন-পথ-ব্যক্তি আৰু জাতীয় ঐতিহ্য। মায়া, ৰাগ, মল, কাম, দ্বেষমুক্ত ভাৱনাৰ পৰা মুক্ত হৈ ন ন শিশু-কিশোৰক সৎ চিন্তা আৰু প্ৰেমানন্দৰে আকৰ্ষিত কৰি মানুহ হোৱাৰ দৰ্শনত ব্ৰতী কৰাব লাগিব বুলি লেখকে গ্ৰন্থখনৰ প্ৰৱন্ধত দৃষ্টিপাট কৰিছে। তেওঁ 'এটা শিশুৱে হ'ল প্ৰকৃতাৰ্থত এজন মানুহৰ প্ৰকৃত পিতৃ' ৱৰ্ডছৱৰ্থে কোৱা এই কথাষাৰেৰে শিশুৰ ভৱিষ্যৎ নিৰ্ণয় পথৰ সন্ধান দিবলৈ প্ৰয়াস কৰিছে।

**অসমলৈ বিদেশী প্ৰব্ৰজন - নেহৰুৰ পৰা মোদীলৈ**
**লেখক - জীতেন্দ্ৰ কুমাৰ চৌধুৰী**
**প্ৰকাশক - অসম বুক হাইভ**

'পৰিৱৰ্তনৰ শ্ল'গানেৰে ৰাজ্যৰ শাসনভাৰ ল'লে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰে। কিন্তু বিজেপি নেতৃত্বাধীন মিত্ৰজোটৰ শাসনত ৰাজ্যবাসীয়ে পৰিৱৰ্তনৰ বিপৰীতে পালে অবৈধ নাগৰিকক জনোৱা আমন্ত্ৰণ।' 'আই এম ডি টি আইন বাতিলৰ সময়তে অবৈধ প্ৰব্ৰজনে ৰাজ্যৰ আভ্যন্তৰীণ সুৰক্ষাৰ প্ৰতি ভাবুকি কঢ়িওৱাৰ প্ৰতি উচ্চতম ন্যায়ালয়ে স্পষ্টভাৱে উল্লেখ কৰিছে। অবৈধ নাগৰিকৰ প্ৰব্ৰজনৰ ভয়াবহতা সকলোৱে জানে। শেহতীয়া বিধানসভা নিৰ্বাচনত পৰিৱৰ্তনৰ জৰিয়তে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিব বুলি বিজেপি আৰু ইয়াৰ মিত্ৰদল অগপ-বি পি এফে শ্ল'গান দিয়ে। সেয়ে ৰাইজে হিলডোল ভাঙি ভোট দিলে। চৰকাৰ গঠন হ'ল। কিন্তু ৰাইজে এতিয়া পৰিৱৰ্তনৰ নামত পালে অবৈধ নাগৰিকক জনোৱা আমন্ত্ৰণ' ঐতিহাসিক অসম আন্দোলনৰ পটভূমিত সম্পাদিত অসম চুক্তি অনুসৰি ১৯৭১ ৰ ২৪ মাৰ্চৰ মাজ নিশা ১২ বজাৰ পাছত অহা কোনো অবৈধ নাগৰিকৰে নাগৰিকত্ব মানি লোৱা নহয়। এই কথা অসম চুক্তিত স্পষ্টভাৱে উল্লেখ থকাৰ পাছতো ২০১৬ ৰ নাগৰিকত্ব আইন সংশোধনী বিধেয়কৰ জৰিয়তে ১৯৭১ ৰ ২৪ মাৰ্চৰ মাজনিশা ১২ বজাৰ পাছত বাংলাদেশৰ পৰা অহা হিন্দু বঙালীক নাগৰিকত্ব প্ৰদান কৰিব বিচৰা হৈছে। এয়া অবৈধ নাগৰিকক আমন্ত্ৰণ নহে কি?

দেশৰ প্ৰধানমন্ত্ৰী প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে শৰণাৰ্থীৰ বাবে অসমত মাটি বিচাৰিছিল। তেতিয়াৰ অসমৰ প্ৰধানমন্ত্ৰী (মুখ্যমন্ত্ৰী) গোপীনাথ বৰদলৈয়ে মাটি দিবলৈ অস্বীকাৰ কৰাত নেহৰুৱে বিত্তীয় অনুদান বন্ধ কৰাৰো ভাবুকি দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। অনুৰূপ ধৰণে ১৯৫০ ত গৃহমন্ত্ৰীৰ দায়িত্বত থকা চৰ্দাৰ বল্লভ ভাই পেটেলেও তেতিয়াৰ অসমৰ ৰাজহ মন্ত্ৰী বিষ্ণুৰাম মেধিক সাক্ষাতৰ বাবে তেতিয়াৰ কেন্দ্ৰীয় পুনঃসংস্থাপন মন্ত্ৰী অজিত প্ৰসাদ জৈনক প্ৰেৰণ কৰিছিল। বিষ্ণুৰাম মেধিয়েও এই ক্ষেত্ৰত আপোচ নকৰাত চৰ্দাৰ বল্লভ ভাই পেটেলেও ভাবুকি দিছিল গোপীনাথ বৰদলৈক। কেন্দ্ৰত ৰাজনৈতিক পৰিৱৰ্তন হ'লেও অসমৰ প্ৰতি দৃষ্টি সলনি নহ'ল। সেয়ে আজিও একোটা সমস্যাৰ সমাধানৰ দাবীত আন্দোলন অব্যাহত ৰাখিবলগীয়া হৈছে। 'প্ৰজন্মৰ পাছত প্ৰজন্মই অবৈধ নাগৰিকৰ সমস্যাক লৈ আন্দোলন কৰাটো নিবিচাৰো। ইয়াৰ সমাধান লাগে। দেশৰ পশ্চিম প্ৰান্তৰ দৰে ভাৰত-বাংলা সীমান্ত ছীল কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ নিমাত। সেয়ে ২৬৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্তৰ কাইটীয়া তাঁৰৰ বেৰ আজিও সম্পূৰ্ণ নহ'ল। প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোডী নেতৃত্বাধীন চৰকাৰে এই পৰ্যন্ত বাংলাদেশৰে ২৯খন চুক্তি সম্পাদন কৰিলে অথচ আজি পৰ্যন্ত বন্দী প্ৰত্যৰ্পণৰ চুক্তি সম্পাদন নকৰাটো বৰ্তমান ৰাজনৈতিক অবিচাৰৰ অন্যতম উদাহৰণ।

**দৈনিক অসমঃ**

**গেলিলিও গেলিলি**
**লেখক - অক্ষয় কুমাৰ মিশ্ৰ**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিছিং**

**হেমাংগ বিশ্বাস**
**লেখক - ৰাজু বৰুৱা**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিছিং**

**ফণী শৰ্মা**
**লেখক - দিলীপ কুমাৰ বৰুৱা**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিছিং**

**সাংস্কৃতিক নগৰী তেজপুৰ**
**লেখক - দিলীপ কুমাৰ বৰুৱা**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিছিং**

**অসম সাহিত্য সভাৰ প্ৰথম সভাপতি পদ্মনাথ গোহাঞি বৰুৱা**
**লেখক - নবীন চন্দ্ৰ লহকৰ**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিছিং**

**(০৬/০৭/২০১৮)**
**সংবাদসূৰ্য্য কীৰ্তিনাথ হাজৰিকা**
**লেখক - কুমুদ চন্দ্ৰ ডেকা**
**প্ৰকাশক - আইকণ সাহিত্য ন্যাস, ৰাজগড়, গুৱাহাটী**
**আলোচক - অকিলৰঞ্জন ভট্ট**

স্বকীয় কীৰ্তিৰে অসমৰ সাহিত্য আৰু সংবাদ জগতত কীৰ্তিনাথ হাজৰিকাই নিজৰ নাম সোণোৱালী আখৰেৰে লিখি থৈ গৈছে। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ অন্যতম মানস সন্তান, অসমৰ নিঃস্বাৰ্থ প্ৰহৰী ‘দৈনিক অসম’ৰ প্ৰতিষ্ঠাপক আৰু অতি সুযোগ্য সম্পাদক কীৰ্তিনাথ হাজৰিকাৰ জন্ম ১৯২৫ চনত। তেওঁ বৰ্ণাঢ্য জীৱনৰ মহাযাত্ৰা সামৰে ২০০২ চনত। অসমৰ সংবাদ ক্ষেত্ৰৰ মহীৰূহ হাজৰিকাৰ জীৱন আৰু কৃতি সম্পৰ্কত যেনে চৰ্চা হ’ব লাগিছিল সেয়া আজি পৰ্যন্ত যথাৰ্থভাৱে হোৱা বুলিব নোৱাৰি। প্ৰতিভাধৰ

সাংবাদিকগৰাকীৰ কৰ্মজীৱন সামৰি এখনি পূৰ্ণ পৰ্যায়ৰ জীৱনী প্ৰকাশ নোহোৱাটো জাতীয় জীৱনৰ বাবে পৰিতাপৰ বিষয়। অৱশ্যে ১৯৮৮ চনত অসম সাহিত্য সভাৰ তদানীন্তন প্ৰধান সম্পাদক সতীশ চন্দ্ৰ চৌধুৰীয়ে অভিনন্দনসূচক এখন পুস্তিকা প্ৰকাশ কৰাৰ লগতে হাজৰিকাৰ পুত্ৰ অঞ্জন হাজৰিকাই আন এখন জীৱনী প্ৰকাশ কৰি উলিয়াইছে। হাজৰিকাৰ মৃত্যুৰ পিছতে কুমুদ চন্দ্ৰ ডেকাৰ সম্পাদনাত ট্ৰিবিউন প্ৰতিষ্ঠানৰ সহযোগত এখন চমু জীৱনী ২০০২ চনত প্ৰকাশ পাইছিল যদিও সেইখনো সম্প্ৰতি দুস্প্ৰাপ্য হৈ পৰাত সেই গ্ৰন্থখনে ন-ৰূপত বৰ্তমান প্ৰকাশ কৰা হৈছে।

মুঠ একৈশগৰাকী লেখকৰ লেখা সন্নিৱিষ্ট হৈছে। লেখকসকল হ'ল ক্ৰমে ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, ডঃ নগেন শইকীয়া, কনকসেন ডেকা, ৰাধিকামোহন ভাগৱতী, শশী শৰ্মা, পাচুগোপাল বৰুৱা, উপেন্দ্ৰ নাথ শৰ্মা, ডঃ ভৃগুমোহন গোস্বামী, খনীন্দ্ৰ চন্দ্ৰ দাস, কুমুদ চন্দ্ৰ ডেকা, ডঃ অৰুণ চন্দ্ৰ ভূঞা, কুমুদ গোস্বামী, ঘুণীন ৰাজখোৱা, কনক চন্দ্ৰ ডেকা হীৰেন মেধি, নৰেন্দ্ৰ নাথ শৰ্মা, বীৰেন্দ্ৰ কুমাৰ লহকৰ, ডাঃ লোহিত চন্দ্ৰ দাস, ডাঃ দীপালি দত্ত, দেৱলা হাজৰিকা আৰু দুৰ্বা চৌধুৰী। গ্ৰন্থখনিত কীৰ্তিনাথ হাজৰিকাৰ 'দৈনিক অসম'ৰ প্ৰথম সম্পাদকীয়কে ধৰি কেইটামান বিশেষ লেখা সংযোজিত হৈছে। গ্ৰন্থখনিত সন্নিৱিষ্ট কৰা প্ৰত্যেকটো লেখা যথেষ্ট মানসম্পন্ন। গ্ৰন্থৰ বিষয়ৰ লগত লেখকসকলৰ ঘনিষ্ঠ সান্নিধ্য হেতু লেখাসমূহত গভীৰতা বিৰাজমান। লেখাসমূহে কম পৰিসৰতে হাজৰিকাৰ জীৱন আৰু কৃতীক আলোক উজ্জ্বল ৰূপত তুলি ধৰিবলৈ সক্ষম হৈছে। প্ৰথিতযশা লেখক ডঃ নগেন শইকীয়াই তেওঁৰ লেখাত কীৰ্তিনাথ হাজৰিকাৰ দৃঢ়তাৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে- 'কীৰ্তিনাথ হাজৰিকা নীতিত এনেভাবে অটল আৰু স্থিৰ আছিল যে কোনেও 'দৈনিক অসম'ক নিজৰ স্থিতিৰপৰা এচুলিও ইফাল-সিফাল কৰিব নোৱাৰিছিল।' সম্পাদক কীৰ্তিনাথ হাজৰিকাৰ সম্পৰ্কত এই বাক্যই যথেষ্ট বুলিব পাৰি। আনহাতে, সেইজন সম্পাদকৰ অন্তৰখন কেনে, তাক বুজিবলৈ প্ৰখ্যাত সাংবাদিক কনকসেন ডেকাৰ এটা বাক্যই আকৌ যথেষ্ট। ডেকাই লিখিছে- '১৯৮৩ চনৰ নেলীৰ হত্যাযজ্ঞত আমিও অত্যন্ত বেদনা অনুভৱ কৰি তেওঁৰ সৈতে কথা পাতোতে কৈছিল যে নেলীক ধৰি বিভিন্ন ঠাইৰ হিংসাত্মক কাৰ্যকলাপৰ হেতুকে তেওঁ এসপ্তাহ ধৰি ভাত খাব পৰা নাছিল।' গল্পকাৰ সমালোচক কুমুদ গোস্বামী (প্ৰয়াত)-এ কীৰ্তিনাথ হাজৰিকাই প্ৰাপ্য চৰ্চা নোপোৱাত এনেদৰে লিখিছে- 'আজি সাংবাদিকসকলে কৈছে কীৰ্তিনাথ হাজৰিকা অসমীয়া সংবাদ জগতৰ 'দিকপাল' আৰু 'মহীৰূহ'; কিন্তু এই শব্দ দুটাৰ অৰ্থ আৰু বিশ্লেষণ কৰিবলৈ কোনোবাই চেষ্টা কৰিছেনে?... এনেকুৱা এগৰাকী সাংবাদিকৰ প্ৰয়াণত আমাৰ কাকতবোৰে যিখিনি কৰিছে সেইখিনি যথেষ্ট নহয় যেন লাগিছে।' সু-সম্পাদিত গ্ৰন্তখনিত হাজৰিকাৰ জীৱনপঞ্জীও প্ৰকাশ কৰা হৈছে। গ্ৰন্থৰ ছপা-বন্ধ ভালেই, মাত্ৰ দুই-এটা ছপা-ভুল থাকি গৈছে। নিষ্ঠাৱান সাহিত্যিক কুমদ চন্দ্ৰ ডেকাই শ্ৰম কৰি 'সংবাদসূৰ্য কীৰ্তিনাথ হাজৰিকা' পাঠকৰ হাতত তুলি দি এটা জাতীয় দায়িত্ব পালন কৰি ধন্য হৈছে। আগন্তুক দিনত কীৰ্তিমান সাংবাদিক কীৰ্তিনাথ হাজৰিকাৰ জীৱন আৰু কৰ্মক সামৰি সচিত্ৰ গ্ৰন্থ এখন প্ৰকাশ হ'লে ভাল হ'ব।

**নীলা আকাশত দীপাৱলী**
**লেখিকা- পূৰবী বৰুৱা**
**আলোচক- বিনন্দিৰাম দাস (৯৪০১২৫০০১২)**
**প্ৰকাশক- সত্যম পাব্লিকেশ্যন, গুৱাহাটী**

'নীলা আকাশত দীপাৱলী' দৰাচলতে সাম্প্ৰতিক অসমৰ দুই বিৰল প্ৰতিভাৰ ব্যতিক্ৰমী দাম্পত্য জীৱনৰ ওপৰত ৰচিত এখন তথ্য-সমৃদ্ধ অভিনৱ গ্ৰন্থ। প্ৰবীণ সাহিত্যিক তথা ভাষাবিজ্ঞানী প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ পাতনিৰ লেখিয়া শুভ কামনাই আৰু বিশিষ্ট সাহিত্যিক পেন্সনাৰ বিমল কুমাৰ হাজৰিকাৰ বুদ্ধিদীপ্ত আগকথাই গ্ৰন্থখনক অৰ্থৱহ মাত্ৰা প্ৰদান কৰিছে।

‘নীলা আকাশত দীপাৱলী’ৰ নায়ক হ’ল ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ জেষ্ঠ পুত্ৰ, প্ৰসিদ্ধ চিত্ৰশিল্পী নীলপৱন বৰুৱা আৰু নায়িকা হ’ল দীপালী বৰঠাকুৰ। অসমৰ দুই প্ৰখ্যাত পৰিয়ালৰ দুই প্ৰখ্যাত শিল্পীৰ বিৰল দাম্পত্য জীৱনক লৈ লেখিকা পূৰবী বৰুৱাই লিখা ‘নীলা আকাশত দীপাৱলী’ পঢ়ি মোৰ আমিৰিকাৰ বিখ্যাত মনোবিজ্ঞানী অ’ৰ্ছন স্কুইয়াৰ ফাউলাৰৰ এষাৰ বিখ্যাত বাক্যলৈ মনত পৰিছে। তেওঁ লিখিছে– ‘The best teachers of humanity are the lives of great men’ অৰ্থাৎ ‘মানবতাৰ উত্তম প্ৰবক্তাগণ হ’ল মহৎ মানুহৰ জীৱনবোৰ ।’ কেৱল মহৎ হৃদয়ৰ মানুহবোৰেহে তেওঁলকৰ সঁচা জীৱনৰ আদৰ্শেৰে মানৱতাৰ জয়গান গাই ফুৰে। বহেমীয়ান জীৱন চৰ্যাত অভ্যস্ত মানৱতাবাদী চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ দৰে মানুহেহে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিৰদিনলৈ কন্ঠ ৰুদ্ধ হোৱা এসময়ৰ অসমৰ কোকিলকন্ঠী দীপালী বৰঠাকুৰৰ দৰে সংগীত শিল্পীক জীৱন সঙ্গিনী ৰূপে গ্ৰহণ কৰি মানবতাক অনন্য মাত্ৰা প্ৰদান কৰিব পাৰে। কেৱল মানৱতাবাদৰ এই দিশটোৱেই নীলপৱন বৰুৱাক চিৰ নমস্য মানৱৰ শাৰীত উপনীত কৰাইছে। এনেবোৰ কাহিনীয়েই আৰ্ভিংষ্টোনৰ ‘জীৱন লালসা’ৰ নায়ক ভিনচেন্ট ভেনগথ আদিৰ দৰে চিত্ৰশিল্পীৰ জীৱনালেখ্যলৈ মনত পেলাই দিয়ে। এমাৰ্চনৰ ভাষাত মহৎ মানুহৰ চুটি জীৱনীহে থাকে, বিস্তৃত বুৰঞ্জী নাথাকে। তেওঁলোকৰ সচাঁ জীৱনচৰ্যাই আৰু বাস্তৱবাদী কাৰ্য-কলাপেই আনৰ বাবে প্ৰেৰণামূলক দৃষ্টান্ত।

সেইদৰে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈও কেৱল সোণালী স্মৃতিক লৈ হেজাৰজন গুণগ্ৰাহীৰ শুভাশিস লৈ, প্ৰিয় স্বামীৰ মৰম-চেনেহৰ অমিয়া পি দীপালী বাইদেৱে জীৱনক কোনো শুভ শাক্তিৰ বৰদান বুলি মানি লৈ জীয়াই থকাৰ যি শুভ কামনাৰ চৰিত্ৰ প্ৰদৰ্শন কৰি আছে– আজি সেয়া জীৱন্ত কিম্বদন্তীলৈ ৰূপান্তৰিত হৈছে।

লেখিকা পূৰবী বৰুৱাই ওচৰ-চুবুৰীয়া হোৱাৰ সৌভাগ্যৰ বাবেই এনে প্ৰশংসনীয় কাৰ্যত অৱতীৰ্ণ হোৱা বুলি আমাৰ মনে ধৰে। বিমল হাজৰিকাৰ ভাষাত গ্ৰন্থখনিক বেছি উপন্যাসোপম কৰাৰ থল আছিল যদিও আমাৰ মতে এনে প্ৰচেষ্টাও কম প্ৰশংসনীয় নহয়। গ্ৰন্থখনিত সমসাময়িক অসমৰ ভৌগলিক, ঐতিহাসিক, পাৰিৱেশিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিবেশৰ প্ৰতিফলন ঘটিছে সন্ঢালনিকৈ। লেখিকাই কষ্ট কৰি বহুত অজানা তথ্যৰো যোগান ধৰি আমাক উপকৃত কৰিছে। পূৰৱী বৰুৱাৰ ‘নীলা আকাশত দীপাৱলী’ৰ প্ৰয়াস আৰু প্ৰচেষ্টাকে নিশ্বয় সহৃদক পাঠকে সঁহাৰি জনাব। আমি আগ্ৰহেৰে বাট চাম কোনোবাই যদি আৰ্ভিংষ্টোনৰ ‘Lust for Life’ৰ দৰে নীলপৱন আৰু দীপালীৰ দৰে শিল্পীৰ জীৱনালেখ্যক অসমীয়াত পূৰ্ণ পৰ্যায়ৰ উপন্যাসৰ ৰূপ দিব পাৰে। ভৱিষ্যতৰ গৱেষকৰ বাবে ই এখন সহায়কাৰী গ্ৰন্থৰূপে নিশ্চিতভাৱে উপযোগী হব।

**নাজিতৰা তুমি ইমান ধুনীয়া**
**লেখক - নিপজ্যোতি মেধি**
**প্ৰকাশক - গিৰিজা মেধি, কাজিপাৰা, নলবাৰী**
**আলোচক - পূৰৱী বৰুৱা**

সাংবাদিক, জীৱনীকাৰ নিপজ্যোতি মেধি কবিতাৰো নীৰৱ সাধক। ‘গৰখীয়াৰ বাঁহীৰ মাত’ কবিতা পুথিখনেৰে আত্মপ্ৰকাশ কৰা কবিগৰাকীৰ গ্ৰন্থখনত সংকলিত হৈছে ভিন্ন সময়ত ৰচনা কৰা ৬০ টা কবিতা।

কবিতা হ’ল কবিৰ অনুভৱৰ ব্যঞ্জনাদীপ্ত বাণীৰূপ। কবিয়ে নিজৰ লগতে আনৰো আপোন অনুভূতিৰ ছবি অংকন কৰিব পাৰে। নিপজ্যোতি মেধিৰ কবিতাত মানুহৰ সুখ-দুখ, আশা-আগ্ৰহ, বেদনা-বিপন্নতাই স্থান পাইছে এটা ব্যক্তিমনৰ মাজেদি। এই ব্যক্তিমন কবি নিজে নহ’বও পাৰে, কবিৰদ্বাৰা সৃষ্ট এক কবিত্বপূৰ্ণ সত্তাও হ’ব পাৰে আৰু এই সত্তাই কৈছে– প্ৰেম ভালপোৱাৰ কথা, প্ৰকৃতিৰ কথা। কোনো জটিল নিৰ্মাণ কৌশলৰদ্বাৰা নিয়ন্ত্ৰিত হোৱা নাই তেওঁৰ কবিতা। এক কথাত, ৰোমান্টিক কবিতাৰ দৰেই সৰল এই কবিতাসমূহ। আধুনিকতাবাদী দুৰ্বোধ্যতাৰপৰা মুক্ত তেওঁৰ কবিতা।

সংকলনটিৰ প্ৰথম কবিতাটোৱেই হ'ল 'নাজিতৰা তুমি ইমান ধুনীয়া'। এইটো এটা প্ৰেমৰ কবিতা। প্ৰেমৰ লগতে বিচ্ছেদৰ সম্ভাৱনাই কবিৰ হৃদয়ত ক্ৰিয়া কৰিছে যদিও নিজকে নিয়ন্ত্ৰণ কৰি কৈছে– 'এই জনমত নিজৰ কৰি ল'ব নোৱাৰিলেও অহা জনমত তোমাৰে হ'ম মই মৰমৰ নাজিতৰা...'।

আন এটি প্ৰেমৰ কবিতা 'মোৰ হৃদয়ে তোমাক বিচাৰে'ত আকৌ বিচ্ছেদৰ যন্ত্ৰণাই কবিক অস্থিৰ কৰি তুলিছে আৰু কৈছে কবিয়ে– 'তোমাৰ মৃত্যুৰ লগে লগে/ শেষ হৈ গ'ল মোৰ প্ৰতিটো স্বপ্ন/ হেৰাই গ'ল কল্পনাৰ মৰুভূমিত দিয়া/ মোৰ প্ৰতিটো পদচিহ্ন।'

'গৰখীয়াৰ বাঁহীৰ মাত', 'গাই যাম মই প্ৰেমৰ এটি গান', 'জোক', 'যন্ত্ৰৰ ৰত্ন আৰু অলপ কিবা', 'ধৰ্ষণ', 'বেশ্যা' আদি কবিতাৰ জৰিয়তে তেওঁৰ সমাজ সচেতন মনৰ পৰিচয় পোৱা যায়। 'বেশ্যা' কবিতাটিত তেওঁ মনৰ ভাব প্ৰকাল কৰি কৈছে– 'সমাজত ভদ্ৰতাৰ মুখা পিন্ধা মানুহে/ এন্ধাৰৰ আঁৰ লৈ অসহায় আৰু কু চৰিত্ৰ নাৰীৰ সৈতে/ আদিম প্ৰেমৰ অনুশীলন কৰে।'

'নাজিতৰা তুমি ইমান ধুনীয়া' গ্ৰন্থখনত সংকলিত 'অতীতৰ স্মৃতি', 'আই তই দুখ নকৰিবি', 'তেওঁ যোৱা বাটেদি' আদি কবিতাৰ জৰিয়তে প্ৰকাশ পাইছে তেওঁৰ পিতৃৰ প্ৰতি থকা প্ৰেম-মাতৃৰ প্ৰতি থকা প্ৰেম- 'সেইদিনাৰেপৰা হৃদয়ৰ অসুখ/ যিদিনা সৰাপাতবোৰ মৰমৰাই/ গুচি গৈছিল তেওঁ/ হালধীয়া বাটেদি/ সেই দিন ধৰি/ জ্বলাই নাই আখলৰ চাকি/ পতা নাই হিৰন্ময় উৎসৱ/ তেওঁ যোৱা বাটেদি/ মই গৈ আছোঁ তেওঁক বিচাৰি।' (তেওঁ যোৱা বাটেদি)।

প্ৰকৃতিৰ প্ৰতি থকা প্ৰেমো প্ৰকাশ পাইছে তেওঁৰ কবিতাত। 'কেতেকী' কবিতাত কৈছে– 'মোৰ প্ৰাণৰ কেতেকী/ অফুটা সংগীতৰ মাতৰ ৰসভৰা/ উৰি ফুৰো উলাহ আনন্দমনে/ ডালে ডালে পৰি/ পৰ্বত-পাহাৰ হাবি-বননি/ ভূলালা কানন তুমি।' আনহাতে, 'প্ৰকৃতি' কবিতাটিত কবিয়ে সুধিছে– 'আছে নেকি কোনোবা এনে/ চক্ৰৱৰ্তী ৰজা/ যি জয় কৰিব পাৰে প্ৰকৃতিক/ যি প্ৰজাক দিব পাৰে/ প্ৰকৃতিৰ দৰে মানৱৰ মৌলিক প্ৰয়োজনসমূহ।'

আকৌ, 'আহিবা এদিন' কবিতাটোত সপোন ভাগি চুৰমাৰ হৈ যোৱাৰ পিছতো কবিয়ে কামনা কৰিছে শাৰদীয় পূৰ্ণিমাৰ জোনে পোহৰাই তোলা এখন পৃথিৱীৰ। শৈশৱৰ গাঁওখনৰ প্ৰতি থকা প্ৰেমৰ বাবেই সৃষ্টি হৈছে 'শিয়ালমাৰীতে মোক পাব' নামৰ কবিতাটো। 'মাজনিশা বাৰ বজাত হ'লেও মোক/ শিয়ালমাৰীৰ খবৰ আপোনালোকে দিয়ে যেন/ এয়ে মোৰ আপোনালোকলৈ অনুৰোধ।'

যুগে যুগে মানুহৰ কাব্যানুভূতি প্ৰকাশৰ ৰূপ সলনি হৈ আহিছে। আধুনিক কালত মানুহৰ পূৰ্বৰ যি জীৱনবোধ আছিল সেই জীৱনবোধৰ ঠাইত গঢ় লৈ উঠিল নতুন জীৱনবোধ। মানুহৰ দৈনিক জীৱনযাত্ৰাৰ প্ৰণালীও ক্ৰমশঃ জটিল আৰু যান্ত্ৰিক হৈ আহিল আৰু কবিতাতো পৰিল তাৰ প্ৰভাৱ। 'নাজিতৰা তুমি ইমান ধুনীয়া'ত সংকলিতা কবিতাসমূহৰ মাজেদি পিছে আমি নিপজ্যোতি মেধিৰ সহজ-সৰল জীৱনবোধৰহে উমান পাওঁ। ভাব, বিষয়, ৰূপ আৰু ৰস- এই সকলো দিশতে তেওঁ সেই সৰলতাৰ পৰা আঁতৰি নাহি বিচৰণ কৰিছে কবিতাৰ ক্ষেত্ৰখনত। সেয়ে তেওঁৰ কবিতা সাধাৰণ পাঠকৰ বাবে সহজ বোধগম্য।

**ডায়েৰীৰ পাতত হেৰাই যোৱা মানুহজন**
**লেখিকা - কল্পনা শৰ্মা**
**প্ৰকাশক - ডাঃ বিকাশ শাণ্ডিল্য, জ্যোতি নগৰ, গুৱাহাটী**
**আলোচক - প্ৰমো ভট্টাচাৰ্য**

ডায়েৰীৰ পাতৰপৰা অতীতৰ ঘটনা, দিন, বাৰ, সময় আদি জানিব পাৰি। ডায়েৰীক সমল হিচাপে লৈ সাহিত্যৰ সৃষ্টি হ'ব পাৰে। বিশ্বত বহু উৎকৃষ্ট গ্ৰন্থ ডায়েৰীৰ সমলৰপৰা ৰচিত হৈছে।

‘ডায়েৰীৰ পাতত হেৰাই যোৱা মানুহজন’ শীৰ্ষক গ্ৰন্থখনো লেখিকা কল্পনা শৰ্মাই তেওঁৰ প্ৰয়াত স্বামী ৰাসেন্দ্ৰনাথ শৰ্মাৰ ডায়েৰীক সমল হিচাপে লৈ ৰচনা কৰিছে। ইতিপূৰ্বে তেও তিনিখন গ্ৰন্থ প্ৰকাশ কৰি লেখিকা হিচাপে সমাজত পৰিচিত। এটা ডাঙৰ যৌথ পৰিয়াল বিভিন্ন সমস্যাৰ মাজেদি কিদৰে শিক্ষা লাভ কৰি বন বিভাগত ৰেঞ্জাৰ হিচাপে যোগদান কৰি ডি এফ অ’ হিচাপে অৱসৰ লোৱা সময়লৈ চৰকাৰী কামৰ সমান্তৰালকৈ ঘৰখনৰ কাম আৰু বংশ পৰিয়ালৰ বাৰেবুৰি সমস্যা সমাধানত অৰিহণা যোগাইছিল, তাৰ এটা থূলমূল প্ৰকাশ পাইছে গ্ৰন্থখনৰ মাজেদি। চাকৰি কালত ৰাজনৈতিক নেতা বা উচ্চ পৰ্যায়ৰ বিষয়াক তৈলমৰ্দন নকৰি কৰ্তব্য পালনত ব্ৰতী হৈ চাকৰি জীৱন অতিবাহিত কৰা কথাও প্ৰকাশ পাইছে।

আগৰ কালত বন বিভাগত চাকৰি কৰাটো কষ্টকৰ আছিল। যাতায়াতৰ অসুবিধা, ম’বাইল ফোন নাছিল, বন্যজন্তুৰ ভয়াৱহতা, প্ৰাকৃতিক দুৰ্যোগ আদিৰ লগতে প্ৰায়েই জনবসতিৰপৰা দূৰত থাকিবলগীয়া হোৱাও আছিল আমনিদায়ক। গাড়ী-মটৰৰ সলনি হাতীত উঠিও বিভিন্ন কাম সম্পাদন কৰিব লাগিছিল। কেতিয়াবা দুৰ্যোগে দেখা দিছিল। ডায়েৰীৰ পাতত প্ৰকাশ যে সোঁৱণশিৰি ৰিজাৰ্ভ ফৰেষ্টৰ সীমাৰ জৰীপত হাতীৰ পিঠিত উঠি দুৰ্গম ঠাইৰ মাজেৰে যাওঁতে হাতীটো পিটনিত নমাত শৰ্মাই হাতীৰ পিঠিৰপৰা দ পানীত পৰি যায় আৰু কোনো মতে শেলুৰৈ ধৰি পিছল হোৱা মৃত গছ এডালক আশ্ৰয় কৰি ৰক্ষা পৰে। ইতিমধ্যে মাউত আৰু অন্যান্য লোকৰ মাজত এন্ধাৰৰ বাবে সংযোগবিহীন অৱস্থাৰ দৰে হৈছিল। হাতী থালত পৰাত বন বিভাগৰ বন্দুকটোও পানীত পৰি গৈছিল আৰু মাউতে আটাইকে চিঞৰি মতাত সকলো একগোট হয় আৰু বন্দুকটোও বিচাৰি পায়। আজিও চোৰাং চিকাৰী, চোৰাংকৈ গছ কটা আদি লোকৰ বাবে বন বিভাগৰ চাকৰি বহু সময়ত দুৰ্যোগপূৰ্ণ হৈ পৰে।

প্ৰাক্ স্বাধীনতা কালত গুৱাহাটীৰ মাটিৰ দাম কেনেকুৱা কম আছিল সেই বিষয়ে প্ৰয়াত ৰাসেন্দ্ৰ শৰ্মাৰ ডায়েৰীত প্ৰকাশ পাইছে। দেউতাকৰ মুখে শুনা মতে তাহানিৰ গুৱাহাটী বিশিষ্ট নাগৰিক কামাখ্যাৰাম বৰুৱাই শৰ্মাৰ দেউতাকক ভাল পাই গুৱাহাটীত বিনামূলীয়াকৈ এবিঘা ম্যাদী মাটি যাঁচিছিল কিন্তু খাজনা ভৰিবৰ ভয়তে শৰ্মাৰ দেউতাকে সেই মাটি লোৱা নাছিল। তেনেকুৱা কাহিনী আৰু বহুত বৃদ্ধ লোকৰপৰাও শুনা যায়। এনেকুৱাকৈ লোৱা মাটিৰ দাম আজি কঠাত এক কোটি টকা!

এটা ডাঙৰ যৌথ পৰিয়ালত একবিংশ শতিকাৰ দুই-তৃতীয়াংশ কাললৈ কিদৰে সদস্যসকলে সমিলমিলেৰে চলি শিক্ষা-দিক্ষা, ব্যৱসায়-বাণিজ্য আদিৰ ক্ষেত্ৰত সংস্থান লাভ কৰিছিল আৰু এজনক মুৰব্বীৰ দৰে আচৰণ কৰিছিল, এইবিলাক কথাও ডায়েৰীৰ পাতৰপৰা উদ্ধৃত কৰি ‘ডায়েৰীৰ পাতত হেৰাই যোৱা মানুহজন’ গ্ৰন্থত সন্নিৱিষ্ট কৰা হৈছে। তীৰ্থযাত্ৰা ভ্ৰমণ আদিৰ কথাও গ্ৰন্থখনত প্ৰকাশ পাইছে। ভাবিলে মনত আনন্দ লাগে যে এসময়ত শৰ্মাৰ দাদাক যতীন শৰ্মাই দৰমহাৰ সমূদায় ধন ঘৰতে থকা বিধৱা বায়েকৰ হাতত জমা থৈছিল আৰু প্ৰয়োজন বোধে খুজি নিহে ঘৰুৱা কামত খৰচ কৰিছিল! অজিকালিৰ সমাজত এনেকুৱা উদাহৰণ পাবলৈ নাই। বহু দুৰ্যোগৰ কথা লেখিকাই ৰাসেন শৰ্মাৰ ডায়েৰীৰ পৰা সংগ্ৰহ কৰি ‘ডায়ৰীৰ পাতত হেৰাই যোৱা মানুহজন’ নামকৰণেৰে স্বামীৰ মৃত্যুৰ এবছৰ পিছত ছপা কৰি উলিয়াইছে।

**অস্তগামী সূৰুযৰ হেঙুলীয়া বৰণ**
**লেখক - কুসুম কলিতা**
**প্ৰকাশক - ৰবী কলিতা লহকৰ, জাপৰিগোগ, গুৱাহাটী-৫**
**আলোচক - হীৰেণ উপনস**

দুকুৰিৰো ওপৰ কবিতাৰ এখন সৰু সংকলন। ‘জুই জ্বলিছে’ কবিতাটোৰে কবিয়ে নিজৰ জীৱনৰ সংগ্ৰামৰ কথাকেই প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰি লিখিছে। ধৈৰ্য্য আৰু সাহসৰ প্ৰতীক কবিতাটোত ব্ৰহ্মপুত্ৰৰ মাজত থকা নদী দ্বীপ ঊৰ্বশীৰ যোগেদি কবিয়ে মানুহৰ জীৱন সংগ্ৰামকেই সুন্দৰভাৱে প্ৰতিফলন কৰিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামতে কেইবাটাও কবিতাৰে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধাৰ প্ৰতি প্ৰণিপাত জনাইছে সুকণ্ঠী নামতী কবি কুসুম কলিতাই। শেৱালি ফুলক লৈ ৰচনা কৰা কবিতাটোও অতি সুন্দৰ তথা ভাবদৰ্শী হৈছে। অকালতে মৃত্যু হোৱা চফল যুৱক পুত্ৰৰ প্ৰতি থকা মাতৃস্নেহৰ বৰ্ণনা কৰা কবিতাটো অতি বেদনাগধুৰ আৰু মৰ্মস্পৰ্শী হৈ পৰিছে। অতীত সোঁৱৰণীয়ে মনলৈ আনন্দ নানে, আনে সোনালী অতীত হেৰাই যোৱাৰ অশ্ৰুসিক্ত বেদনা। সেই দুখ-বেদনা প্ৰতিফলন হৈছে ৰোমন্থন নামৰ কবিতাটোত। ইয়াৰ বাহিৰেও কেইবাটাও কবিতাত প্ৰকৃতিৰ বিচিত্ৰ ৰূপ, সৌন্দৰ্য, ঋতু অনুযায়ী প্ৰকৃতিৰ ৰূপান্তৰ তথা সভ্যতা-সংস্কৃতিৰ ৰূপান্তৰৰ ভাব পৰিস্ফুট হৈছে।

**ৰজনীকান্ত নাথ - অভিনন্দন গ্ৰন্থ**
**সম্পাদক - অক্ষয় কুমাৰ নাথ, ৰাম চন্দ্ৰ ডেকা আৰু প্ৰসন্ন কুমাৰ নাথ**
**প্ৰকাশক - ৰজনীকান্ত নাথ গ্ৰন্থ প্ৰস্তুতি সমিতি**
**আলোচক - বিনয় ৰঞ্জন শৰ্মা (৮৬৩৮৩০৭৯০৬)**

একোজন ব্যক্তি একোটা অনুষ্ঠানৰ দৰে। প্ৰত্যেক ব্যক্তি বিশেষৰে একো একোটা বিশেষ গুণ থাকে, যিয়ে সেই ব্যক্তিগৰাকীক সময়ত মহীয়ান কৰি তোলে। তেনে এগৰাকী ব্যক্তি ৰজনীকান্ত নাথ। তেওঁৰ জন্ম ছিপাঝাৰৰ সাতঘৰীয়া গাঁৱৰ পাৰৈপাৰা চুবুৰিত। ৰজনীকান্ত নাথ এগৰাকী নাট্যকাৰ, প্ৰযোজক, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক, বিশিষ্ট সাহিত্যিক, সমাজকৰ্মী তথা এগৰাকী সফল পিতৃ। ছিপাঝাৰ অঞ্চলত তেওঁ অফুৰন্ত কৰ্মশক্তিৰ এগৰাকী আগশাৰীৰ সমাজসেৱী হিচাপে পৰিচিত হৈ আহিছে। তেওঁৰ কৰ্মৰাজি বিশ্লেষণ কৰিবলৈ গুণমুগ্ধ, শুভাকাংক্ষীসকলে তেওঁৰ বৰ্ণাঢ্য জীৱন সম্বলিত এখন অভিনন্দন গ্ৰন্থ প্ৰস্তুত কৰিছে। যোৱা ২৭ মে'ত গ্ৰন্থখন প্ৰকাশ পায়।

ৰজনীকান্ত নাথ এটি অনুষ্ঠানৰ দৰে বুলি ক'ব পাৰি। শিক্ষকতাকে কৰ্মজীৱনৰ পৱিত্ৰ বৃত্তিৰূপে লৈ সুদীৰ্ঘ সময় ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰপৰা বিজ্ঞান শিক্ষক হিচাপে সেৱা আগবঢ়াই পিছলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। শত সহস্ৰজনক প্ৰজ্ঞাৰ জ্যোতিৰে মহীয়ান কৰা ৰজনীকান্ত নাথ কৃতী শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটাৰে উজলি উঠি সফল শৈক্ষিক ক্ষেত্ৰখনৰ পৰিসীমাতে সীমাবদ্ধ নাথাকি সাংসাৰিক. বিভিন্ন সামাজিক অনুষ্ঠানৰ গুৰি ধৰা, আৰ্থ-সামাজিক, সাহিত্য-সংস্কৃতি, ক্ৰিড়া, আধ্যাত্মিক চিন্তা চৰ্চা আদি ক্ষেত্ৰবোৰতো সমানে উদভাসিত হৈ আছে। অধ্যৱসায় আৰু জ্ঞানান্বেষী মানসিকতাৰ বাবে সাধাৰণ কৃষক পৰিয়ালৰপৰা নিজকে প্ৰতিষ্ঠিত কৰি বিশাল ব্যক্তিত্বৰে সমাজ তথা দহৰ উন্নয়নৰ হকে কাম কৰা সমাজসেৱী হিচাপে সমদৃত। জীৱন পৰিক্ৰমাৰ হীৰক জয়ন্তী গৰকা এইজনা শালপ্ৰাংশু ব্যক্তি বৰ্তমান সময়তো চফল ডেকাৰ দৰে সামাজিক কামত আত্মনিয়োগ হৈ থকাটো নৱ প্ৰজন্মৰ বাবে আদৰ্শ আৰু প্ৰেৰণাৰ উৎস।

তেওঁ এগৰাকী কৃতী শিক্ষকেই নহয়- নাট্যকাৰ, পৰিচালক, প্ৰযোজক আৰু অভিনেতা হিচাপেও খ্যাতি অৰ্জন কৰি আহিছে। সেয়ে ১৯৯০ চনৰ ২১ ফেব্ৰুৱাৰীত গৰখুঁটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰূপালী জয়ন্তী মহোৎসৱত ৰাইজে তেওঁক 'নাট্যপ্ৰদীপ' উপাধিৰে বিভূষিত কৰে। তেওঁৰ পূৰ্ণাংগ ছপা নাটকেইখন হৈছে- বুৰঞ্জীমূলক- 'শৰাইঘাট'; সামাজিক- 'ভুলৰ ফুল' আৰু 'স্নেহ বন্যা'; একাংকিকা নাট- 'সিংহাসন'। 'মোৱামৰীয়া বিদ্ৰোহ', 'পৰজা ঐ জৰৌ ৰৌৱা', 'দেওধ্বনি' আন কেইখনমান নাট। অপ্ৰকাশিত একাংকিকা নাট- 'উপলব্ধি'। 'মোৱামৰীয়া বিদ্ৰোহ' নাটকখন ভ্ৰাম্যমাণ নাট্যদল 'অভিযান থিয়েটাৰ' এ মঞ্চস্থ কৰিছিল।

চিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সম্পাদক হিচাপে থাকি মহাবিদ্যালয়খনক স্বীকৃতি প্ৰদান পৰ্যায়লৈ উন্নীত কৰাত তেওঁৰ অৱিহণা অনস্বীকাৰ্য। লেখক হিচাপেও তেওঁ এগৰাকী সু-সাহিত্যিক। বাতৰি কাকত, আলোচনী আদিত তেওঁৰ বহু লেখা ইতিমধ্যে প্ৰকাশ পাইছে। বৰ্তমান তেওঁ ছিপাঝাৰ সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰি আছে। তেওঁৰ বৰ্ণাঢ্য জীৱন সম্বলিত এই অভিনন্দন গ্ৰন্থখনিত এনেবোৰ

কথাই স্থান পাইছে। অসাধৰণ প্ৰতিভা, কৰ্মস্পৃহাই এজন লোকক সমাজখনৰ প্ৰতি থকা, অঞ্চলৰ প্ৰতি থকা গভীৰ দায়বদ্ধতা আৰু সকলোবোৰ গুণেৰে যে অধিকাৰী হ'বলৈ তেওঁ সক্ষম হৈছে সেই কথা এই গ্ৰন্থখনত প্ৰকাশ পাইছে।

**আইৰ আঁচল বুকুত থৈ**
**লেখক- ফুলেশ্বৰ শইকীয়া**
**প্ৰকাশক- নিজমানকটা খনীয়া গাঁও শাখা সাহিত্য সভা, ডিব্ৰুগড়-৩**
**আলোচক- গন্ধেশ্বৰ শইকীয়া (৯৪৩৫৮৭৩৬০২)**

ছাত্ৰ অৱস্থাৰপৰাই সাহিত্য চৰ্চাত মনোনিবেশ কৰি অহা ফুলেশ্বৰ শইকীয়াই সাহিত্যৰ অন্যান্য বিভাগবোৰতকৈ চুটি গল্প ৰচনাত বিশেষভাবে প্ৰাধান্য দি আহিছে। ছাত্ৰাৱস্থাত স্কুল-কলেজ অয়োজন কৰা চুটি গল্প প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা শইকীয়াই এতিয়াও সেইটো দিশত পৰালি দিবলৈ দিয়া নাই। সাম্প্ৰতিক সময়ৰ কেইবাখনো জনপ্ৰিয় কাকতৰ লগতে আলোচনী আৰু স্মৰণিকা আদিতো সঘনে তেওঁৰ কবিতাবোৰ আঁকোৱালি লৈছে। মূলতে এইবোৰকে মূলধন হিচাপে লৈ অ'ত-ত'ত সিঁচৰিত হৈ থকা কবিতাবোৰ একত্ৰ কৰি শইকীয়াই 'আইৰ আঁচল বুকুত থৈ' নামেৰে এখনি কাব্য সংকলন প্ৰকাশ কৰিছে।

উল্লিখিত সংকলনটিত ভিন্ন বিষয়ৰ দুকুৰি কবিতা অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায়কেইটা কবিতাই বিভিন্ন কাকত আলোচনীত পূৰ্বে প্ৰকাশ পাইছে আৰু সেই বিষয়ে যথা স্থানত যথোচিত ৰূপত উল্লেখো কৰিছে। সংকলনত স্থান পোৱা কবিতাবোৰ হ'ল- আইৰ আঁচল বুকুত থৈ, উৰুখা পঁজাৰ গান, অজেয়, বৃত্ত, বৰ্ষাৰ ছবি, সপোনৰ ৰাতিটো, নিয়ৰ সনা পদুলিত শৰৎ অহা আগমনি, অনাহূত বেদনা, বলিশাল, সময়, আই, ঘুৰি আহিম বুলি নক'ৰা আকৌ, পুৱাৰ বতৰা, আই তোমাৰ স্থান চৈতালি বতাহ জাকৰ বিদায় বেলাত, ব'হাগৰ পহিলা দিনত, সূৰ্য উদয় হোৱা দেশত, এজাৰ ফুলা বতৰ, দুঃস্বপ্নৰ পৃথিবী, মনে মোৰ ডেউকা মেলে, আইতাৰ থং, সাঁকো পাৰ হৈ দেখা গাঁওখন, ৰ'দৰ প্ৰতীক্ষাত আছো ৰৈ, ফাগুনত মনৰ বতৰা, এখন নদীৰ দুটি পাৰ, অবান্তৰ প্ৰশ্ন, ব'হাগ তোমাৰ ওপজা দিন, মাহীৰ ঘৰত এদিন, নিঃসহায়, বসন্ত, তুমি আহিবা ধৰাৰ বুকুলৈ, নাহৰ ফুলাৰ বতৰ ব'হাগ, এটি নতুন দিশৰ পাতনি, এই বাতে যাম আগুৱাই, মহৰ্ষি ৰতন তুমি, প্ৰতিচ্ছবি, এদিন মাকণ পেহী আহিছিল, আমন্ত্ৰন তোমালৈ, গধুলিলৈ বেছি পৰ নাই আৰু শেষৰটো হ'ল জুৰণি। সংকলনৰ প্ৰথমটো কবিতা 'আইৰ আঁচল বুকুত থৈ' নামৰ কবিতাটোৰ নামেৰেই কাব্য সংকলনটোৰ নামকৰণ কৰা হৈছে। পাঠক হিচাপে আমি নামটো যথাৰ্থ হৈছে বুলি অনুভৱ কৰিছো। কাৰণ গ্ৰন্থখনিত 'আই' বিষয়ক কেইবাতাও কবিতা সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি মাকৰ প্ৰতি কবিগৰাকীৰ আছে গভীৰ শ্ৰদ্ধা, ভক্তি আৰু চেনেহ। তেওঁ প্ৰথম প্ৰকাশিত কাব্যগ্ৰন্থখনি পৰম আৰাধ্যা মাতৃদেৱীৰ চৰণত উছৰ্গা কৰি ব্যক্ত কৰিছে, 'আই তোমাৰ চৰণ ধুৱাই ৰৈ আছো প্ৰভাতী কিৰণৰ বাবে/ অহাৰ বাটেদিয়েই গুচি গ'লা তুমি/ তুমি সিঁচি যোৱা ফুলৰ পাপৰি লৈ দুহাতেৰে- আমি যাওঁ আগুৱাই। আই, তোমাৰ তোমাৰ চৰণত উছৰ্গা কৰিলো এই কবিতা সংকলনখনি।'

সংকলনটিত স্থান দিয়া কবিতাবোৰৰ বিসয়বস্তুৱে বিচৰা ধৰণেৰে শব্দ বাছনি কৰি কাব্যিক ক্ৰিয়া-কৌশলেৰে সেইবোৰ চয়ন কৰাত কবিয়ে মনোযোগ দিয়াত কোনো ঠাইতে ভাৱ-বস্তুৰ লগত ৰূপবস্তুৰ সংঘাত সৃষ্টি হোৱা নাই বুলি অনুভৱ কৰিছো। আধুনিক কাব্যধাৰাৰ গঠনশৈলীৰ প্ৰতিও কবিগৰাকী সচেতন হোৱাৰ হেতু লয় আৰু ভাবৰ মাজত থাকিবলগীয়া সংহতিতো ব্যাঘাত জন্মা নাই বুলি ক'ব পাৰি। মুঠতে এনে হোৱাৰ ফলতেই কবিতাবোৰ প্ৰাঞ্জল আৰু সাৱলীল হোৱাৰ লগতে নিঃসন্দেহে সুখপাঠ্যও হৈ উঠিছে। গোটাদিয়েক কবিতাৰ বিষয়বস্তু অনুযায়ী ব্যবহাৰ কৰা চিত্ৰকল্প আৰু প্ৰতীক ব্যৱহাৰ অৰ্থৱহ হোৱাত কবিতাকেইটিয়ে লাভ কৰিছে সুকীয়া মাত্ৰা। কবিয়ে ব্যক্তি জীৱনৰ অন্তঃজগত আৰু বহিঃজগত- এই দুয়োখনতে পিটপিটাবলৈ চেষ্টাৰ

ক্ৰুটি কৰা নাই যদিও আন্তঃজগতত প্ৰৱেশ কৰি তাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া; ভাৱ-অনুভূতিবোৰ উদঘাটন কৰিবৰ ববে অধিক সাধনা আৰু চৰ্চাৰ প্ৰয়োজন হ'ব! আশাশুধীয়া প্ৰচেষ্টাৰে ধাৱিত হোৱা কবিগৰাকী সময়ত যে সফল হ'ব ইয়াত সন্দেহ নাই। মন গহনত মচিব নোৱাৰা দাগ কাটিব পৰা পংক্তিৰ সমাহাৰ ঘটিছে গ্ৰন্থখনিৰ পাতে পাতে। নিদৰ্শন- 'শেৱালি ফুলৰ সুৱাস/ উৰি আহে আহিনৰ বতাহৰ স'তে/ আয়ে সুদিনবোৰ তেতিয়াই মনত পেলাই' (আইৰ আঁচল বুকুত থৈ), আকৌ- 'মন প্ৰজ্ঞাৰ দুৱাৰ খুলি/ জীৱনৰ ৰংবোৰ যদি/ হেৰাই যাব খোজে। তেতিয়াই বৃত্তৰ সীমনা এৰি দিয়া/ এখনি উত্তাল খৰস্ৰোতা নদীৰ দৰে' (বৃত্ত)।

**প্ৰশ্ন**
**লেখিকা - ৰুবী লস্কৰ বৰা**
**প্ৰকাশক - পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী**
**আলোচক - ডাঃ অজন্তা দাস (৯৮৬৪০৯৫১৮৯)**

লেখিকা ঘাইকৈ ঐপন্যাসিক, কবি আৰু ভালেমান মননশীল প্ৰৱন্ধৰ ৰচয়িতা। ইতিমধ্যেই বিভিন্ন তথা সম্বলিত কেইবাখনো সমাজ-অধ্যয়নমূলক উপন্যাস ৰচনা কৰি প্ৰতিষ্ঠা লাভ কৰাৰ লগতে ২০১৪-১৫ বৰ্ষত অসম সাহিত্য সভাই বিষ্ণু ৰাভা বঁটাৰেও তেওঁক সন্মানিত কৰিছে। সমাজৰ বাস্তৱ জীৱন, সামাজিক সমস্যা আদি সততে দাঙি ধৰিবলৈ প্ৰয়াস কৰা ৰুমী লস্কৰ বৰাৰ নৱতম উপন্যাস 'প্ৰশ্ন' এখন বৃহৎ কলেৱৰৰ প্ৰেমৰ উপন্যাস। সমাজ বাস্তৱিকতাৰ আলোকত ৰচিত এই উপন্যাসৰ কাহিনীৰ মূল পটভূমি হ'ল সামাজিক গণসংযোগ মাধ্যম বা ইংৰাজীত ছ'চিয়েল মিডিয়া আৰু কাহিনীৰ প্ৰধান ভেটি হ'ল সমাজত প্ৰতিষ্ঠিত দুগৰাকী সম্পূৰ্ণ পৈণত বয়সৰ বিবাহিত পুৰুষ আৰু নাৰীৰ ইন্টাৰনেট আৰু ম'বাইল ফোনৰ জৰিয়তে আৰম্ভ হোৱা ব্যক্তিগত প্ৰেমৰ প্ৰৱাহমান যাত্ৰা। অতি সতৰ্কতাৰে উপন্যাসখন ৰচনাৰ মূল উদ্দেশ্যৰ কথা লেখিকাই উপন্যাসখনৰ ৩১ নং পৃষ্ঠাত উপন্যাসৰ নায়কৰ বক্তব্যৰে এনেদৰে উল্লেখ কৰিছে, 'তুমি এই বছৰতে লাভ এণ্ড এফেয়াৰ্চক বিষয় কৰি এখন উপন্যাস লিখা। বিশেষ কিবা তথ্য পথ্য নাৰাখিবা। বচ আজিৰ সমাজ। প্ৰেম, প্ৰেম হৈ আছেনে? যিয়ে যেনেকৈ কয় কওক। তুমি মুক্ত মনে লিখিবা। সমাজত ঘটি থকাবোৰকে প্ৰতিফলিত কৰিবা। যাতে তাৰ বিচাৰ পাঠকে কৰে।' নিজৰ নিজৰ সংসাৰত থাকিও ক্ৰমাৎ বিচ্ছন্ন হৈ পৰা এহাল পুৰুষ আৰু মহিলাৰ একাকীত্বৰ তাড়নাত ইন্টাৰনেট আৰু ম'বাইল ফোনৰ জৰিয়তে প্ৰথমে আৰম্ভ হোৱা বন্ধুত্ব, একাত্মতা আৰু পিছলৈ পৰিৱৰ্তিত হোৱা প্ৰেমক উপজীব্য কৰি আৰু লগতে আনুষাংগিক অন্যান্য উপ-কাহিনীক সাঙুৰি উপন্যাসৰ কাহিনীভাগ লেখিকাই তেওঁৰ নিজস্ব শৈলীৰে আগুৱাই লৈ গৈছে। উপন্যাসখনৰ মূল কাহিনী এনেধৰণৰ-

ৰক্তিমা শাণ্ডিল্য এগৰাকী প্ৰতিষ্ঠিত লেখিকা। উপন্যাস আৰু কবিতাৰ সৃষ্টিৰে ইতিমধ্যেই ৰক্তিমাই এচাম পাঠকৰ হৃদয় স্পৰ্শ কৰিবলৈ যেনেদৰে সক্ষম হৈছে, ঠিক তেনেদৰে ইন্টাৰনেট জগতৰ ফেচবুকতো আকৰ্ষণ কৰিব পাৰিছে তেওঁৰ গুণমুগ্ধ এচাম বন্ধুক। নৈঋত কুমাৰ তাৰেই মাজৰ এজন। কৰ্মসূত্ৰে মুম্বাইৰ বাসিন্দা নৈঋতে ফেচবুকত প্ৰকাশিত ৰক্তিমাৰ বিভিন্ন কবিতাত সুন্দৰ মন্তব্য দিয়ে। তাইৰ বিভিন্ন পোষ্টসমূহক প্ৰশংসাও কৰে। নৈঋতৰ আছে এখন আউল লগা সংসাৰ। চৰিত্ৰহীনা পত্নী জাহ্নৱীয়ে মিছা অপবাদেৰে দুটি কন্যা সন্তানৰ পিতৃ নৈঋতৰ চৰিত্ৰ হননৰ চেষ্টা কৰে বাবেই নৈঋতে এনেদৰে প্ৰবাসক আঁকোৱালি লৈছে। ফেমিলী ক'ৰ্টত নৈঋত আৰু জাহ্নৱীৰ বিবাহ-বিচ্ছেদৰ মোকৰ্দমা চলি আছে। আনহাতে, একেখন সংসাৰত থাকিও নিৰাসক্ত, নিস্পৃহ পতি হৃষীকেশৰ বাবেই এটি প্ৰাপ্ত-বয়স্ক কন্যা সন্তানৰ মাতৃ ৰক্তিমায়ো এখন ভৰপুৰ সংসাৰত বসবাস কৰিও নিসংগ জীৱন-যাপন কৰে। এনে ক্ষেত্ৰত তাইৰ এজাক বন্ধু-বান্ধৱী বিপাশা, মনীষা, উৎপল, মানৱ, পলাশ আদিৰ সংগই তাইক সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত প্ৰেৰণা যোগায় আৰু সমাজৰ বিভিন্ন সমস্যা আৰু জীৱন দৰ্শনৰো সহায়ক স্বৰূপ হৈ পৰি।

এদিন নৈঋতৰ আগ্ৰহতেই ৰক্তিমা আৰু নৈঋতে ম'বাইল ফোনৰ নম্বৰ আদান-প্ৰদান কৰে আৰু তাৰ পিছতেই হোৱাটছ এপৰ ইলেক্ট্ৰ'নিক বাৰ্তা বা মেছেজৰ জৰিয়তে দুয়ো ক্ৰমাৎ ঘনিষ্ঠ বন্ধু হৈ পৰে। নৈঋতে সঘনাই ৰক্তিমাক ফোন কৰিবলৈকো লয়। 'মামা' বুলি এটি মৰমৰ নামেৰে নামকৰণ কৰি নৈঋত যেন ৰক্তিমাৰ অধিক ওচৰ চাপি যায়। এটা সময়ত এনে এটা পৰিস্থিতিৰ সৃষ্টি হয় যে দৈনন্দিন জীৱনৰ প্ৰতিটো মুহূৰ্ততে ফোন বা মেছেজৰ জৰিয়তে ইজনে সিজনৰ উপস্থিত অপৰিহাৰ্য ৰূপে অনুভৱ কৰিবলৈ লয়। নৈঋত ৰক্তিমাৰ সমূহ সাহিত্য সৃষ্টিত প্ৰেৰণাৰ উৎস হৈ পৰাৰ লগতে তাইৰ একঘেয়ী একাকীত্বৰ জীৱনটোকো জীপাল কৰি তোলে, যাৰ বাবে নতুন উদ্যমেৰে ৰক্তিমাই উপন্যাস ৰচনাত মনোনিৱেশ কৰিবলৈ সক্ষম হৈ পৰে। ৰক্তিমায়ো যেন সঞ্জীৱনী সুধা হৈ নৈঋতক জীৱন-যাপনৰ এটি নতুন অৰ্থ প্ৰদান কৰে। অসমলৈ আহিলে নৈঋতে ৰক্তিমাক লগ ধৰে। দুয়ো মাজে মাজে গাড়ীত উঠি ফুৰিবলৈও যায়। এনেদৰেই তেওঁলোকৰ ঘনিষ্ঠতা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰে। ঠিক যেন জীৱন বৈতৰণিত থাউনি হেৰুওৱা দুটি জীৱনে ইজনে সিজনৰ হাতত ধৰি সুখৰ সন্ধানত আগবাঢ়ে। ৰক্তিমাৰ বন্ধু মহলতো নৈঋতে ক্ৰমাৎ সমাদৰ লাভ কৰে।

এবাৰ গোৱাত অনুষ্ঠিত এখন সাহিত্য সন্মিলনত ভাগ ল'বলৈ যোৱা ৰক্তিমাই ওভতনি পথত মুম্বাইলৈ গৈ নৈঋতৰ ফ্লেটত দুৰাতি কটাই আহে। আৰু তাতেই দুয়োৰে অগোচৰে অংকুৰিত হোৱা প্ৰেমৰ গজালিয়ে বুটবৃক্ষৰ ৰূপ লৈ দুয়োকে আঁকোৱালি লয়। পাৰ ভাঙি অহা উচ্ছ্বল প্ৰেমৰ বন্যাই দুয়োৰে তন-মন এক কৰি তোলে। আচৰিত কথা যে পাপবোধৰ কোনো বিবেকৰ দংশনত ৰক্তিমা ভোগা নাছিল। বাৰে বাৰে মাথো বাধা, কুন্তীৰ দৰে ভাগৱত মহাভাৰতৰ মহীয়সী নাৰী চৰিত্ৰসমূহে ৰক্তিমাৰ মনত তীব্ৰ আত্মবিশ্বাসহে জগাইছিল। মুম্বাইৰপৰা ঘুৰি অহাৰ কেইদিনমান পাছতেই ৰক্তিমাই তাইৰ নতুন উপন্যাসখনৰ বাবে সাহিত্যৰ ৰাষ্ট্ৰীয় বঁটাও লাভ কৰে। এটা সময়ত নৈঋতৰ প্ৰগাঢ় প্ৰেমে ৰক্তিমাক এনে এটা পৰ্যায়লৈ লৈ গ'ল যে তাইৰ বাবে হৃষীকেশৰ লগত একেখন চালৰ তলত বসবাস কৰা অসম্ভৱ যেন লাগি আহিল। সেয়েহে এদিন তাই হৃষীকেশক ক'লে, 'মই লগত থাকিলে তুমি হাঁহি হাঁহি জীয়াই থাকিবা কিন্তু মই? মই মৰি মৰি জীয়াই থাকিম।'

অৱশেষত এদিন ৰক্তিমাই নিজৰ সংসাৰ ত্যাগ কৰি ওলাই আহিল। ৰক্তিমাৰ থকা-মেলাৰ ব্যৱস্থা নৈঋতেই কৰি দিলে। নৈঋতেও সিদ্ধান্ত ল'লে নিজৰ সংসাৰৰ লগত সকলো সিদ্ধান্ত ছেদ কৰি ৰক্তিমাৰ সৈতে নতুনকৈ আকৌ এবাৰ সংসাৰ পাতি জীৱনটোক নতুনকৈ উপলব্ধি কৰাৰ। কিন্তু নৈঋতৰ মনৰ আশা পূৰণ হ'বনে? ৰুমী লস্কৰ বৰাই তেওঁৰে লেখাৰ চতুৰতাৰে এইখিনিতেই কাহিনীৰ মোখনি মাৰি পাঠক সমাজলৈ কেইটিমান প্ৰশ্ন এনেদৰে লিখিছে- পাঠকসকলে বাৰু ৰাধা-শ্যামক পূজা কৰা সত্বেও এনে প্ৰেম সাধাৰণ ব্যক্তিৰ মাজত ঘটিলে ব্যভিচাৰ বুলি কিয় ভাবে? হৃষীকেশৰ সৈতে আইন অনুসৰি বিবাহ-বিচ্ছেদ কৰি ৰক্তিমাই নৈঋতৰ সৈতে এখন নতুন সংসাৰৰ পাতনি মেলিব নে চিৰদিন নৈঋতক অপেক্ষা কৰাই ৰাখিব?

সাম্প্ৰতিক যুগৰ লগত সম্পূৰ্ণ থাপ খুৱাই লিখা উপন্যাসখনত লেখিকা ৰুমী লস্কৰ বৰাই ইন্টাৰনেট, ফেচবুক আদিৰ অন্ধকাৰ দিশটোকো উদঙাই দিবলৈ চেষ্টা কৰি সমৰজিৎ দত্তৰ দৰে চৰিত্ৰৰ সৃষ্টি কৰিছে। সেইদৰে কেন্দ্ৰীয় চৰিত্ৰৰ লগত সাঙুৰ খুৱাই আন নাৰী চৰিত্ৰ কিছুমানৰ সৃষ্টি কৰি লেখিকাই নাৰীবাদী দৃষ্টি-ভংগীৰে ভালেমান সমস্যা পাঠকৰ সন্মুখত দাঙি ধৰাৰ লগতে বৰ্তমানৰ নাৰীসকলকো সাৱধান হ'বলৈ সঁকিয়াই দিছে। নিত্যানন্দৰ দ্বাৰা প্ৰতাৰিত আশা, যাক নিত্যানন্দই ছলনাৰে ৰক্ষিতাৰ দৰে ব্যৱহাৰ কৰি আহিছে, স্বামীৰ দ্বাৰা উপেক্ষিতা শিখা বৰুৱা আদিৰ কাহিনীসমূহে লেখিকাই অতি সুন্দৰভাৱে উপস্থাপন কৰিছে। অৱশ্যে কেতিয়াবা অপ্ৰয়োজনীয়ভাৱে বন্ধুমহলৰ কথোপকথনৰ মাজত জোৰকৈ সমস্যাসমূহ টানি আনিবলৈ চেষ্টা কৰা হৈছে, যাৰ ফলত কাহিনীৰ গতিত বাধাৰ সৃষ্টি হোৱা যেন লাগিছে। সেইদৰে সম্পূৰ্ণ কথনভংগীত লেখিকাৰ বক্তব্য কেন্দ্ৰীয় চৰিত্ৰৰ ব্যক্তিগত চিন্তাধাৰাৰ মাজত প্ৰয়োগ কৰাত ঠায়ে ঠায়ে সাহিত্যৰ মাধুৰ্য্য হ্ৰাস পোৱা যেনো অনুভৱ হৈছে।

বৰ্ণাশুদ্ধিৰ ক্ষেত্ৰতো লেখিকা আৰু মুদ্ৰক সামান্য সচেতন হোৱা উচিত। বহু ক্ষেত্ৰত টোকোৰা চৰাইৰ সলনি টুকুৰা চৰাই, ভোকাতুৰৰ সলনি ভুকাতুৰ, নোসোধাকৈৰ সলনি নুসুধাকৈ, কুকৰে ভুকেৰ সলনি কুকুৰে

ভোকে আদিলৈ ৰূপান্তৰিত হৈছে। এনেক্ষেত্ৰত ছপাশালৰ ভূতক দোষাৰোপ কৰিব পৰা যায় যদিও দ্বিতীয় প্ৰকাশত এই আসোঁৱাহসমূহ নৰ'ব বুলি বিশ্বাস। তদুপৰি সঘনাই ব্যৱহৃত 'ওমহো' শব্দটোৱে পঠনত বাৰে বাৰে উজটি খুৱাইছে। অসমীয়া সাহিত্যত সচৰাচৰ ব্যৱহৃত 'ওহো' শব্দৰ প্ৰয়োগে পৃষ্ঠাসমূহৰ সৌন্দৰ্য বৃদ্ধি কৰিলেহেঁতেন বুলি আমাৰ বিশ্বাস। তদুপৰি বাক্যসমূহত ব্যাকৰণ বহিৰ্ভূতভাৱে প্ৰশ্নবোধক চিহ্নৰ অত্যধিক ব্যৱহাৰ কৰা যেন অনুভৱ হয়। লেখিকাই আৰম্ভণিৰপৰা পোনপটীয়াকৈ কাহিনীটো উপস্থাপন নকৰি তাত সমান্য তিৰ্যকত্ব প্ৰদান কৰা হ'লে অধিক মনোগ্ৰাহী হ'লহেঁতেন যেন লাগে। পিছে এই যত-সামান্য ত্ৰুটিক অগ্ৰাহ্য কৰিলে ৫৫২ পৃষ্ঠাৰ বৃহৎ কলেৱৰৰ প্ৰেমৰ উপন্যাস 'প্ৰশ্ন' এখনি সৰ্বাংগ সুন্দৰ, পাঠকক আকৰ্ষণ কৰিব পৰা সুখপাঠ্য বুলি ক'ব পৰা যায়।

**পথৰ মানচিত্ৰ**
**লেখক - অশ্বিনী বেজবৰুৱা**
**প্ৰকাশক - অসম পাব্লিছিং কোম্পানী, কলেজ হোষ্টেল ৰোড, গুৱাহাটী**
**আলোচক - (৯৪৩৫১১৯২৩৬)**

উপন্যাসখন ঔপন্যাসিকৰ নিজৰ জীৱনৰ ওপৰত লিখা আত্মজীৱনীমূলক উপন্যাস। কুলীন প্ৰকাশন গোষ্ঠী সাহিত্য প্ৰকাশৰ দ্বাৰা পুৰস্কৃত তেওঁৰ প্ৰথম উপন্যাস 'আৱহ সংগীত' লেখকৰ ভাষাত 'কেঁচা হাতৰ কঁপনি' আছে যদিও মাৰ্ক্সীয় দৰ্শনৰ আধাৰত ৰচিত উপন্যাসখনত থাটি খোৱা জনসাধাৰণৰ সুখ-দুখৰ কাহিনী প্ৰতিফলিত হৈছে। অসম সাহিত্য সভাৰ প্ৰয়াত গিৰিধৰ শৰ্মা বঁটাৰে পুৰস্কৃত 'উপকন্ঠ' উপন্যাসখনত অসমৰ সামাজিক অৱক্ষয়ৰ সুন্দৰ ৰূপ এটি ফুটি উঠিছে । ১৯৯২ চনতে গুৱাহাটী দুৰদৰ্শনযোগে সম্প্ৰচাৰিত 'নিষিদ্ধ প্ৰান্তৰত' অধুনালুপ্ত ব্ৰহ্মপুত্ৰৰ বালিচৰৰ বস্তি অঞ্চলৰ হা-হুমুনিয়াহ প্ৰতিফলিত হোৱা দেখা যায়। আকৌ 'উমৰাং আপ্লুন'ত মিচিংসকলৰ বৰ্ণিল সভ্যতা-সংস্কৃতিৰ প্ৰতিফলন ঘটিছে। গুৱাহাটী দুৰদৰ্শনযোগে সম্পচাৰিত বেজবৰুৱাৰ 'আশ্ৰয়', 'প্ৰাচীৰ' আদি উপন্যাসসমূহো পাঠক সমাজৰ দ্বাৰা বিপুলভাৱে সমাদৃত হৈছে। ঔপন্যাসিকৰ নিজৰ ভাষাৰেই 'এইখন বাস্তৱ আৰু কল্পনাৰ ছাঁ পোহৰ'ত নিৰ্মিত। কিন্তু লেখকক ভালদৰে জনাসকলে বুজিব- উপন্যাসখনত বাস্তৱতা বেছি আৰু কল্পনা কম। উপন্যাসখনৰ জৰিয়তে যোৱাটো শতিকাৰ ষাঠি আৰু সত্তৰৰ দশকৰ, বিশেষকৈ অবিভক্ত কামৰূপ জিলাকে ধৰি নামনি অসমৰ সমাজ এখনৰ বাস্তৱ আৰু প্ৰকৃত ছবি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। অতীজৰ বহু প্ৰচলিত প্ৰথাৰ ইতিমধ্যে বিলুপ্তি ঘটিছে। উদাহৰণস্বৰূপে নাপিতে 'গাঁওৰখা' প্ৰথাটোৰ অবলুপ্তি ঘটিছে। আজি প্ৰতিখন গাঁওৰ চ'কত 'চেলুন' হৈছে, গাঁৱলীয়া বজাৰত চেলুনৰ পয়োভৰ। আজিৰ ডেকা ল'ৰাই 'ষ্টাইল'ত ডাঢ়ি-চুলি কটাবৰ বাবে নাতিদূৰৈৰ নগৰৰ চেলুনত ভিৰ কৰে। ফলত অসমলৈ বিহাৰী নাপিতৰ প্ৰব্ৰজন ঘটিছে। সেয়েহে অসমীয়া নাপিতে গাঁও ৰখা প্ৰথাৰ বিলুপ্তি ঘটিছে। আনহাতে, লেখকে পাতনিত উল্লেখ কৰিছে 'আজিকালি গাঁৱতো 'খেৰী ঘৰ' বিলাসিতাৰ প্ৰতীক হ'ল।' সি এতিয়া প্ৰদৰ্শনীৰ বস্তু। যুগ যুগ ধৰি চলি অহা 'কেঁথাৰ' ঠাই দখল কৰিছে তুলি আৰু লেপে। অসমীয়া যুৱকে লেপ, তুলি চিলাবলৈ লাজ পায়। ফলত প্ৰতিখন গাঁৱলৈ লেপ, তুলি চিলোৱা বিহাৰী লোকৰ প্ৰব্ৰজন ঘটিছে। তেনেদৰে যোৱাটো শতিকাৰ ষাঠি আৰু সত্তৰত অসমীয়া সমাজত প্ৰচলিত বিনিময় প্ৰথা- বস্তুৰ সলনি বস্তু, কামৰ সলনি কাম এতিয়া মাত্ৰ জোনবিল মেলাতেই সীমাবদ্ধ হৈ আছে। উপন্যাসখনত আনলোকৰ বাৰীত কল চুৰি কৰাকে ধৰি যিবোৰ শিশুসুলভ দুষ্টালি বৰ্ণিত হৈছে, সেইবোৰে পঞ্চাশোৰ্দ্ধ আমাৰ বয়সৰ যিকোনো পাঠকক নিঃসন্দেহে (অতীত প্ৰীতি) আমনি কৰিব। আমাৰ বয়সৰ গাঁৱৰ প্ৰতিজন কিশোৰ-কিশোৰীৰ নিশ্চয় এনে স্মৃতিমধুৰ, ৰোমাঞ্চকৰ অভিজ্ঞতা আছে। অতীতৰ গাঁওবিলাকত অনাখৰী অভিভাৱকৰ মাজত ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ কোনো আগ্ৰহ নাছিল। বহু লোকৰ ধাৰণা আছিল- খেতিয়কৰ ল'ৰা ভৱিষ্যতে খেতিয়ক, কমাৰৰ ল'ৰা কমাৰ আৰু নাপিতৰ ল'ৰা নাপিত হ'ব। গাঁৱত থাকি নগৰত চাকৰি কৰা লোকৰ ল'ৰা-ছোৱালী, শিক্ষকৰ ল'ৰা-ছোৱালী আৰু সমাজৰ তথাকথিত উচ্চ

বৰ্ণৰ ঘৰৰ ল'ৰা-ছোৱালীয়েহে সততে উচ্চশিক্ষা গ্ৰহণ কৰিছিল। তেনে লোক এপাচি কচু শাকত এটা জালুকৰ দৰে আছিল। উপন্যাসৰ নায়কৰ চৰিত্ৰত থকা নায়ক দ্বিজেন নিজেই 'কুঁহিয়াৰৰ চেঁপাশালৰ মাজেৰে গৈ নিজকে প্ৰতিষ্ঠা কৰিছে।' সেই সময়ত শিক্ষা সম্পৰ্কে সাধাৰণ অভিভাৱকৰ মনোভাব কেনে আছিল, তাক উপন্যাসৰ নায়কে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত মাকৰ প্ৰতিক্ৰিয়াৰ পৰাই বুজিব পাৰি।

'মা মা আজি মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিছে।
—— হয় নেকি? তোৰ ৰিজাল্ট কি?
—— ফাৰ্ষ্ট ডিভিজন পালোঁ।
—— তোক মই সেটু সুধা নাই। মই সুইধচু
—— তই আগ হ'লি নে পাছ হ'লি
—— আগ হ'লো মা।
—— আক্কেবাৰতে
—— অ' মা, এবাৰতে।

সেই সময়ত সমাজৰ সাধাৰণ ঘৰৰ ল'ৰাই কমেও পাঁচ-ছয় বাৰ পৰীক্ষা দিহে মেট্ৰিক পাছ কৰে। তাৰ পিছত কোনোমতে পাছ কৰে আৰু নকৰিলেও 'আণ্ডাৰ মেট্ৰিক' বুলি চিনাকি দিও গৰ্ব অনুভৱ কৰে। সেইবোৰ দ্বিজেন, জিতেনহঁতৰ লগত মেট্ৰিক পৰীক্ষা দিয়া কঁচুৱাৰ ৰাজবংশীৰ কাহিনীয়ে নিশ্চয় পাঠকক আমোদ দিব, যেনেদৰে আমোদ দিব দ্বিজেনৰ মোমায়েক গোপাল দাসৰ ঘৰত থাকি মেট্ৰিক দিয়া প্ৰস্তুতিৰ কাহিনীটোৱে। উপন্যাসখনৰ অইন এটা ইতিবাচক দিশ হ'ল- ভূত-প্ৰেতৰ যে কোনো অস্তিত্ব নাই, সেই উদাহৰণসহ বিশ্লেষণ কৰি দেখুওৱাটো। সেই সময়ত ভূত-প্ৰেতৰ ধাৰণাই মানুহক কাবু কৰি ৰাখিছিল। ভূতৰ ভয়ত ৰাতি অকলে ঘৰৰ বাহিৰলৈ ওলাবলৈ মানুহে ভয় কৰিছিল। গৰু-ছাগলী হেৰালে মণ্ডল বা ঠিকনা চোৱাটো প্ৰচলিত প্ৰথা আছিল। বেতজৰা দিয়া, বাতিজৰা দিয়া আদি প্ৰথাৰে এচাম লোকে সমাজত ব্যৱসায় কৰিছিল। অৱশ্যে 'ডাইনী'ৰ দৰে কু-প্ৰথাৰ এতিয়াও সমাজত প্ৰচলন আছে। আচলতে ভুত-প্ৰেত-ডাইনী আদিৰ কথা সমাজত প্ৰচাৰ কৰি এচাম লোকে নিজৰ ব্যৱসায়িক বা ন্যস্তস্বাৰ্থ পূৰণ কৰে। দ্বিজেনৰ দেউতাক অতি সাধাৰণভাৱে শিক্ষিত এজন সাধাৰণ নাপিত আছিল যদিও তেওঁ প্ৰগতিশীল চিন্তাৰ অধিকাৰী আছিল। ভূত-প্ৰেত সম্পৰ্কে দ্বিজেনে সৰুতে দেউতাকক সোধা প্ৰশ্নৰ উত্তৰত দেউতাকে কৈছিল, 'বাপধন, ভগৱান আছেনে নাই মই নাজানো, কিন্তু ভগৱানক মই বিশ্বাস কৰোঁ। কিন্তু ভূত-প্ৰেত বোলা কোনো বস্তু নাই। এচাম লোকে ব্যৱসায়িক স্বাৰ্থ পূৰণৰ বাবে ভূত-প্ৰেতৰ ধাৰণাটো কৌশলেৰে সমাজত জীয়াই ৰাখে।

বেজবৰুৱাৰ কাহিনী আৰু উপস্থাপন আৰু কথনভংগীৰ নিজস্ব ষ্টাইল আছে যাৰ বাবে তেওঁৰ যিকোনো এখন উপন্যাস এবাৰ হাতত ল'লে পঢ়ি শেষ নকৰালৈকে এৰিব নোৱাৰি। পথৰ মানচিত্ৰ উপন্যাসখনত লেখকে নিজেই দ্বিজেনৰ চৰিত্ৰটোৰ মাজেৰে কল্পনাৰ আঁৰ লৈ আত্মপ্ৰকাশ কৰিছে।

বাস্তৱেই হওক বা কাল্পনিকেই হওক উপন্যাসখনৰ নায়কৰ প্ৰেমাস্পদৰ প্ৰতি আকৰ্ষণ আলোড়নকাৰী ঘটনা। অনাকাঙ্খিতভাৱে হ'লেও উপন্যাসখনত প্ৰকৃত প্ৰেমৰ জয় হৈছে। দ্বিজেন আৰু ৰঞ্জিতা বিবাহপাশত আবদ্ধ হৈছে।

**মৰিয়া বুৰঞ্জী-সমাজ-সংস্কৃতি**
**লেখকদ্বয় - পুলিন কলিতা আৰু ইনতাজ আলি**
**প্ৰকাশক - অসম সাহিত্য সভা**
**আলোচক – অতুল্য মাধব গোস্বামী (৯৪৩৫১৪৬১০০)**

লেখকদ্বয়ে তেওঁলোকৰ বিষয়বস্তুৰ বিভাজন কৰিছে ১১ টি শিতানেৰে। গ্ৰন্থখনৰ এটি উল্লেখ্য দিশ হ'ল ১৬খন ক'লা-বগা ছবি আৰু ২৪খন ৰঙীণ ছবি। গ্ৰন্থখনৰ তথ্যৰ এটি উৎস হ'ল মৰিয়া উন্নয়ন পৰিষদ। বৰ্তমান পৰিষদখনৰ অৱশ্যে অস্তিত্ব নাই। তথাপি তথ্য অনুসৰি ৰাজ্যখনত ১২খন জিলাৰ প্ৰায় ৮৫খন গাঁৱত মৰিয়াসকলৰ বসতি আছে। তেওঁলোকৰ জনসংখ্যা প্ৰায় পাঁচ লাখ। স্বাভাৱিকতে লেখকৰ বাবে ৮৫খন গাঁৱলৈ গৈ তথ্য আহৰণ কৰাটো কষ্টসাধ্য। সেয়েহে গ্ৰন্থখনত নগাঁও আৰু কামৰূপ জিলাৰ তথ্যই প্ৰাধান্য পাইছে। ইয়াৰ ভিতৰতে জিলিকি উঠিছে জয়ন্তীপুৰৰ মছজিদ।

সি যি কি নহওক, লেখকে গ্ৰন্থখনৰ আৰম্ভ কৰিছে পুৰণি দিনৰ অসমৰ অৱস্থিতিৰ নিৰূপণেৰে। এই ভৌগলিক পৰিচয়পৰ্বৰ পিছত গুৰুত্বপূৰ্ণভাৱে বৰ্ণনা কৰা হৈছে অসমৰ মুছলমানসকলৰ বিষয়ে। তেওঁলোকে স্পষ্টকৈ লিখিছে– 'আধুনিক অসমৰ জন্মদাতা আহোমসকলৰ আগমনৰ কেইবাদশকৰ আগেয়ে এই ভূখণ্ডলৈ মুছলমানৰ আগমন ঘটিছিল..। কামৰূপত হোৱা প্ৰথমটো মুছলমান আক্ৰমণৰ নায়ক আছিল ইখটিয়াৰউদ্দিন মহম্মদ ইবন বখটিয়াৰ খিলজি। তেওঁ আছিল ভাৰতত চুলতান শাসনৰ প্ৰতিষ্ঠাপক মহম্মদ ঘোৰীৰ এজন সভাপতি।' গ্ৰন্থখনত খিলজীয়ে কামৰূপ আক্ৰমণৰ সময় ৮০০ বছৰ পুৰণি বুলি বুজাব খোজা হৈছে। প্ৰথম মুখামুখিত কামৰূপ ৰজাই বখটিয়াৰৰ আক্ৰমণ প্ৰতিৰোধ কৰিলে। এই যুদ্ধত বন্দী হোৱা বখটিয়াৰৰ সৈনিক কামৰূপত থাকি গ'ল। একাংশই স্বইচ্ছাৰে কামৰূপত থাকি গ'ল। বৰ্তমান উত্তৰ গুৱাহাটীৰ মালাৰা ইছলামপুৰ আৰু আল্টা ইছলামপুৰত মুছলমানসকলে প্ৰথমে বসতি স্থাপন কৰিছিল। 'কামৰূপ অসম'ৰ প্ৰথম মুছলমান গাঁও দুখনৰ স্থাপন কাল ৮০০ বছৰ বুলি গ্ৰন্থখনত উল্লেখ কৰা হৈছে। বখটিয়াৰৰ পিছত কামৰূপ-কমতা-কোচ-আহোম ৰাজ্যত মুছলমানসকলে দহোটা আক্ৰমণৰ সূচনা কৰিছিল। এই যুদ্ধবোৰৰ পিছতে স্বেচ্ছাই অথবা বুদ্ধবন্দী হৈ ৰৈ গৈছিল বহুতো মুছলমান সৈনিক। এইসকলেই কমতা-কোচ-অসমৰ প্ৰথম চামৰ মুছলমান বাসিন্দা।

১৫৩০-৩২ চনত তুৰ্বকে অসম আক্ৰমণ কৰিছিল। তুৰ্বকে আহোম ৰাজ্যত আক্ৰমণ কৰিবলৈ আহোঁতে হোৱা যুদ্ধবন্দীসকলৰ বংশধৰেই মৰিয়া বুলি পৰিচিত হ'ল। বংগৰ নবাবৰ সেনাপতি তুৰ্বকৰ বাহিনী আৰু আহোম সৈন্যৰ মাজৰ শেষৰখন ৰণ হৈছিল কলিয়াবৰৰ হাটবৰ আৰু দুইমুনি শিলাত। এই যুদ্ধত তুৰ্বকৰ পৰাজয় আৰু মৃত্যু হৈছিল। তুৰ্বকৰ লগত অহা নশমানক আহোম সৈন্যই যুদ্ধবন্দী কৰিছিল। এইসকল ৰণক্ষেত্ৰৰ নৈপৰীয়া জলাহত ৰৈ গ'ল। এই জলাহটোৰেই বৰ্তমান জয়ন্তীপুৰ গাঁও।

গ্ৰন্থখনত অসমৰ মৰিয়াসকলৰ বুৰঞ্জী, সমাজ আৰু সংস্কৃতি বিষয়ৰো চৰ্চা হৈছে। একোটা পৃষ্ঠাত স্পষ্টকৈ জনোৱা হৈছে– 'তুৰ্বকৰ তুৰ্কী বাহিনীৰ স্থানীয় যুৱতীসম্ভূত বংশধৰ বুলি মৰিয়াসকলক চিনাক্তকৰণত কোনো দ্বিমত এতিয়ালৈ নাই। দ্বিমত বা বহুমত আছে তেওঁলোকৰ নামকৰণক লৈহে।

**ডাক্তৰ আৰু বাম ডাক্তৰ**
**লেখক - ডাঃ অমল শইকীয়া**
**প্ৰকাশক - চন্দ্ৰপ্ৰভা প্ৰকাশন, বিশ্বনাথ চাৰিআলি**
**আলোচক - মিনতি গোস্বামী ( ৯৪৩৫৫৩৫৫১৫)**

কিতাপখন লিখকৰ চিকিৎসা বিষয়ক অভিজ্ঞতা আৰু তথ্যসম্বলিত দ্বিতীয়খন গ্ৰন্থ। ২০১৩ চনত প্ৰকাশ পাইছিল তেওঁৰ 'সেৰসেৰীয়া' নামৰ প্ৰথমখন গ্ৰন্থ। নামটো যদিও সেৰসেৰীয়া, বিষয়বস্তুৰ ফালৰপৰা পুথিখন কিন্তু সেৰসেৰীয়া নাছিল। ডাঃ শইকীয়া এজন স্ত্ৰী ৰোগ বিশেষজ্ঞ।

লেখকে পুথিখন আৰম্ভ কৰিছে ভিতৰুৱা অঞ্চলৰ হাড় জোৰোৱা, লতাৰে হাড়ৰ চিকিৎসা কৰা এজন গাঁৱলীয়া চিকিৎসকৰ (বাম ডাক্তৰ) চিকিৎসা ব্যৱসায়ৰ বৰ্ণনাৰে। ধোদোং আৰু মালতী নামৰ দম্পতীৰ নাটকীয় কথা-বতৰাৰ মাজেৰে তেওঁ গাঁৱৰ জীৱনৰ এখন বাস্তৱ চিত্ৰ সৰসভাৱে বৰ্ণনা কৰিছে। লগতে এনে বাম ডাক্তৰৰ বিৰুদ্ধে সতৰ্ক কৰি দিছে। এই কাহিনীটোৰেই তেওঁ পাঠকক গ্ৰন্থখনৰ অন্তৰ্ভাগত প্ৰৱেশ কৰি ৰসাস্বাদন কৰিবলৈ বাধ্য কৰাইছে। পিছৰ পৰ্যায়ত লেখকে বজৰং অপাৰেচনৰ সময়ত ডাক্তৰৰ দুৰৱস্থা, বিহুৰ নামত অপসংস্কৃতিৰ প্ৰৱেশ, কৰ্মব্যস্ত পুত্ৰ-বোৱাৰীৰ ওচৰত বৃদ্ধা মাকৰ কৰুণ অৱস্থা, চিকিৎসা বিভ্ৰাটৰ ফলত ৰোগীৰ দুৰ্গতি, অৰ্থলোভী চিকিৎসকৰ চিকৎসা ব্যৱসায়, গ্ৰাম্য সমাজত প্ৰচলিত গৰ্ভৱতী নাৰীৰ চেহেৰা চাই সন্তানৰ লিংগ নিৰ্ণয়ৰ ভৱিষ্যদ্বাণী কৰা, মৌলবীৰ মিঠাতেল জৰা, ফাষ্টফুডৰ অপকাৰিতা, 'নেট'ত চাই ৰোগীয়ে ঔষধ খোৱা, মহিলাৰ বগাস্ৰাৱৰ সমস্যা, বাম ডাক্তৰৰ দ্বাৰা নিঃসন্তান দম্পতীক গৰ্ভধাৰণৰ চিকিৎসা, চাহ বাগানৰ চিকিৎসকৰ চিকিৎসা সমস্যা, লেখকৰ মানসপুত্ৰ অন্য প্ৰকাৰে সক্ষম শিশুৰ অনুষ্ঠান 'ৰেঙণ'ৰ প্ৰতি থকা মৰম আৰু দায়িত্ব আদি অনেক বিষয় নাটকীয় ৰূপত বৰ্ণনা কৰিছে। তদুপৰি বিশ্বনাথ, ডিগবৈ তেল শোধনাগাৰ, মঙলদৈৰ বুটীনগৰত থকা পুখুৰী আদিৰ ইতিহাসো প্ৰসংগক্ৰমে উল্লেখ কৰিছে। ৰোগীৰ মনৰ মাজত সোমাই থকা বেমাৰৰ ভ্ৰান্ত ধাৰণাবোৰ চিকিৎসা শাস্ত্ৰৰ ব্যাখ্যাৰে লেখকে নিৰ্মূল কৰিবলৈ চেষ্টা কৰিছে। ৰোগীৰ কথা-বতৰাত চৰ অঞ্চল, চাহ বাগানীয়া অঞ্চল আৰু গ্ৰামাঞ্চলৰ থলুৱা ভাষা প্ৰয়োগ কৰি তেওঁ পাঠকসকলৰ সেই অঞ্চলবোৰৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক জীৱনৰ এখন প্ৰতিচ্ছবি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। তেওঁ ব্যৱহাৰ কৰা উপমাবোৰ মনকৰিবলগীয়া। উদাহৰণস্বৰূপে 'ব্ৰহ্মকুমাৰীসকলে পূজাই-পাৰ্বণে প্ৰদৰ্শন কৰা দেৱ-দেৱী, অসুৰৰ জীৱন্ত মূৰ্তিৰ দৰে দুহাতে দেৱশিশু লৈ থৰ লাগি..' ইত্যাদি। লেখকে তিনিজন মেডিকেল কলেজৰ শিক্ষাগুৰু আৰু এজন জ্যেষ্ঠ চিকিৎসকৰ কাষ চাপি তেওঁলোকৰ কৰ্মময় জীৱনৰ বতৰা লৈ সেইসকলৰ মানৱদৰদী সেৱা পাঠকক অৱগত কৰাইছে। সেইসকল চিকিৎসকৰ দায়িত্ব আৰু কৰ্তব্য সংক্ৰান্তত পৰামৰ্শসমূহ পাঠকলৈ আগবঢ়াইছে। এইদৰে বিভিন্ন বিষয় সামৰি আৰ ছিগা চুলি, তাৰ ছিগা চুলি গোটাই নেঘেৰী খোপা বান্ধি পুথিৰূপে পাঠকলৈ আগবঢ়াইছে আৰু কৰুণ ৰসৰ মাজতো হাস্যৰসৰ খোৰাক যোগাইছে। কিতাপখন এবাৰ হাতত তুলি ল'লে শেষ নকৰাকৈ এৰিব নোৱাৰি। শেষত ৰোগী-চিকিৎসকৰ সম্পৰ্কৰ কথাৰে লেখকে গহীনভাৱে গ্ৰন্থখনৰ মোখানি মাৰিছে। 'ডাক্তৰ আৰু বাম ডাক্তৰ' গল্প বা উপন্যাসৰ শাৰীত নপৰিলেও সুখপাঠ্য হৈছে। অৱশ্যে বৰ্ণশুদ্ধিৰ দোষৰপৰা লেখক হাত সাৰিব পৰা নাই। বিশেষকৈ নিৰ্দিষ্টতা বাচক প্ৰত্যয় 'টো'ৰ ক্ষেত্ৰত বিসংগতি দেখা গৈছে। আগলৈ সাৱধান হ'লে ভাল।

**দস্তাবেজ**
**লেখক- ধীৰেণ বৰুৱা অভিনন্দন গ্ৰন্থ**
**আলোচক-নৰেণ হাজৰিকা ( ৯৮৫৪১৫২৯৯৫ )**

ধীৰেণ বৰুৱা চাল-চলনত গহীন-গম্ভীৰ, সদালাপী, পিন্ধন-উৰণত পৰিপাটি, সুশ্ৰী, গুণী-জ্ঞানী এগৰাকী স্থিতপ্ৰজ্ঞ ব্যক্তি। লগতে যিগৰাকীক ক'ব পাৰি ধৰ্মপ্ৰাণ, সু-সংস্কৃতিবিদ আৰু সমাজসেৱাই যাৰ জীৱনৰ ব্ৰত। তেওঁৰ কৰ্মস্পৃহা অসম তথা ৰাষ্ট্ৰীয় পৰ্যায়তো জিলিকি উঠিছে। বিগত কেইবা দশক ধৰি তেওঁ অবিৰত কৰ্মৰে অসমৰ জাতীয় জীৱনলৈ আগবঢ়োৱা সেৱাৰ কথা ৰাজ্যখনৰ সকলোৰে অৱগত। সৰুতে দেউতাক যোগেন্দ্ৰ নাথ বৰুৱাৰ ( ১৯৩৫ চনত প্ৰথমখন অসম বিধানসভাৰ সদস্য, অসম এছ'চিয়েচনৰ সম্পাদক) হাতত ধৰি আৰম্ভ হোৱা তেওঁৰ এই যাত্ৰা এতিয়াও অব্যাহত আছে। এই দীঘলীয়া কৰ্মতৎপৰ জীৱনৰ তথ্যসমূহ তেওঁ পৰিপাটিকৈ সংৰক্ষণ কৰিব পৰা বা নিয়মীয়াকৈ লিখিও থোৱা নাছিল। মাথোঁ তেওঁৰ স্মৃতিশক্তিৰ ভিত্তিত লিখি যোৱা তথ্যসমূহ প্ৰৱন্ধ আকাৰে আৰু তেওঁৰ পৰৱৰ্তী কনিষ্ঠ সহকৰ্মী, শুভাকাংক্ষী আৰু অনুৰাগীৰ লেখাৰ ভিত্তিত এই 'দস্তাবেজ', যিখন গ্ৰন্থ ধীৰেণ বৰুৱাৰ নিজস্ব আৰু অন্যসকলৰ লেখাসমূহৰ মাজেৰে অসমৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু বিশেষকৈ ঐতিহ্যপূৰ্ণ গুৱাহাটী মহানগৰৰ বিষয়ে আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভাৰেৰে পৰিপূৰ্ণ।

অভিনন্দন গ্ৰন্থখনৰ উপদেষ্টাত্ৰয় ক্ৰমে দিলীপ কুমাৰ হাজৰিকা, অজয় দত্ত, কৈলাস শৰ্মা আৰু সম্পাদক দীপাংক হাজৰিকা আৰু সহঃসম্পাদক চন্দ্ৰ কুমাৰ বৰুৱা।

বিশ্বৰ সকলো প্ৰান্ততে সম্প্ৰতি জীৱনী সাহিত্য বা আত্মজীৱন চৰিতৰ গুৰুত্ব বাঢ়িছে। অসমৰ সভ্যতা-সংস্কৃতিতো এনে প্ৰকাশৰ দীঘলীয়া পৰম্পৰা আছে। আমাৰ সমাজত গুণীজনক তেওঁৰ জীৱিত কালতে সন্মান আৰু কৃতজ্ঞতা জনোৱাৰ বহুল প্ৰয়াস আনুষ্ঠানিক ৰূপত দেখিবলৈ পোৱাতো সীমিত। ধীৰেণ বৰুৱাৰ ৯০ সংখ্যক জন্মদিনত প্ৰকাশ পাইছে গ্ৰন্থখন। এইখন হৈছে এখন বৃহৎ গ্ৰন্থৰ দৰে কাৰণ, ব্যক্তিগৰাকীৰ জীৱনটোৱেই হ'ল কৰ্মবহুল। একোজন ব্যক্তিৰ বিষয়ে লিখি উলিওৱা এনে গ্ৰন্থ পৰৱৰ্তী সময়ত গুৰুত্বপূৰ্ণ এখন ইতিহাসসমৃদ্ধ দলিল হয়। এইগৰাকী বৰুৱাই বিভিন্ন সামাজিক কামৰ উপৰি জন্মস্থান গুৱাহাটীক জাকতজিলিকা কৰি গঢ়ি তুলিবলৈ ব্যক্তিগত আৰু সাংগঠনিক স্তৰত অহোপুৰুষাৰ্থ চেষ্টা কৰি আহিছে। উল্লেখযোগ্য কথাটো হ'ল- ৯০ বছৰৰ ঊৰ্দ্ধৰ এইগৰাকী মহীয়ানে আজি পৰ্যন্ত নিজা কৰ্মৰে জড়িত থকি অসম আৰু অসমীয়া স্বাৰ্থৰ হকে কাম কৰি আহিছে। এগৰাকী দুৰন্ত তৰুণৰ দৰেই অসমৰ বৃহত্তৰ স্বাৰ্থত মাত মাতি অহাই নহয়, হাতে-কামেও লাগি আছে। যিসকল লোকে নিজৰ লেখাৰে গ্ৰন্থখনি সৰ্বাংগ সুন্দৰ কৰিছে তেওঁলোক হ'ল ক্ৰমে- যতীন হাজৰিকা, পদ্মশ্ৰী সাহিত্য আৰু সংগীত নাটক একাডেমি বঁটাপ্ৰাপক প্ৰয়াত অৰুণ শৰ্মা, ধিৰেন্দ্ৰনাথ চক্ৰৱৰ্তী, দিলীপ কুমাৰ হাজৰিকা, প্ৰয়াত কুমুদেশ্বৰ হাজৰিকা, ৰমণী বৰ্মণ, খনীন্দ্ৰ চন্দ্ৰ দাস, তৰেণ বড়ো, বিৰাজ কুমাৰ শৰ্মা, অজয় দত্ত, বন্দিতা ফুকন, হাইদৰ হুছেইন, ভুৱন লহকৰ, প্ৰদীপ কাকতি, ডঃ বুলজিৎ বুঢ়াগোহাঁই, সত্যেন্দ্ৰ কুমাৰ ডেকা, দ্বিজেন ফুকন, ডাঃ অঞ্জনজ্যোতি চৌধুৰী, বিষ্ণুপ্ৰসাদ,মমতা মিশ্ৰ, নিকুমণি বৰুৱা আদি। ছটা খণ্ডত বিভক্ত গ্ৰন্থখনত ধীৰেণ বৰুৱাৰ আত্মকথন আৰু বিভিন্ন মাধ্যমত তেওঁ ব্যক্তিগতভাৱে আৰু 'ছেভ গুৱাহাটী বিল্ড গুৱাহাটী'ৰ হৈ প্ৰকাশ কৰা মতামতসমূহো শৃংখলাবদ্ধভাৱে প্ৰকাশ কৰা হৈছে। ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে সামৰি লোৱা লেখাসমূহ বিভিন্ন ক্ষেত্ৰৰ অনুৰাগী, সহকৰ্মী, সাংবাদিক আদিৰ নিজস্ব অৱলোকন। ইতিমধ্যে বিভিন্ন জাতীয় সনস্যাৰ লগত জড়িত সম্পাদক দীপাংক হাজৰিকাৰ সুচিন্তিত গ্ৰন্থখনৰ বিষয়বস্তু সুশৃংখলভাৱে প্ৰকাশ কৰাটো অন্যতম কৃতিত্ব বুলিব লাগিব। গ্ৰন্থখনত সন্নিৱিষ্ট কেইবাটাও প্ৰবন্ধত যোৱা সাতটা দশকৰ বিশেষকৈ গুৱাহাটী আৰু অসমৰ সামাজিক, সাংস্কৃতিক দিশৰ বহু তথ্যৰ সন্ধেদ আছে। বিশেষকৈ ১৯৮০ চনতে বৰুৱাই সেই সময়ৰ ৰাজ্যসভাৰ সাংসদদ্বয় অজিত কুমাৰ শৰ্মা, দীনেশ গোস্বামী, বৰেণ্য সাহিত্যিক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, প্ৰমোদ বৰ্মণ, নন্দা বৰুৱা আৰু সামাজিক সংগঠক দ্বিজেন ফুকন আদিৰ লগ হৈ 'অসম জাগৃতিৰ'ৰ জৰিয়তে সেই সময়ৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক অসম, অসমীয়াৰ সাংবিধানিক, অৰ্থনৈতিক ৰক্ষা কৱচৰ বিষয়ে প্ৰদান কৰা স্মাৰক-পত্ৰখন

উল্লেখযোগ্য। বৰুৱাই সান্নিধ্য লাভ কৰা হেম বৰুৱা ডাঃ ভুবনেশ্বৰ বৰুৱা, ৰাধাগোবিন্দ বৰুৱা, ব্ৰজেন বৰুৱা, প্ৰবীণ ফুকন, মৌলানা তৈয়বুল্লা আদি কৰি অসমৰ বৰেণ্য সন্তানসকলৰ উপৰি সৰ্বভাৰতীয় খ্যাতিমান নেতা জয়প্ৰকাশ নাৰায়ণ, ইন্দিৰা গান্ধীৰো স্মৃতিচাৰণ কৰাইছে। তদুপৰি গ্ৰন্থখনত বৰুৱাই ঘনিষ্ঠভাবে লগ পোৱা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰীসকল ক্ৰমে বিষ্ণুৰাম মেধি, বিমলাপ্ৰসাদ চলিহা, মহেন্দ্ৰ মোহন চৌধুৰী, শৰৎ চন্দ্ৰ সিংহ আৰু হিতেশ্বৰ শইকীয়াৰ কৰ্মৰাজিৰ বিষয়েও স্মৃতি ৰোমন্থন কৰা হৈছে।

**আদিপৰ্ব**
**লেখক- অংকুৰ বৰগোঁহাঞি**
**আলোচক- নিজা বাতৰি দিওঁতা, যোৰহাট**

যোৰহাটৰ ফটো সাংবাদিক তথা কবি অংকুৰ বৰগোঁহাঞিৰ প্ৰথমখন কাব্য সংকলন। ৯০ৰ দশকৰপৰাই অংকুৰ বৰগোঁহাঞিয়ে কবিতা লিখি আহিছে। তেওঁৰ কবিতাৰ সংখ্যা কম যদিও কবিতাসমূহৰ এটা মান আছে। তেওঁ কবিতাসমূহত জাতি-জনগোষ্ঠীৰ প্ৰতিচ্ছবি, লোক-কাহিনী, সংস্কৃতি, ভোগবাদী সমাজৰ ছবি, প্ৰকৃতিৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। তেওঁ কবিতাত আমাৰ গ্ৰাম্য জীৱনৰ বহু হেৰাই যাবলৈ ধৰা শব্দৰ সমাহাৰ ঘটিছে। কবিৰ দায়িত্ব হৈছে পাঠকক নতুনত্ব প্ৰদান কৰা। নতুনত্ব প্ৰদান কৰিব পৰা কবিতাহে পাঠক সমাজে আদৰি লয়। কবিতা লিখিবলৈ জীৱনবোধ লাগিব, দৃষ্টিভংগী স্পষ্ট হ'ব লাগিব। ফটোৰ দৰে কবিতাৰো এটা ফ্ৰেম থাকে। এগৰাকী ফটো সাংবাদিক হিচাপে অংকুৰ বৰগোঁহাঞিৰ কবিতাত এটা ফ্ৰেম আছে ফ'কাছ আছে।

এটা ভাল কবিতা সৃষ্টি হ'বলৈ যথেষ্ট সময়ৰ প্ৰয়োজন। কবিতাক কবিয়ে শৈল্পিক ৰূপ দিব পাৰিব লাগিব। সভাত স্তম্ভ লেখক, সাহিত্যিক অসীম চুতীয়াই কয় যে কবিয়ে এনে এক পৰিবেশৰ সৃষ্টি কৰিব লাগিব যে সমাজত এক শান্তিপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়। ব্যস্ততাপূৰ্ণ জীৱনৰ মাজত আমি কবিতাক কিদৰে গ্ৰহণ কৰিছোঁ, তাক বিবেচনা কৰি চোৱাৰ প্ৰয়োজনীয়তা আছে। আমাৰ মাজৰপৰা বহু ভাল কিবা হেৰাই গৈছে, এইসমূহক জীয়াই ৰখাৰ দায়িত্ব পঢ়ুৱৈ সমাজৰ। কবিয়ে কবিতাৰ বিষয়ে লিখিবলৈও আৰম্ভ কৰিব লাগে। তেতিয়া কবিতাৰ উত্তৰণ ঘটিব। কবিতাৰ চৰ্চা হ'ব। গ্ৰন্থ এখন উন্মোচন হোৱালৈকেহে লেখকৰ দায়িত্ব। কিন্তু ইয়াৰ পিছৰ দায়িত্ব আনে ল'ব লাগে। আজিৰ কবিয়ে কবিতাক সহজ শিল্প বুলি গণ্য কৰে, সেইবাবেই সমালোচনাৰ প্ৰয়োজনীয়তা আছে।

**মই ধলৰ প্ৰেমত পৰিছোঁ বিদ্ৰোহী জীয়াধলৰ**
**লেখক- মৃদুপৱন চুতীয়া**
**প্ৰকাশক- কিৰণ প্ৰকাশ, ধেমাজি**
**আলোচক-মিন্টু দাস (৯৯৫৭৮৬৫০৭৩)**

'কাব্য হ'ল সাহিত্যৰ বীজ তথা আদিমতম ৰূপ। কবিয়ে নিজা আত্মদৰ্শনৰ মূৰ্ত প্ৰকাশেৰে সত্তাক অংকিত কৰিবলৈ শব্দৰ শৈল্পিক প্ৰয়োগেৰে নিটোলকৈ নিৰ্মাণ কৰে একোটি কবিতা।' এনে দৰ্শন আৰু চিন্তাৰ বহিঃপ্ৰকাশ ঘটাই গাইনদীপৰীয়া প্ৰেম আৰু বিদ্ৰোহৰ কবি, অসমীয়া প্ৰতিদিন কাকতৰ স্থানীয় সংবাদদাতা মৃদুপৱন চুতীয়াই তেওঁৰ প্ৰথম তথা শেহতীয়া কাব্য সংকলন 'মই ধলৰ প্ৰেমত পৰিছোঁ বিদ্ৰোহী জীয়াধলৰ'ত

নদীপৰীয়া লোকৰ জনজীৱন, সুখ-দুখ, হৰ্ষ-বিষাদ তথা সামাজিক মূল্যবোধক স্পষ্ট ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। কবি মৃদুপৱন চুতীয়াই প্ৰায়বোৰ কবিতাই নদীকেন্দ্ৰিক। এই কথা অনস্বীকাৰ্য যে ভাৰতৰ সভ্যতা সংস্কৃতিৰ বিকাশ আৰু উত্তৰণ নদীৰ পাৰতেই হৈছে।

প্ৰাঞ্জল শব্দ চয়নেৰে, নিজস্ব শৈলীৰ সুন্দৰ বহিঃপ্ৰকাশ ঘটাই নদীপৰীয়া লোকৰ জীৱন, গ্ৰাম্যাঞ্চলৰ নিখুঁত চিত্ৰ আৰু ভৱিষ্যতক দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে কবিয়ে।

জাকৈ বাবলৈ নালাগে দিয়া আজি
জাকৈয়াবোৰক চাবলৈ মেঘবোৰে
বিলৰ ওপৰত ঘৰ সাজিছে
বতৰ ডাৱৰীয়া হ'ব কিজানি।
(ৰাতি সাঁজৰ কবিতা, পৃষ্ঠা নং ১৯)

ধেমাজিৰ অন্যতম নদীসমূহৰ ভিতৰত গাই নদী উল্লেখযোগ্য। এই গাই নদীৰ এটি নিজা ইতিহাস আছে। গাই নদীৰ বুকুতে বহুতো জন্ম আৰু মৃত্যুৰ পৰিঘটনাই শকত গৰকিছে এই গাই নদীক লৈ কবিৰ মনৰ অনুভৱ এনেধৰণৰ- 'এদিন তোৰ পাৰতেই মোৰ পিতামহে লিখিছিল সেউজীয়া সভ্যতাৰ ইতিহাস আৰু মোৰ পিতায়ে সাজিছিল সোণালী আঘোণৰ কাৰেং' (গাইনদী,পৃষ্ঠা নং ২৭)

ধেমাজীক বানে নতুনকৈ সজাই যায়। বানৰ বাবে অসমত নাম আছে ধেমাজীত। কিন্তু ধেমাজীৰ এক তৃতীয়াংশ ঠাইতহে বাৰিষা বান হয় কেৱল দুৰ্বল মথাউৰিৰ বাবে। 'এৰিলেও ধল/ মৰিলেও ধল/ ধল সদাই ধলই/ এৰি এৰি ধলে/ ঘূৰি ঘূৰি ধৰে/ মৰি মৰি ধলে/ বাৰে বাৰে জীয়ে।' (ধলৰ প্ৰেমত পৰিছোঁ বিদ্ৰোহী জীয়াধলৰ, পৃষ্ঠা নং ১০৯)

কবিৰ 'আপোচবিহীন প্ৰতিবাদ' শীৰ্ষক কবিতাত প্ৰকাশ পাইছে জাতীয় চেতনা আৰু ক্ষোভিত মনৰ অগ্নি যেন কন্ঠৰ বহিঃপ্ৰকাশ।

'কেইদিনমানৰ পৰা মোৰ আই পৃথিৱীৰ অসুখ
বুকুত এটা সহিব নোৱাৰা দুখ
ওৰেটো জীৱন বোজা হৈ বৈ বৈ ভাগৰি নপৰা
মোৰ আই পৃথিৱীৰ অসুখ'।

'খবৰ' শীৰ্ষক কবিতাটোও তেওঁৰ খুবেই সোৱাদলগা আৰু ৰসোত্তীৰ্ণ হৈ উঠিছে। কবিয়ে কবিতাটিত লিখিছে এনেদৰে-

'বাৰিষাৰ দুখে থেকেচা নৈপৰীয়া অঘৰী বুকু
আঘোণৰ সপোন কঢ়িয়াই কঢ়িয়াই
শৈশৱ, যৌৱন পাৰ কৰা স্বপ্নহীন তন্দ্ৰালস দুচকু'।

মৃদুপৱন চুতীয়াৰ কবিতাত বিষয় বিচিত্ৰতা মন কৰিবলগীয়া। তদুপৰি চিত্ৰকল্পত নিপুণতা আছে কবিৰ। প্ৰকাশভংগী যথেষ্ট সংযম আৰু স্থিৰ। গ্ৰন্থখনিত ৬৬ টা কবিতা সন্নিৱিষ্ট হৈছে।

**হৃদয়ৰ অশ্রুত কল্লোল**
**লেখক- লক্ষেশ্বৰ ৰায়**
**প্ৰকাশক- নৱজ্যোতি দেৱ চৌধুৰী, টেকনো এণ্ড পাব্লিকেচন,গুৱাহাটী**
**আলোচক- বিশ্বজ্যোতি চাংকাকতি (৯৮৬৪৪২২২৯১)**

ডেকা-গাভৰুৰ প্ৰেম, সমাজৰ এচাম তথাকথিত চহকী ব্যক্তিৰ উশৃংখল মন, অপৰাধমূলক মানসিকতাৰে কাম কৰি যোৱা সমাজৰ একাংশ ব্যক্তিৰপৰা আৰম্ভ কৰি প্ৰতাৰণা, অকৃত্ৰিম প্ৰেম আদি সকলোখিনি সামৰি লৈ ৰায়ে ৰচনা কৰিছে এই উপন্যাসখন। ৰায়ৰ উপন্যাসৰ প্ৰতিটো নাৰী চৰিত্ৰই পুৰুষৰ পৰোক্ষ বা প্ৰত্যক্ষ নিৰ্যাতনৰ সন্মুখীন হ'বলগীয়া হৈছে। এনে চৰিত্ৰৰ প্ৰথমটো চৰিত্ৰ হ'ল প্ৰমীলাৰ চৰিত্ৰটো। চৌধুৰী পৰিয়ালৰ এই প্ৰমীলাক বিয়া দিছিল ব্ৰজেন চোধুৰীৰ লগত। কিন্তু এটা সন্তানৰ মাতৃ হোৱাৰ পিছত ব্ৰজেন চৌধুৰীয়ে অত্যাচাৰ কৰি প্ৰমীলা আৰু তাইৰ সন্তানক (অৰুণ) ঘৰৰপৰা খেদি দি পুনৰ বিবাহ কৰালে। সময়ৰ গতিত প্ৰমীলা দ্বিতীয়বাৰৰ বাবে জয়কান্তৰ পত্নী হ'ল। তেওঁ অৰুণ আৰু অনিমাৰো মাতৃ হ'ল। কিন্তু জয়কান্ত ভাল মানুহ আছিল যদিও তেওঁৰো আকস্মিক মৃত্যু ঘটাত প্ৰমীলা অসহায় হৈ পৰিল। পুত্ৰ অৰুণ হৈ পৰি তেওঁৰ বাবে কণাৰ লাখুটি। এই অৰুণৰ চৰিত্ৰটোক মুল চৰিত্ৰৰূপে লৈয়ে কাহিনী ৰচনা কৰিছে লক্ষেশ্বৰ ৰায়ে। কাহিনীৰ আন এটা চৰিত্ৰ হ'ল নিৰুপমাৰ চৰিত্ৰটো। নিৰুপমা আছিল কুখ্যাত চোৰাং কাৰবাৰী দিগন্ত চৌধুৰীৰ একমাত্ৰ কন্যা। দিগন্ত চৌধুৰীয়ে নিৰুপমাৰ মাকৰ মৃত্যুৰ পিছত আৰু বিবাহ নকৰালে। বিবাহ নকৰাই তেওঁ মুক্ত মনেৰে অজস্ৰ নাৰী কেলেংকাৰীত লিপ্ত হৈ পৰিল। আনহাতে, কন্যা নিৰুপমাই প্ৰথমে অৰুণৰ প্ৰেমত পৰি পিছত ডাঃ সুনীল ফুকনৰ প্ৰেমত পৰিল। অৰুণে নিৰুপমাক গভীৰ ৰূপত ভাল পাইছিল যদিও নিৰুপমাই ডাঃ সুনীলৰ প্ৰেমত ভোল গৈ অৰুণক পাহৰিলে। প্ৰতাৰক ডাঃ সুনীল ফুকনে প্ৰতাৰণাৰে নিৰুপমাক গৰ্ভৱতী কৰি তাইক বিবাহ কৰাবলৈ অস্বীকাৰ কৰিছে। ইয়াতে আৰম্ভ হ'ল নিৰুপমাৰ যন্ত্ৰণাদায়ক জীৱন। নিৰুপমাৰ চৰিত্ৰটিও ৰায়ৰ উপন্যাসৰ এটি নিৰ্যাতিতাৰ চৰিত্ৰ। আনহাতে, কাহিনীটোত অৰুণে নাজানে যে ব্ৰজেন চৌধুৰী তাৰ নিজৰ পিতৃ। কাহিনীৰ পাকচক্ৰত পৰি ব্ৰজেন চৌধুৰীৰ দ্বিতীয় পত্নীৰ ফালৰ কন্যা মণিমালাক অৰুণে লগ পায়। মণিমালাৰ সংগীতৰ শিক্ষক হৈ পৰে অৰুণ। মণিমালাই অৰুণ যে বৈমাত্ৰেয় ভাতৃ সেই কথা নাজানিছিল, যেনেকৈ অৰুণে নাজানে যে মণিমালা তাৰ বৈমাত্ৰেয় ভগ্নী। মণিমালা অৰুণৰ প্ৰেমত পৰে। কাহিনীৰ পাকচক্ৰত মণিমালাৰ নিৰুপমাৰ পৰিচয় ঘটে। নিৰুপমাক অৰুণে ভাল পাই এই কথাটোতে মণিমালা বিতত হৈ পৰে। কাৰণ তাই যে ভাল পাই অৰুণক।

আনহাতে, ব্ৰজেন চৌধুৰী এটা ৰাষ্ট্ৰবিৰোধী সংঘৰ মুৰব্বী হৈ নানান অপৰাধমূলক কামত জড়িত হৈ পৰে। তেওঁৰ কন্যা মণিমালাই অৰুণৰ সহায়ত এইবোৰ দুষ্কৰ্মৰ সন্ধান কৰে। উপন্যাসখনত অৰুণৰ ঘনিষ্ঠ বন্ধুৰ ৰূপত দেখা গৈছে বাবুলক। অৰুণ ঘৰৰ পৰা সন্ধানহীন হোৱাৰ পিছত বাবুলেই অৰুণৰ মাতৃ প্ৰমীলা আৰু ভাতৃ-ভগ্নী তৰুণ আৰু অনিমাক চোৱাচিতা কৰিছিল। আনহাতে, গোবিন্দ নামৰ চৰিত্ৰটোৱে নিৰুপমাৰ পিতৃ দিগন্ত চৌধুৰীৰ সকলো দুষ্কৰ্মৰ সাক্ষী হোৱাৰ লগতে ব্ৰজেন চৌধুৰীৰো এসময়ৰ ভৃত্যৰূপে তেওঁৰো সকলো বেয়া কামৰ সাক্ষী আছিল।

কাহিনীৰ শেষত অৰুণে ব্ৰজেন চৌধুৰীক পিতৃৰূপে চিনি পাইছে আৰু মণিমালায়ো অৰুণ যে তাইৰে জেষ্ঠ ভাতৃ সেই কথা জানিব পাৰিছে। অৰুণে শেষত নিৰুপমাক পত্নীৰূপে গ্ৰহণ কৰিছে আৰু ডাঃ সুনীল ফুকন আৰু ব্ৰজেন চৌধুৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। এটি সুন্দৰ কাহিনী ৰচনা কৰিছে লক্ষেশ্বৰ ৰায়ে। তেওঁ উপন্যাসত কিন্তু অৰুণৰ ভগ্নী অনিমাৰ দৰা কোন হ'ল তাকে লৈ ৰহস্য থাকি গ'ল। বাবুল অনিমাৰ প্ৰেমত পৰিছিল। কিন্তু অনিমাৰ বিয়াত দৰা বাবুলেই হ'লনে? ঔপন্যাসিকে সেই প্ৰশ্নৰ পোনপটীয়া উত্তৰ নিদি পাঠক-পাঠিকাক ৰহস্যৰ মাজতেই ৰাখি গ'ল।

**পোৰা সোণৰ চিকমিকনি**
**লেখক - যজ্ঞপতি শৰ্মা**
**প্ৰকাশক - ধনপতি শৰ্মা স্মৃতি ন্যাস (ধীৰাজ শৰ্মা)**
**আলোচক - অনন্ত বৰ্মণ (৯৮৬৪৪২২২৯১)**

'পোৰা সোণৰ চিকমিকনি' হ'ল নলবাৰী জিলাৰ অন্তৰ্গত বৰআজাৰা গাঁৱৰ সমাজসেৱক প্ৰয়াত যজ্ঞপতি শৰ্মাৰ অভিনন্দন গ্ৰন্থ। আনহাতে, গ্ৰন্থখনৰ 'সম্পাদকীয় বুলনি'ৰ বিশেষ দ্ৰষ্টব্যত উল্লেখ কৰিছে যে 'পোৰা সোণৰ চিকমিকনি' অভিনন্দন গ্ৰন্থখনি প্ৰায় সম্পূৰ্ণ হোৱালৈ যজ্ঞপতি শৰ্মাই সকলোকে কন্দুৱাই ইহলীলা সম্বৰণ কৰিলে। ফলস্বৰূপে গ্ৰন্থখনি অভিনন্দন বা স্মৃতিগ্ৰন্থ হিচাপে প্ৰকাশ পালে। এই গ্ৰন্থ সংকলনখনত লেখক, নলবাৰী ৰত্ন ডঃ বসন্ত কুমাৰ ভট্টাচাৰ্যই 'শ্ৰী যজ্ঞপতি শৰ্মাঃ মই জনা মানুহজন'ত লিখিছে- 'ছাত্ৰাৱস্থাৰ পৰা ফুটবল খেলৰ প্ৰতি একান্ত অনুৰাগী শ্ৰী শৰ্মাই যৌৱনত এগৰাকী কৃতী ফুটবল খেলুৱৈৰূপে সু-প্ৰতিষ্ঠিত হৈছিল আৰু নামনি অসমৰ ভালেমান ঠাইত খ্যাতি লাভ কৰিছিল।' একেদৰে সাহিত্যিক পেন্সনাৰ শিক্ষা সেৱক অশ্বিনী কুমাৰ শৰ্মাই 'বৰআজাৰা গাঁও, যজ্ঞপতি শৰ্মা আৰু কিছু অনুভৱ'ত কৈছে যে একোখন গাঁৱৰ একোগৰাকী পিতৃ-মাতৃৰ নাম ধন্য আৰু বিখ্যাত কৰে সেই গাঁও বা অঞ্চলৰ সেই অখ্যাত বা স্বল্পখ্যাত পিতৃ-মাতৃৰ একোগৰাকী সু-সন্তানে। তেওঁলোকৰ যে কেৱল উচ্চ পৰ্যায়ৰ ডিগ্ৰী আছে, বহুতো বঁটা-বাহন লাভ কৰা এটা বিশেষ মৰ্যদা আছে অথবা পৰ্যাপ্ত ধন-সম্পদৰ একোখন পাহাৰ আছে তেনে নহয়; তেওঁলোক বিখ্যাত বা মহৎ হৈছে তেওঁলোকৰ সহজ-সৰল মানৱীয় গুণ, সমাজক দেখুওৱা পৱিত্ৰ, নৈতিক আদৰ্শ, কৰ্তব্যনিষ্ঠা আৰু এক উৎকৰ্ষিত জীৱন সংগ্ৰামৰ উৎসৰ্গীকৃত মহা পুৰোধাত থাকিবলগীয়া সজ গুণখিনিৰ অধিকাৰী হোৱাৰ বাবে। তেনে এগৰাকী সংগ্ৰামী সত্বা আৰু আদৰ্শ খনিকৰ হ'ল বৰ আজাৰা গাঁৱৰ যজ্ঞপতি শৰ্মা'। লেখক সাংবাদিক চন্দন শৰ্মাই- 'মোৰ মৰমৰ দেউতা'ত যজ্ঞপতি শৰ্মাৰপৰা পোৱা মৰম-চেনেহ, নীতিশিক্ষা আৰু 'মানুহ' কৰি গঢ়ি তোলাত পিতৃৰ ভূমিকা প্ৰকাশ পাইছে। বিশিষ্ট লেখক-সাহিত্যিক শশী শৰ্মাই 'যজ্ঞপতি শৰ্মাৰ বিষয়ে দুআষাৰ'ত লিখিছে 'অভিনন্দন গ্ৰন্থও একপ্ৰকাৰ জীৱনীয়ে। দেখা গৈছে যে সম্প্ৰতি অসমীয়া ভাৰতীয় জীৱনীৰ মানো উন্নত হৈছে। মধ্যযুগৰ জীৱন চৰত্ৰত মাথোঁ ব্যক্তিসকলৰ পোহৰৰ দিশটোহে চিত্ৰিত কৰা হৈছিল। কিন্তু ই নিশ্চিত সত্য যে ব্যক্তিৰ আন্ধাৰৰ দিশো থাকে। পোহৰ-অন্ধকাৰক লৈ দিনটো গঢ় লৈ উঠাৰ দৰে মানৱ জীৱন পোহৰ-আন্ধাৰ, অৰ্থাৎ সৎ আৰু অসৎ কাৰ্যৰ সমন্বয়তহে গঢ় লৈ উঠে।' এইদৰে সংকলনখনত 'জীৱনীভিত্তিক বিষয়ক', 'অনুভৱী লেখা', 'বিবিধ বিষয়ক', 'কবিতাৰ কৰণি', আদি সন্নিৱিষ্ট হৈছে।

**অসমীয়া প্ৰতিদিন**

**(২৩/০৭/২০১৮)**
**গোৱালপৰীয়া লোকগীত**
**লেখিকা - ডঃ ভানু বেজবৰুৱা কলিতা**

সমাজ ভাষাবিজ্ঞানৰ দৃষ্টিৰে গোৱালপৰীয়া লোকগীত- এই বিষয়ৰ ওপৰত লিখা এখন তথ্যমূলক কিতাপ। সাহিত্যৰ ভাগ দুটা- লোক সাহিত্য আৰু লিখিত সাহিত্য। যি ভাষাৰ লোক সাহিত্য দুৰ্বল, সেইবোৰত আধুনিক সাহিত্যই বৈচিত্ৰ প্ৰদৰ্শন কৰিব নোৱাৰে। আধুনিক সাহিত্য সবল কৰিবলৈকে লেখিকাৰ এই প্ৰচেষ্টা। গোৱালপৰীয়া ভাষা অসমীয়া, বঙালী, ৰাজবংশী, বৰ্তমান বাংলাদেশৰ চিলেট – মৈমন চিং আদি ভাষাৰ এক সংমিশ্ৰণ। জমিদাৰী প্ৰথাই জুৰুলা কৰা মানুহৰ পৰম্পৰাগত জীৱন চিত্ৰ গোৱালপৰীয়া লোকগীতত দেখা যায়। এই কিতাপ এনেবোৰ দিশ উদ্ঘাটনৰ বাবে প্ৰশংসনীয়।

**Hinduism – spirituality and Humanity**
**লেখক - ড০ হেমন্ত কুমাৰ কলিতা**

হিন্দুত্ব আৰু হিন্দু ধৰ্ম একে নহয়। আধ্যাত্মিকতা ধৰ্মতকৈ ওপৰত। ৰাজনৈতিক স্বাৰ্থত হিন্দুত্ব আৰু হিন্দু ধৰ্মক সনাপোতোকা কৰিব নালাগে।

**সাদিনঃ**

**কমাৰশালৰ বৃদ্ধজন**
**লেখক - ৰবীন্দ্ৰ বৰা**
**আলোচক - লাচিত বৰ্মণ**

আজিৰ সামাজিক জীৱনৰ অসুস্থ পৰিৱেশ আৰু মানৱ জীৱনৰ সংকটাপন্ন অৱস্থা, কবিৰ মৰ্মমূলত থকা ব্যথা-বেদনাৰ ৰূপায়ণ 'কৰ্মশালাৰ বৃদ্ধাজন'। আজি অসমীয়া কবিতাৰ জগতত এটা জ্যেষ্ঠ আৰু প্ৰতিষ্ঠিত নাম, তেওঁ কবিতাক লৈ যিবোৰ পৰীক্ষা-নিৰীক্ষা কৰিলে সেইবোৰ জীৱনকালৰ গভীৰ বোধৰ প্ৰতিফলন। সেয়ে তেওঁ আজি থিয় হৈছেহি যুগাতীত বিচাৰকক্ষত। হয়, এদিন তেওঁ সিপাৰৰ গাঁওখনৰ বাঁহনিডৰাত এৰি থৈ আহিছিল পুৰণি জোনটো। অতীতৰ প্ৰবল স্মৃতিয়ে তেওঁক বাৰে বাৰে আমনি কৰিলেও কবি যেন নিৰূপায়; কালৰ অপ্ৰতিৰোধী পৰিবৰ্তনৰ আৰোপিত মনন যেন থানবান হৈ পৰিছে।

পৰিণত বয়সৰ অভিনৱ অনুভূতিৰ শিহৰণ। তেওঁৰ কবিতাবোৰৰ মাজত প্ৰবাহিত হৈ আছে সমাজৰ অতীত-বৰ্তমানৰ বিশ্লেষণ। তেওঁ সমসাময়িক সমাজৰ যিদৰে নিৰীক্ষক তেনেদৰে ইতিহাসৰ নিৰ্মোহ বিশ্লেষক। আধুনিক কাব্য সাহিত্যত ভাব-ভাষাৰ সাংগীতিক লয়ৰ চিৰপ্ৰবাহিত সোঁতে কবিক বাৰে বাৰে তুলি ধৰিছে। অন্তৰৰ দগ্ধতা অথচ ভৱিষ্যৎমুখী চেতনাৰে বিচৰণ কৰিব বিচৰা কবিয়ে সেইবাবেই ক'ব পাৰিছে 'জানো, মই সংকত ধুমুহাত ভাগি নপৰো/ মানুহৰ ভৱিষ্যৎ,/ আগন্তক দুচকুত/ জনসমুদ্ৰৰ গৰ্ভৱতী সময় ক'ত!' (জনসমুদ্ৰৰ সময় ক'ত!)

ৰবীন্দ্ৰ বৰাৰ প্ৰায়বোৰ কবিতাত বিয়পি থাকে অনিৰ্বচনীয় অৰ্থময়তা। শিল্প শব্দৰ চয়ন আৰু অন্তৰাত্মৰ অনুৰণনে তেওঁৰ কবিতাবোৰত সমাজ-সংস্কৃতিৰ দ্বন্দ আৰু বিশ্বাসৰ ছবি আঁকে। মানুহৰ সমাজত প্ৰবৃত্তিবোৰ তুলি ধৰিববলৈ তেওঁ আশ্ৰয় লয় জীৱনবোধৰ গভীৰতাৰ। 'কমাৰশালৰ বৃদ্ধজন' কাব্য সংকলনখনৰ কবিতাবোৰ পঢ়ি এজন সাধাৰণ পঢ়ুৱৈ হিচাপে নিশ্চয় বুজা নুবুজাৰ শংকা এটাই আমাক খেদি ফুৰিছে। ইয়াৰ পূৰ্বেও কবি বৰাদেৱৰ কবিতাবোৰ পঢ়িছো আৰু বুজিবলৈ চেষ্টা কৰিছো। সামাজিক সংঘাতৰ মানৱিক দুখানুভূতিয়ে কবিক জটিল বাস্তৱবোধৰ মুখামুখি কৰিছেহি। অৱশ্যে কেতিয়াবা ব্যথা-বেদনা ৰূপায়ণত কবিৰ কষ্ট কল্পিত কাব্য শৰীৰৰ ৰূপ-লাৱণ্যই পঢ়ুৱৈক অধিক জটিলতাৰ মাজলৈ লৈ যায়। ক্ৰমাৎ সংকীৰ্ণ হৈ অহা সমাজ জীৱনৰ গ্লানিময় আৱেশক তেওঁ মানি লোৱা নাই। নিৰলস জিজ্ঞাসাৰে তেওঁ ৰক্তাক্ত পৃথিৱীখনৰ মাজতেই অনুভৱ কৰিব পাৰে- 'বতাহৰ সোঁ-সোঁৱনিত/ মই উমান পাইছো/ ভীষণ কোঁহালৰ শেষত/ আকৌ চৰাইজাকে বাহ সাজিছে/ মানুহৰ আভ্যন্তৰত।' (তোমাৰ শইচৰ মাত, পৃষ্ঠা ১৮৬)।

কবি ৰবীন্দ্ৰ বৰাৰ কবিতা সৃষ্টি কেৱল উপলক্ষ্য নহয়, ভিৰৰ মাজত সহজে চিনি উলিয়াব পৰা এইজনা কবিৰ বয়স আৰু অভিজ্ঞতাই জীৱনক নতুন নতুন ধৰণে অনুধাৱন কৰিববলৈ শিকাইছে। তেওঁৰ কবিতাত সদয় সমাজ এখনৰ আকৃতি আছে। শিল্পময় অৰ্থৰে নিষ্পেষিতজনৰ যন্ত্ৰণাত বুকু ফটা বিলাপতো বিছাৰি পাব পাৰি সন্তাপ— সেয়া তেওঁৰ কবিতাৰ মাজেৰে। যন্ত্ৰাণাবিধুৰ পৃথিৱীখনৰ প্ৰতি কবিৰ যি আকৰ্ষণীয় আস্থা, ভালপোৱাৰ যি নিঃস্বাৰ্থ অনুভূতি, শান্তিৰ নিৰ্মল কাতৰতা প্ৰকাশ পাইছে 'কমাৰশালৰ

বৃদ্ধজন'ৰ একাধিক কবিতাৰ মাজেৰে। আজিৰ যুৱ সমাজক লক্ষ্য কৰিলে দেখা যায় বেছিভাগেই সহজ আৰু চুটি পৰিক্ৰমাৰে সফলতাক চুই চাব খোজে, আকাংক্ষাও সমান্তৰাল উজু গতিৰে আগবাঢ়ি থাকে। এনে প্ৰেক্ষাপটত এচামে ৰবীন্দ্ৰ বৰাৰ কবিতাক চৰ্চা কৰাৰ পৰা আঁতৰি থাকিব বিচাৰে। কিন্তু গমিপিটি চালে কবিগৰাকীৰ কবিতাই শিল্প চেতনাক জগাই তোলে ওজস্বী পঢ়ুৱৈসমাজক। আজিৰ 'কাব্যময় ধামখুমিয়াত, কাব্যময় ধুমুহা'ত কবিতা বিস্তৰ ক্ষতিৰ সন্মুখীন হ'বলগা হ'লেও ৰবীন্দ্ৰ বৰাৰ কবিতাগুচ্ছ বৰগছৰ দৰে থিয় হৈ থাকিব। কবিয়ে সেইবাবেই যুদ্ধৰ দিনতো বসন্তৎসৱৰ আয়োজন কৰিবলৈ সাহস কৰে। কবিৰ ভাষাত— 'যুদ্ধৰ দিনবোৰত/ যুদ্ধৰ বিপৰীতে আমি হ'ব পাৰো অংগীকাৰবদ্ধ।' (যুদ্ধৰ দিনবোৰত)

আধুনিক কবিতাৰ প্ৰায়োগিক অনুগামীসকলৰ অন্যতম কবি ৰবীন্দ্ৰ বৰা। আধুনিক জীৱন, আধুনিক পৃথিৱীৰ জটিল সময় আৰু সন্ধিক্ষণে তেওঁক গঢ়ি তুলিছে অনন্যৰূপে। তেওঁৰ 'কমাৰশালৰ বৃদ্ধজন' নামৰ কাব্যসংকলনখনত থকা কবিতাবোৰে জাতীয় চেতনা জগাই তুলিব পৰাকৈ মানৱীয় প্ৰমূল্যৰ গভীৰ আস্থা প্ৰকাশ কৰি আহিছে। আমি ইয়াক সমাহিত মনৰ আলোকমুখী ভাষ্যকাৰৰূপে গণ্য কৰিব পাৰো।

**বিশ্ব সাহিত্যৰ ৰূপ-ৰস**
**লেখক- হাফিজ আহমেদ**
**প্ৰকাশক- চৰ-চাপৰি সাহিত্য পৰিষদ**
**আলোচক- আক্ৰাম হুছেইন শিকদাৰ (৮৭২১৮৩২৬৪৭)**

বিশ্বৰ বিভিন্ন প্ৰান্তৰ সাহিত্য কাননত প্ৰস্ফুটিত সুগন্ধি গোলাপৰ এচেৰেঙাকৈ ৰূপ-ৰসৰ নমুনা আহৰণ কৰি সজাই তোলা হৈছে— 'বিশ্ব সাহিত্য ৰূপ ৰস'। মননশীল লেখক হাফিজ আহমেদৰ দ্বাৰা ৰচিত গ্ৰন্থখনৰ মাজেৰে বিশ্ব সাহিত্যৰ ওপৰত এক যোগাত্মক সমালোচনা আগবঢ়োৱা হৈছে। গ্ৰন্থখনৰ জৰিয়তে লেখকগৰাকীয়ে বিশ্বৰ বিভিন্ন দিশৰ সাহিত্য-ৰসৰ এক নমুনামূলক আস্বাদান পাঠক সমাজক দিব বিচাৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ মুৰব্বী অধ্যাপক ড° দিলীপ বৰাৰ কৰকমলত উচৰ্গা কৰা এই গ্ৰন্থখনত সন্নিৱিষ্ট 'হেমিংৱে আৰু মাৰ্কেজৰ দুখন কালজয়ী উপন্যাস', 'ঔপন্যাসিক আৰ্থাৰ চি ক্লাৰ্ক', 'টেনিচনৰ জীৱন আৰু কবিতা', 'লেটিন আমেৰিকাৰ অমৰ কবি পাবলো নেৰুদাৰ জীৱন আৰু কৃতি', 'সাম্প্ৰতিক গ্ৰীক কবিতা এক অৱলোকন', 'আধুনিক ইৰাকী কবি আৰু কবিতা', 'বাৰ্ণাৰ্ডশ্ব'ৰ জীৱনত নাৰী', কিউবাৰ কবিতা', 'বিপ্লৱী কবি ফঈজ আহমেদ ফঈজৰ কবিতা'কে আদি কৰি মুঠ ১৮ টাকৈ প্ৰৱন্ধৰ প্ৰায়বোৰতে বাজি উঠিছে বিদেশী সাহিত্যৰ বৌদ্ধিক প্ৰতিবাদী কণ্ঠ। কিউবাৰ জাতীয় কবি হোছে মাৰ্তিৰ প্ৰতিশ্ৰুতিসম্পন্ন বিপ্লৱী কবিতাৰে অনুপ্ৰাণিত হৈ কিউবাৰ বিপ্লৱী নেতা ফিডেল কাষ্ট্ৰোৱে তেওঁৰ অনৱদ্য বিপ্লৱ চলাই নিয়াত কিদৰে সফল হৈছিল তাৰ এক নিৰ্মোহ চিত্ৰ 'অৱসানৰ গীত' শীৰ্ষক কবিতাৰ মাজেৰে অংকন কৰিছে— 'মাৰ্তিয়ে দিছিল প্ৰতিশ্ৰুতি কোন কাহানিবাই/ ফিডেলে সেয়া কৰিলে বাস্তৱ/ শেষ হ'ল ভয় আৰু অসন্মান/ সকলো লাঞ্চনাৰ হ'ল আজি আৱসান।' আৰ্নেষ্ট হেমিংৱেৰ এষাৰ কালজয়ী উক্তি— 'Man can be destroyed, but not defeat' ৰ উদ্ধৃতিৰে 'মানৱতাৰ অজেয় সত্তাৰ প্ৰোজ্জ্বল প্ৰতীক হেমিংৱে আৰু মাৰ্কেজৰ দুখন কালজয়ী উপন্যাস' শীৰ্ষক প্ৰৱন্ধত লেখকে কৈছে— মানৱতাৰ মাজত লুকাই থকা অদম্য কৰ্ম আৰু ইচ্ছাশক্তিয়ে অসাধ্য সাধন কৰিব পাৰে, সকলো ধৰণৰ বাধা-বিধিনি, প্ৰতিকূল অৱস্থাকো হেলাৰঙে পৰাভূত কৰিব পাৰে। প্ৰতিকূল পৰিবেশ, বাধা-বিপত্তিয়ে মানুহক ধ্বংস কৰি পেলাব পাৰে, কিন্তু পৰাজিত কৰিব নোৱাৰে।

গ্ৰন্থকাৰে যিদৰে বিশ্ব-সাহিত্যৰ সুবিশাল পথাৰখনত উৰ্দু সাহিত্যৰ বিতৰ্কিত কথাশিল্পি ছাদ্দাৰ হাছান মাণ্টোক বিছাৰি পাইছে, একেদৰে পাইছে চিলিৰ প্ৰখ্যাত কবি-ঔপন্যাসিক-প্ৰবন্ধকাৰ পাবলো নেৰুদাক। হেমিংৱেৰ 'বুঢ়া আৰু সাগৰ' (The old man and the sea)ৰ সৈতে একেটা প্ৰেক্ষাপটতে সুবিন্যস্ত আলোচনা

কৰিছে মাৰ্কুইজৰ ‘বিপন্ন জাহাজৰ এক নাবিকৰ গল্প’ (The story of a shipwrecked sailor)। কিউবাৰ কবিতা বা পাকিস্তানী প্ৰতিবাদী কবিতাক তেওঁ ভাষান্তৰৰ ৰূপত যথাস্থানিক সন্নিবিষ্ট কৰিছে গ্ৰন্থখনত। সামগ্ৰিকবাবে তেওঁৰ নিৰ্বাচনৰ মাজত সাম্প্ৰদায়িকতা বিৰোধী, মানৱতাবাদী সাহিত্যৰ সুৰ এটা নিৰৱধি নদীৰ দৰে বৈ আছে। সাহিত্য যে কেৱল কাল্পনিক পৰীক্ষা-নিৰীক্ষাৰ সামগ্ৰী নহয়, নতুবা কলাৰ বাবে কলা নহয়; বৰং সাহিত্যৰ ভিতৰতো যে সচেতনভাবে এক পৰিবৰ্তনৰ স্বপ্ন থাকে, সুস্থ ৰাজনীতিৰ দৰ্শন থাকে— সেইকথা আহমেদৰ এই সংকলনটোৱে সজোৰে প্ৰমাণ কৰিব পাৰিছে। কাৰণ এই সংকলনখনত স্থান পোৱা প্ৰতিগৰাকী বৰেণ্য প্ৰতিভাৰ মাজতে মানৱ জীৱনটোক সুন্দৰ কৰি তোলাৰ দুৰ্বাৰ বাসনা আছে, তাৰ বাবেই তেওঁলোকে মানৱতাৰ জয়গান গাইছে, সাম্প্ৰদায়িকতাৰ ভয়াৱহতাক জীৱন্তৰূপত তুলি ধৰিছে, যুদ্ধ হিংসাৰ বিপৰীতে সাহসেৰে থিয় দিছে আৰু প্ৰেমৰ জয়গান গাইছে।

সৰল বাখ্যা-বিশ্লেষণেৰে উপস্থাপন কৰা আহমেদৰ প্ৰবন্ধবোৰত কোনো দুৰ্বোধ্যতা নাই। তদুপৰি তেওঁ একেবাৰে খোকোজা নলগাকৈ কথাবোৰ বৰ্ণনা কৰিছে। মাজে মাজে প্ৰয়োজনৰ তাগিদত কবিতাৰ অনুবাদো আগবঢ়াইছে। সকলো মিলি গ্ৰন্থখন সুখপাঠ্য হৈছে। বিদেশী সাহিত্যৰ ভালেমান প্ৰয়োযনীয় তথ্যপাতিৰে সমৃদ্ধ আৰু দুই-এক সাহিত্যৰ পোনপটীয়া অনুবাদেৰে ৰসাল এই সংকলনখনিয়ে অসমীয়া পাঠকৰ মন চুই যাব তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ দ্বাৰা পি এইচ ডি, এম ফিল আদি পাঠ্যক্ৰমৰ বাবে প্ৰসংগ পুথি হিচাপে স্বীকৃত এই গ্ৰন্থখন অধ্যয়ন কৰি ছাত্ৰ-ছাত্ৰীসকল নিশ্চয়কৈ উপকৃত হ’ব পাৰিব।

**শৰীৰতত্ব বা চিকিৎসা বিজ্ঞানত ন’বেল বঁটা বিজেতা**
**লেখিকা-ড° অমিয়া ৰাজবংশী**
**প্ৰকাশক-ভবানী বুকচ, গুৱাহাটী**
**অলোচক- ছৈয়দা নাজনীন**

বিজ্ঞান গবেষনাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিবলৈ বিজ্ঞানীসকলৰ জীৱনী আৰু কৰ্মৰাজিৰ সৈতে পৰিচিত কৰি দিয়াতো অগ্ৰজসকলৰে কৰ্তব্য। স্কুলীয়া পাঠ্যপুথিত বৈজ্ঞানিক আবিষ্কাৰ বা উদ্ভাৱনৰ আঁৰৰ মনস্তত্ব বা চিন্তাক প্ৰতিফলিত কৰাৰ কোনো অৱকাশ নাথাকে। বিজ্ঞানীসকলে কেনেধৰণৰ চিন্তা বা জীৱন পৰিক্ৰমাৰে তেওঁলোকৰ গৱেষণা সাফল্যমণ্ডিত কৰি শীৰ্ষতম বঁটা ন’বেল জয়ী হৈছিল— সেই দিশবোৰ ফঁহিয়াই চোৱাতো আজিৰ প্ৰজন্মৰ বাবে বৰ জৰুৰী। কিয়নো ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল মনটো জাগ্ৰত কৰিবলৈ বিজ্ঞানীৰ গৱেষণালব্ধ জ্ঞনৰ উপৰি তেওঁলোকৰ ব্যক্তিগত জীৱন পৰিক্ৰমা তথা গৱেষণাৰ তাৎপৰ্য অপৰিসীম । বিশেষভাবে ছাত্ৰ-ছাত্ৰীসকলৰ মনঃস্তাত্বিক দিশটোৰ কথা মনত ৰাখিয়েই গ্ৰন্থখনি ৰচনা কৰি উলিয়াইছে। গ্ৰন্থখনত ড° ৰাজবংশীয়ে ১৯০১ চনৰ পৰা ১৯৫০ চনলৈ বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত ন’বেল বঁটা লাভ কৰা বিজ্ঞানীসকলৰ চমু বৃত্তান্ত দাঙি ধৰিছে।

ন’বেল বঁটা প্ৰদানৰ আৰম্ভণি অৰ্থাৎ ১৯০১ চনৰ পৰাই শৰীৰতত্ব বা চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰখনলৈও এই বঁটা আগবঢ়াই অহা হৈছে। কিন্তুৰ তেতিয়াৰ বিজ্ঞানীসকলৰ জীৱন বৃত্তান্ত, কৰ্মৰাজি তথা অৱদানৰ কথা আমি প্ৰায় বহুসংখ্যকে নাজানো বা জানিবলৈ আগ্ৰহ প্ৰকাশ নকৰো। বিজ্ঞান-প্ৰযুক্তিৰ বিশেষভাৱে বিকাশ হোৱা নাছিল তেতিয়া। তেনে এক অৱস্থাতে কিদৰে বিশ্বৰ শ্ৰেষ্ঠ বঁটা লাভ কৰিব পৰাকৈ আৱিষ্কাৰবোৰ হৈছিল! সেই কথা চিন্তা কৰিয়েই হয়তো আজিৰ প্ৰজন্মই অপৰ্যাপ্ত সুবিধা গ্ৰহণেৰে শৰীৰতত্ব বা চিকিৎসাবিজ্ঞানৰ ক্ষেত্ৰখনৰ প্ৰতি অধিক আগ্ৰহী হ’ব আৰু চিকিৎসাবিজ্ঞানৰ বিভিন্ন দিশত গৱেষণা কৰাৰ কথা চিন্তা কৰিব পাৰে, এয়া লেখক ড° ৰাজবংশীৰ মনোভাৱ। বিজ্ঞানীৰ জীৱনীয়ে নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানমনস্কতাৰ প্ৰতি নিশ্চিতভাবে অনুপ্ৰাণিত কৰিব। শৰীৰতত্ব বা চিকিৎসাবিজ্ঞান বিশেষভাবে

আমাৰ স্বাস্থ্যৰ লগত জড়িত। নিজ স্বাস্থ্যৰ প্ৰতি সচেতন প্ৰতিজন ব্যক্তিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ দৰেই ড০ ৰাজবংশীৰ গ্ৰন্থখন আদৰি ল'ব বুলি আমাৰ দৃঢ় বিশ্বাস।

অসমৰ বৌদ্ধিক জগতখন ড০ অমিয়া ৰাজবংশীয়ে বিজ্ঞান বিষয়ক বহু লিখনিৰে সমৃদ্ধ কৰি তুলিছে। উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০ অমিয়া ৰাজবংশী বৰ্তমান লখিমপুৰ জিনিয়াছ একাডেমীৰ ৰেক্টৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। 'প্ৰান্তিক', 'বিজ্ঞান জেউতি', 'জ্ঞান-বিজ্ঞান', 'সাদিন', 'আমাৰ অসম', গুৱাহাটী-ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ আদিকে ধৰি বিভিন্ন আলোচনী আৰু কাকতৰ তেওঁ এগৰাকী জনপ্ৰিয় বিজ্ঞান লেখিকা। অসমীয়া বিজ্ঞান-সাহিত্যৰ বহুদিনীয়া অভাৱ পূৰাবলৈ সক্ষম হোৱা গ্ৰন্থখনে সম্পূৰ্ণ ৫০ টা বছৰ ন'বেল বঁটাপ্ৰাপ্ত বিজ্ঞানীসকলক একেলগে সামৰি লৈছে। একেলগে তিনিকুৰি বিজ্ঞানীৰ জীৱন কৃতিৰ বিষয়ে আলোকপাত কৰা হৈছে।

**The ASSAM TRIBUNE :**

**(03.07.2018)**
**Kishore Upanyas Sankalan**
**Writer – Santosh Kumar Karmakar**
**Reviewer – Dr.Tapati BaruahKashyap**
**Publisher – Purbanchal Prakash, 2017**
**Price - Rs. 650.00**

Adolescence is the most formative yet most crucial period of life. The transitional phase in which youths undergo physical and psychological changes leaves them with many queries about themselves and the world around. This book tries to make it conducive for the youths to accept this transition. It is a compilation of novels written for the adolescents presenting stories based on real life issues faced by them. The characters used in the novels are adolescents which makes it more relatable for the target readers to internalize and connect.

The collection has a variety of storylines in the novels. In PritivirPorhashaliloi the magic of science is revealed whereas in AnkareGorhaPrithibit the Fear for mathematics is fought. In "Football Football" the importance of teamwork patience are highlighted whereas in "DiparPhulani" the mental agony of adolescents due to abnormal circumstances are addressed.

As per NCERT guidelines of children literature the book comes under the second category i.e. for children of eight to fourteen years age. He very subtly and sensitively brings the issues of morality, violence, environment, sexuality etc. onto the table for lucid and effective digestion of the reader of this vulnerable phase. This book has the potential of addressing the reader of this vulnerable age group in a very systemic yet comprehensive way.

**Green Urban Biodiversity**
**Writer – Farishta Yasmin and Saurav Kumar Boruah**
**Reviewer – Pallabi Konwar**
**Publisher – The Principal, Nowgong College,Nagaon**
**Price- Rs. 1200.00**

In the current race of development the eco-system and environment around us has been subjected to unimaginable depletion. There are species that have been extinct and endangered to the extent that in the very near future they will simply be existent only in literature. This book is ahand forward in documenting species present around us to seize them in time for posterity. FarishtaYasmin has taken the campus of Nowgong College at the heart of the city of Nagaon as her site for the endeavour. She has documented the different plants in the campus and marked their evident ecosystem. The photographic documentation carried out by SauravBoruah has not only supported the book but enhanced the overall appeal and understanding of it. In understanding local biodiversity and creating response around the preservation of it this book is an aesthetic as well as effective attempt.

**(10.07.2018)**
**Karmachari**
**Writer – VP Kale**
**Translator – Vikrant Pande**
**Reviewer – Bhaskar Phukan**
**Publisher – Harper Perennial**
**Price - Rs. 299.00**

This book is a way to look at the society from the lens of the middle class office goer of Mumbai. The expansion of Mumbai because of geographical and political reasons in a certain linear way and it being the economic capital of India has endowed it with peculiar lifestyles. The claim of a middle class person in Mumbai leading a life with very different aspirations and ideologies than the normal Indian Middle class person is quite convincingly surfaces in the book. It is a collection of stories written by VasantPurusottam Kale aka VaPu in Marathi translated into English by IIM, Bangalore graduate Vikrant Pande. The stories reveal dynamics of the lifestyle of Mumbaikars in a verynuanced way. Though it is mostly set in the seventies Mumbai, it still holds relevance. In stories like Kalpana and Anamik the most common aspirations of mumbaikars that are owning a roof or owning an expensive resource are very finely crafted into literature. The lifeline of Mumbai the local train also is used to play important role in setting up the premises for the experiences shared. It is not only an interesting insight to the society but also an interesting way of inquiry.

**Sprinkle of Expressions**
**Writer – Geetima Baruah Sarma**
**Reviewer – Joykanta Sarma**
**Publisher – Geetima Baruah Sarma**
**Price - Rs. 160.00**

This is collection of poems by GeetimaBaruahSarma most of which have been published in various magazines, e-journals, newspapers etc. The main muse of the poet comes across as nature and culture. But there is a variety of themes and tones within that regime. Poems like Night Queen, harmony,Ode to morning etc. are profoundly simple in linguistic terms but there is a touch of reality coated philosophy to it. Written mostly in third person there is a conscious attempt to put forward a bold opinion keeping the personal clichés side-lined. The poems try to keep balance by at one hand throwing light of hope and at the same time acknowledging the temporality it keeps the reminder to negativity. The juxtaposition of cheerfulness in melancholy is stimulating. The trick of repetition is exercised efficiently that gives a sense of timbre. The collection reflects the poet's compatibility with the local traditions. Though throughout there is a longing for a beautiful and better world it misses out on the multiple layering and complexity that is inherent n poetry. The poems stem out from keen observation and understanding and hence have the ability to reach out to the readers.

**Green Urban Biodiversity**
**Writer – Farishta Yasmin and Saurav Kumar Boruah**
**Reviewer – Pallabi Konwar**
**Publisher – The Principal, Nowgong College, Nagaon**
**Price- Rs. 1200.00**

In the current race of development the eco-system and environment around us has been subjected to unimaginable depletion. There are species that have been extinct and endangered to the extent that in the very near future they will simply be existent only in literature. This book is a hand forward in documenting species present around us to seize them in time for posterity. FarishtaYasmin has taken the campus of Nowgong College at the heart of the city of Nagaon as her site for the endeavour. She has documented the different plants in the campus and marked their evident ecosystem. The photographic documentation carried out by SauravBoruah has not only supported the book but enhanced the overall appeal and understanding of it. In understanding local biodiversity and creating response around the preservation of it this book is an aesthetic as well as effective attempt.